# দিশপুৰ মহাবিদ্যালয় আলোচনী

# অৰুণ

দ্বিতীয় প্ৰকাশ ঃ ১৯৯৫-৯৬ চন

সম্পাদক ঃ কুশলচন্দ্ৰ কলিতা



-ঃ প্ৰীতি আৰু শ্ৰদ্ধাৰে ঃ-

.........................................................................লৈ

আগবঢ়ালোঁ

ধন্যবাদেৰে

কুশল চন্দ্ৰ কলিতা
সম্পাদক

'অৰুণ'

ছিপপুৰ মহাবিদ্যালয় আলোচনী

# দিশপুৰ মহাবিদ্যালয় আলোচনী

## অৰুণ

### দিশপুৰ মহাবিদ্যালয় ছাত্র একতা সভাৰ

বছৰেকীয়া প্ৰকাশ

দ্বিতীয় সংখ্যা

ইং ১৯৯৫-৯৬ বৰ্ষ


তত্ত্বাবধায়িকা ঃ
ডঃ নমিতা ডেকা

সম্পাদক ঃ
কুশল চন্দ্ৰ কলিতা

# 'অৰুণ'

বেটুপাত অঙ্কণ ঃ
শ্রী যুত চম্পক বৰবৰা

স্কেচ অঙ্কণ ঃ
শ্রী চন্দন বেজবৰুৱা

পৰিকল্পনা ঃ
কুশল চন্দ্ৰ কলিতা


মুদ্ৰক ঃ
ভাস্কৰ প্রিন্টার্ছ
কছাৰী বস্তি
গুৱাহাটী - ৫

প্রকাশক
দিশপুৰ মহাবিদ্যালয় ছাত্র একতা সভা



কৃতজ্ঞতা স্বীকাৰঃ

'অৰুণ'ৰ বেটুপাত শিল্পী শ্রদ্ধেয় শ্রীযুত চম্পক বৰবৰা, স্কেচ শিল্পী শ্রী চন্দন বেজবৰুৱাৰ, লগতে ভাস্কৰ প্রিন্টার্ছৰ স্বত্বাধিকাৰী মাননীয় শ্রীযুত ভাস্কৰ বৰুৱা আৰু কৰ্মচাৰীবৃন্দই আলোচনীখন প্রকাশত গঠন মূলক ভূমিকাৰে মোক চিৰঋণী কৰিলে। তেখেত সকলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।




অ
ৰু
ণ
১৯৯৫-৯৬ বৰ্ষ

## সম্পাদনা সমিতি

সভাপতি
শ্রীযুত বেৰকান্ত হাজৰিকা

তত্বাবধায়িকা ঃ
ডঃ নমিতা ডেকা

সম্পাদক ঃ
কুশল চন্দ্ৰ কলিতা

সদস্য ঃ
শ্রীযুতা নন্দিনী বৰুৱা
শ্রীযুতা বীণা চৌধুৰী
মঃ জাকিৰ আলী

# -ঃ শুভেচ্ছাবাণী ঃ-



**Directorate of Higher Education,**
**Assam, Kahilipara, Gauhati-19**

প্ৰতি,
শ্ৰী কুশল চন্দ্ৰ কলিতা
সম্পাদক, 'অৰুণ'
দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী

মহাশয়,

দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী 'অৰুণ'ৰ ২য় সংখ্যা প্ৰকাশৰ পথত বুলি জানিব পাৰি আনন্দিত হৈছোঁ। সম্পাদক হিচাপে বিশেষভাৱে আপোনালৈ আৰু সাধাৰণভাৱে দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৈ তাৰ বাবে ধন্যবাদৰ শৰাই আগবঢ়ালোঁ। আশা কৰোঁ, 'অৰুণ'ৰ ২য় সংখ্যা সকলো দিশৰ পৰা সমৃদ্ধ আৰু সুখ-পাঠ্য হ'ব।

ইতি

স্থান ঃ কাহিলিপাৰা,
গুৱাহাটী - ১৯
তাং ঃ ১ ফেব্ৰুৱাৰি, ১৯৯৬

ভৱদীয়,
অধ্যাপক টাবু টাইদ
শিক্ষাধিকৰ্তা (উচ্চ শিক্ষা), অসম



## -ঃ শুভেচ্ছাবাণী ঃ-

দিশপুৰ মহাবিদ্যালয়ৰ দ্বিতীয় সংখ্যাৰ বাৰ্ষিক আলোচনী 'অৰুণ' প্ৰকাশ কৰিবৰ বাবে প্ৰস্তুতি চলি আছে। এই মহাবিদ্যালয়ত ভালেমান সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰী আছে আৰু কোনো কোনোৱে বাতৰি কাকত লিখি নিজৰ প্ৰতিভা দেখুৱাইছে।

আশা কৰোঁ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অৱদানেৰে 'অৰুণ' সমৃদ্ধ হ'ব আৰু ই যুৱসমাজত নতুন অৰুণৰ আভা বিলাব।

'অৰুণ'লৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

**ডঃ লক্ষ্মীনন্দন বৰা**
নৱ-নিৰ্বাচিত সভাপতি
অসম সাহিত্য সভা





## -ঃ শুভেচ্ছাবাণী ঃ-

দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'অৰুণ'খন প্ৰকাশ হব বুলি জানি নথৈ আনন্দিত হ'লো।

বিদ্যালয়, মহাবিদ্যালয় নাইবা বিশ্ববিদ্যালয় আদিৰ আলোচনীবোৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু সাহিত্য সংস্কৃতি চৰ্চাৰ তালিমথল বুলি কব পাৰি। ছাত্ৰ-জীৱনতে সাহিত্য সংস্কৃতিৰ বীজৰ অঙ্কুৰ প্ৰস্ফুটিত হৈ পৰিণত বয়সত সাহিত্য সংস্কৃতি বিষয়ত একোজন বিশিষ্ট লোকৰ পৰিচয় দিব পৰাৰ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়। এই আলোচনীৰ জৰিয়তে নতুন লিখক লিখিকাৰ জন্ম হয় আৰু পৰৱৰ্তী কালৰ বুকুত স্বাক্ষৰ ৰাখিবলৈ সক্ষম হয়। নতুন প্ৰজন্মৰ বাবে এইবোৰ আলোচনী প্ৰেৰণাদায়ক। আশা কৰো এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এইখন আলোচনীৰ জৰিয়তে সাহিত্যসাধনাত ব্ৰতী হবলৈ সুবিধাকণ পাব। আলোচনীখন জাকজমকভাৱে প্ৰকাশিত হওক আৰু বৃজন কলেবৰৰ হওক। আলোচনীখন আলোকসন্ধানী ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ উৎস হওক, তাকে কামনা কৰিলো।

'অৰুণ'ৰ উজ্জ্বল কিৰণত জ্ঞানৰ দিপ্তী বিকিৰিত হওক। আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

প্ৰীতিৰে
**শ্ৰী হিতেশ ডেকা**
২৭/২/৯৬
সভাপতি - অসম সাহিত্য সভা

## সূচীপত্ৰ

সম্পাদকীয়
আমাৰ অধ্যক্ষ মহোদয়
তত্ত্বাৱধায়িকাৰ এডুমুকি

**প্ৰবন্ধ গুচ্ছ**

* সংস্কৃতি মূলক - অসমীয়া সংস্কৃতিৰ সোণালী কাল: সত্ৰীয়া শতিকা
  এটি গোৱালপৰীয়া উৎসৱ: কাতি বা কাৰ্তিক দেৱতাৰ পূজা — শ্ৰী বীণা চৌধুৰী /
* সাহিত্য সম্পৰ্কীয় - অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা ভট্টদেৱ — মিছ্ অঞ্জলী ৰায় /
* শিক্ষামূলক - সাক্ষৰতা অভিযানত গ্ৰন্থাগাৰৰ ভূমিকা — শ্ৰী অঙ্কুৰ বৈশ্য /
* ভ্ৰমণ কাহিনী - চিকিমত এডুমুকি — শ্ৰী মিনু দেৱী /
* ছাত্ৰ-ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ সম্পৰ্কীয় — ডঃ গীতা শৰ্মা /
  — (ক) জয়নাল আবেদিন /
  (খ) শ্ৰী পংকজ ফুকন /
  (গ) বণি মহন্ত /
* সম্পাদনা সমিতি
* আমাৰ অধ্যাপিকাসকল

**কবিতা গুচ্ছ**

হাঁহি – শ্ৰী পিনাকী কলিতা /
সংঘাত – শ্ৰী শিখা পাঠক /
কবিতা – মানসজ্যোতি গগৈ /
আত্মাৰ সৃষ্টি - মঃ জাকিৰ হুছেইন /
সপোন – শ্ৰী ইৰাজ্যোতি মেধি /
মৃত্যু – শ্ৰী মনোজ কুমাৰ নাথ /
যেনেকৈ সুবাস বিচাৰি – শ্ৰী তন্ময় কুমাৰ নাথ /
সকলো আমাৰ ভাই – এ. ইউ. বৰভূঞা /
কিবা যেন নাই নাই – শ্ৰী চৈতালী বৰা /
বসন্ত প্ৰতীক্ষা – শ্ৰীমালামণি হাজৰিকা /
বহাগ – শ্ৰী দিলীপ কুমাৰ নাথ /
বসন্ত কালৰ আগমনত – শ্ৰী প্ৰদীপ কুমাৰ দাস /
আমাৰ মহাবিদ্যালয় পুথিভঁৰালৰ কৰ্মচাৰীসকল /
আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী সকল /
আমাৰ মহাবিদ্যালয়ৰ বিশেষ চিহ্ন /

**গল্পগুচ্ছ**

একাপ চাহত অতীত জীৱন – বৰ্ণালী গোস্বামী /
পংগুৰ হৃদয় – অঞ্জলি বৰ্মন /
অপ্ৰত্যাশিত – মিনু গগৈ /
প্ৰেয়সীকাৰ অন্তত – মৃণাল দাস /
অনাকাংক্ষিত সময় – নবীন ভুঞাগোহাঁই /
আমাৰ গৌৰৱ /
ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল (১৯৯৫-৯৬ বৰ্ষ) /
বিভাগীয় সম্পাদকৰ প্ৰতিবেদন /

**ENGLISH SECTION**

Role of school in social reconstruction - Mrs. Sunita Agarwalla /
Truth and Ahinsa (non-violence) - Mrs. Pranita Sarma /
Homoepathy and the medical science - Sri Dhiraj Sarma /

**POEM**

Friendly foe - Munindrajit Goswami /
The morning song - Madhu Sudhan Saha /
১৯৯৫ চনত অনুষ্ঠিত তৃতীয় মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল / তৃতীয় মহাবিদ্যালয় সপ্তাহৰ কেইটিমান বিশেষ মুহূৰ্ত /
১৯৯৫ চনৰ নৱাগত আদৰণি সভাৰ লগতে 'প্ৰাচীৰ পত্ৰিকা' উন্মোচনৰ বিশেষ মুহূৰ্ত / অন্যান্য /





সাহিত্য জাতিৰ অলঙ্কাৰ-স্বৰূপ । জাতীয় ঐক্য সংহতি সাধনত সাহিত্যৰ প্ৰভাৱ অতি সুদূৰ প্ৰসাৰী । জাতীয় সাহিত্য জাতিৰ প্ৰতিচ্ছবি। যাৰ জাতীয় জীৱন বোলা কোনো কথা নাই; তাৰ জাতীয় সাহিত্যও নাই । সেয়েহে জাতিৰ পৰিচয় দিবলৈ হলে সাহিত্য অপৰিহাৰ্য্য । যেতিয়ালৈ নিজ সাহিত্য থাকিব, তেতিয়ালৈ জাতিৰ পৰিচয় থাকিব । এখন সমাজৰ মানদণ্ড সেইখন সমাজৰ কলা-সাহিত্যৰ দ্বাৰাহে নিৰূপিত কৰা হয়। সাহিত্য সৃষ্টিৰ বাবে এটা অনুকূল বাতাৱৰণ আৰু সুস্থ পৰিবেশৰ নিতান্ত প্ৰয়োজন । সাহিত্য আচলতে উদ্দেশ্য ধৰ্মী । বাস্তৱবাদী সাহিত্যিকে সমাজ জীৱনৰ সমস্যা আৰু তাৰ সমাধানৰ বাবে যি সাহিত্য সৃষ্টি কৰিছে, তাত লেখকৰ সুগভীৰ চিন্তা আৰু উদ্দেশ্য নিহিত থকাটো একান্ত বাঞ্ছনীয় । সমাজৰ পৰা নিজক বিছিন্ন কৰি ৰাখিলে লেখকে সমাজৰ বাস্তৱ অভিজ্ঞতা কেতিয়াও অৰ্জন কৰিব নোৱাৰে । আজিৰ সাহিত্যৰ এটা সামাজিক মূল্য আছে । সেয়েহে সাহিত্যিকসকলে মানৱ সমাজত সত্য-সুন্দৰ প্ৰতিষ্ঠা কৰাৰ দায়িত্ব কান্ধ-পাতি লব লাগিব । অসমৰ সাহিত্যৰ উন্নতিৰ হকে ইং ১৯১৭ চনত "অসম সাহিত্য সভা"ৰ জন্ম হৈছিল । বৰ্তমান অসমীয়া সাহিত্য কিমান উন্নত, বিচাৰ্য্যৰ বিষয় হৈ পৰিছে । আজি বহুত ছাত্ৰই অসমীয়া সাহিত্যিকৰ নাম নাজানে । ইয়াৰ বাবে দোষী সাব্যস্ত কৰা যাব কাক? তাৰবাবে হয়তো ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান অৰ্জনৰ প্ৰতি থাকিবলগীয়া আগ্ৰহ, হেঁপাহৰ অভাৱেই মূল কাৰণ । তদুপৰি অন্য ভাষা-ভাষীৰ প্ৰভাৱে মূল কাৰণত শলিতা জ্বলাইছে । বিদেশী বহিস্কাৰ আন্দোলনটো এতিয়া অসমৰ জাতীয় সংস্কৃতি, জাতিৰ নিৰাপত্তা তথা আন-আন কেতবোৰ দিশৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছে । সেয়ে ইয়াৰ এটা সু-সমাধানৰ প্ৰয়োজন । দৃঢ় মনোবলে জীৱন ৰথৰ মূল চালিকা শক্তি । বাজি উঠক বিজয়ৰ দুন্দুভি । জ্ঞানৰ দীপাৱলীত দুইতৰ পাৰ জিলিকি উঠিব । গণ-জীৱনত এক নতুন দিনৰ এক নতুন আশাৰ সঞ্জিৱনী মন্ত্ৰ উচ্চাৰণ কৰিম ।

দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ মাধ্যম হ'ল এই আলোচনীখন । আলোচনীখনৰ মৰ্যাদা, মহাবিদ্যালয়ৰ সন্মান বজাই ৰখাৰ দায়িত্ব সম্পাদক তথা সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ । এই কথা মনত ৰাখি আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাই । ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্যানুৰাগ বৃদ্ধি কৰিবলৈ মোৰ কাৰ্য্যকালত 'সাহিত্য প্ৰতিযোগিতা' অনুষ্ঠিত কৰি সুফল লাভ কৰিছিলোঁ । আজি আনন্দিত হৈছোঁ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কিছুমানলৈও সাহিত্যৰ প্ৰতি ধাউতি বৃদ্ধি পোৱাত । আশা ৰাখিছোঁ, এই ধাউতি আগলৈও প্ৰৱাহিত হৈ থাকিব । ইয়াৰ দায়িত্ব লব লাগিব আগন্তুক সম্পাদকসকলে। দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বহুদিনৰ পৰা অভাৱ অনুভৱ কৰিছিল এখন "প্ৰাচীৰ পত্ৰিকা"ৰ । মোৰ কাৰ্য্যকালত কৰ্তৃপক্ষ তথা সকলোৰে সহযোগত এখনি 'প্ৰাচীৰ পত্ৰিকা' উন্মোচন কৰিবলৈ সমৰ্থ হওঁ । ছাত্ৰ-ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱ এটি পূৰণ কৰিবলৈ পাই মই কৃতজ্ঞ হৈছোঁ । "প্ৰাচীৰ পত্ৰিকা"খন পৰৱৰ্তীকালতো জীয়াই ৰাখিবলৈ মই ছাত্ৰ-ছাত্ৰী তথা পৰৱৰ্তী সম্পাদক সকলক অনুৰোধ জনাইছোঁ ।

অসমৰ মাজমজিয়াত ৰাজধানীৰ কাষতে অৱস্থিত দিশপুৰ মহাবিদ্যালয়ৰ দৰে এখন মহান শিক্ষানুষ্ঠানৰ আলোচনীৰ দায়িত্বৰ গুৰুভাৰ আমাৰ হাতত অৰ্পণ কৰি সাহিত্য ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ বন্ধু-বান্ধৱীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ । 'অৰুণ' প্ৰকাশৰ অগ্ৰগতিত দিশপুৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত বেৰকান্ত হাজৰিকা মহোদয় আৰু তত্ত্বাৱধায়িকা হিচাপে সন্মানীয়া অধ্যাপিকা ডঃ নমিতা ডেকা মহাশয়াৰ পৰামৰ্শ মোৰ চিৰস্মৰণীয় হৈ ৰ'ব । শিক্ষাগুৰু সকলৰ মৰম, উৎসাহ উদ্দীপনা, আন কৰ্মচাৰীসকলৰ সহায় আৰু সহপাঠী বন্ধু- বান্ধৱী সৰ্বশ্ৰী ধীৰেন, প্ৰদীপ, জগদীশ, মৃগাংকজিৎ, নমিতা, সবিতা, দিলীপ, ফাৰা, গীতাঞ্জলীৰ পৰা হাতে কামে পোৱা সহায়ৰ উপৰিও সম্পাদনা সমিতিৰ সদস্যবৰ্গ, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দলৈকো সময় সাপেক্ষে পোৱা সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা থাকিল । লগতে মোৰ সোঁ-হাত স্বৰূপে সহায় কৰি, শ্ৰদ্ধাৰ চম্পক বৰবৰা, মিনতী গোস্বামী, মনোজ বৰদলৈ, মৰমৰ জুপিতৰা চৌধুৰী, ভাৰতী বৰা (সোণমণি), চন্দন বেজবৰুৱা, বিপুল দাস, বিপুল তালুকদাৰ আৰু ভাস্কৰ প্ৰিন্টাৰ্চে মোক ঋণী কৰি ৰাখিলে। তেখেতসকললৈও মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

সমূহ দিশপুৰীয়ানক সন্তুষ্ট কৰিবলৈ কোনো দিনে কৰ্মত স্বাৰ্থপৰ হোৱা নাই অথবা কৰ্মক অৱহেলা কৰা নাই । সুবিচাৰৰ দায়িত্ব আপোনালোকৰ হাতত এৰি দিলোঁ । বহু লেখক-লেখিকাৰ লিখনি অন্য-অপৰিহাৰ্য্য কাৰণত প্ৰকাশ কৰিব পৰা নগ'ল । তেখেতসকল নিৰাশ নহৈ অনুশীলন অব্যাহত ৰাখিবলৈ অনুৰোধ জনালোঁ । সমস্যা মানুহৰ চিৰ লগৰী । তেনেদৰে বহু সমস্যা অতিক্ৰম কৰি 'অৰুণ'ক আপোনালোকৰ হাতত তুলি দিয়া হ'ল । আপোনালোকে মৰমেৰে 'অৰুণ'ক আদৰি ললে আমাৰ শ্ৰম সাৰ্থক হব ।

'অৰুণ' সৰ্বাঙ্গসুন্দৰ হোৱাৰ কামনা থাকিল । সদৌ শেষত মোৰ অজানিত ভুল-ভ্ৰান্তিৰ বাবে গলবস্ত্ৰ হৈ ক্ষমা ভিক্ষা মাগিছোঁ ।

ধন্যবাদেৰে

কুশল চন্দ্ৰ কলিতা

# আমাৰ অধ্যক্ষ মহোদয়



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বেৰকান্ত হাজৰিকাদেৱ

# থোৰতে একাষাৰ

'জন্ম' শব্দটোৰ সতে 'আনন্দ' শব্দটোৰ যেন এক নিবিড় সম্পৰ্ক। সেয়ে হয়তো 'অৰুণ'ৰ দ্বিতীয় সংখ্যাৰ জন্মৰ শুভ মুহূৰ্তত মই হৃদয়ত অনুভৱ কৰিছোঁ এক অনাবিল আনন্দ । আলোচনী এখনৰ মানদণ্ড যাইকে নিৰ্ভৰ কৰে তাত সন্নিবিষ্ট ৰচনাৰাজিৰ ওপৰত । আমাৰ হাতত পৰা ৰচনাৰাজিৰ মাজৰ পৰাই উপযুক্ত বুলি ভবাখিনিকে লৈ 'অৰুণ' ৰ দ্বিতীয় সংখ্যা প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে ।

গল্প, কবিতা, প্ৰবন্ধ আদি ৰচনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যম আৰু আগ্ৰহ আছে যদিও চিন্তা, চৰ্চা আৰু সাধনাৰ অভাৱ অনুভৱ কৰা যায়। সুসাহিত্যিক হেমেন বৰগোহাঞিয়ে তেওঁৰ 'গদ্যৰ সাধনা' গ্ৰন্থৰ 'মুখবন্ধ'ত কোৱা কিছুকথা এইখিনিতে উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। তেওঁ কৈছে, " ভাল গদ্য লিখিবলৈ শিকাৰ এটা প্ৰধান উপায় হ'ল শ্ৰেষ্ঠ গদ্য লেখকসকলৰ শ্ৰেষ্ঠ ৰচনাবোৰ বাৰে বাৰে পঢ়ি তাৰ কিটিপবোৰ বুজিবলৈ যত্ন কৰা। বেঞ্জামিন ফ্ৰেংক্লিনে তেওঁৰ আত্ম জীৱনীত লিখি থৈ গৈছে যে ভাল গদ্য লিখাৰ কায়দা শিকিবলৈ তেওঁ গোটেই জীৱন ধৰি কঠোৰ পৰিশ্ৰম কৰিছিল আৰু সিয়েই তেওঁক জীৱনত উন্নতি কৰাত বিশেষভাৱে সহায় কৰিছিল। যোছেফ এডিছনৰ দ্বাৰা সম্পাদিত স্পেক্টেটৰ নামৰ আলোচনীখনৰ আটাইবোৰ প্ৰবন্ধ তেওঁ খুব মনোযোগ দি পঢ়িছিল; কেৱল পঢ়িয়েই ক্ষান্ত নাথাকি তেওঁ প্ৰবন্ধবোৰৰ ভাবাৰ্থখিনি নিজৰ ভাষাত নতুনকৈ লিখি উলিয়াইছিল। গদ্যৰ সাধনা কৰা সকলো মানুহেই হয়তো বেঞ্জামিন ফ্ৰেংকলিনৰ সমান কঠোৰ পৰিশ্ৰম নকৰে। কিন্তু তেওঁলোক প্ৰত্যেকেই শ্ৰেষ্ঠ গদ্য লেখকসকলৰ ৰচনাবোৰ বাৰে বাৰে পঢ়ি ভাল গদ্য লিখাৰ কায়দা শিকিবলৈ যত্ন কৰে। গদ্য লিখিবলৈ শিকিবলৈ ইয়াৰ বাহিৰে দ্বিতীয় উপায় নাই।" তেওঁৰ এই বহুমূল্যবান কথাখিনিৰ দ্বাৰা আমাৰ ছাত্ৰ - ছাত্ৰীসকল অনুপ্ৰাণিত নহ'বনে ?

সাধাৰণতে কবিতা ৰচনাৰ প্ৰতিহে ছাত্ৰ-ছাত্ৰীসকল অধিক আগ্ৰহী দেখা গ'ল। কিছুমান জটিল শব্দৰ সমষ্টিয়েই কেতিয়াও কবিতা হ'ব নোৱাৰে। কবিসকলৰ এক বিশেষ অনুভূতি আছে আৰু সেয়াই তেওঁলোকৰ কবিতাত প্ৰতিফলিত হয়। এইখিনিতে হলীৰাম ডেকাৰ কথা এষাৰলৈ মনত পৰিছে - "কবি বা ভাবুকসকলৰ চিন্তাৰ প্ৰবৃত্তি বেছি। তেওঁলোকে কল্পনাৰ সহায়ত একো একোখন আদৰ্শ সৃষ্টি পাতি লয় আৰু তেওঁলোকে কথাত বা গ্ৰন্থত যিবোৰ ছবি আঁকে সেইবোৰ মনোৰাজ্যৰ ছবি। তেওঁলোকক idealist অৰ্থাৎ চিন্তাজীৱী বুলিব পাৰি। তেওঁলোকে যিবোৰ উপায় উদ্ভাৱন কৰে সেইবোৰ সমাজৰ বৰ্তমান অৱস্থাত বা বৰ্তমান সময়ত কাৰ্যকৰী নহ'ব পাৰে, কিন্তু তাৰ আৱশ্যক আছে । সেইবোৰ মানুহৰ মনত উচ্চ আদৰ্শ দেখুৱাই সাধাৰণক সৎ, মঙ্গলৰ পিনে আকৰ্ষণ কৰে আৰু ভৱিষ্যতে তাৰ ব্যৱহাৰৰ বাবে ক্ষেত্ৰ নিৰ্মাণ কৰে।" এনেবোৰ কথাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলে মন দিয়া উচিত ।


'অৰুণ' ত যিসকল ছাত্ৰ-ছাত্ৰীৰ ৰচনাই ঠাই পাইছে, সেইসকলক আত্মতৃপ্তিৰ টোপত উটি নগৈ হাত পৈনত কৰাত ব্ৰতী হ'বলৈ পৰামৰ্শ আগবঢ়ালো । আনহাতে যিসকলৰ লেখনীয়ে ছপা আখৰৰ মুখ নেদেখিলে, সেইসকলে নিৰাশ নহৈ নতুন উদ্যমেৰে সাধনাত ব্ৰতী হোৱা উচিত।

'অৰুণ' ক সৰ্বাঙ্গসুন্দৰ কৰি সজাই-পৰাই তুলিবলৈ আমাৰ অভাৱ-অনাটনৰ পৰিমাণ যথেষ্ট। সীমিত ধনেও আমাৰ হেপাঁহৰ বাটত অন্তৰায় হৈ থিয় দিছে। তথাপি তাৰ মাজেৰেই 'অৰুণ' প্ৰকাশ কৰিবলৈ পাই আমি আনন্দিত হোৱাৰ লগতে গৌৰৱ অনুভৱ কৰিছোঁ।

'অৰুণ' প্ৰকাশ কৰি উলিওৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বেবকান্ত হাজৰিকাদেৱৰ উৎসাহ, তৎপৰতা আৰু সহায়ৰ শলাগ লৈছোঁ। মোৰ তত্বাৱধানৰ কামত অধ্যাপিকা শ্ৰীমতী বীণা চৌধুৰী আৰু অধ্যাপিকা জেবিন আখ্‌তাৰে সহায়ৰ হাত আগবঢ়াই ধন্যবাদৰ পাত্ৰী হৈছে । সম্পাদক শ্ৰীমান কুশলচন্দ্ৰ কলিতাই দায়িত্বপূৰ্ণ মনোভাৱেৰে কৰা কামৰ প্ৰশংসা কৰিছোঁ।

ভুল-ভ্ৰান্তি শুধৰাবলৈ যত্নৰ ত্ৰুটি কৰা নাই। তথাপি অনিচ্ছাকৃতভাৱে থাকি যোৱা ভুলৰ বাবে মাৰ্জনা বিচাৰিছোঁ। এই সুযোগতে ভাস্কৰ প্ৰিণ্টাৰ্চলৈও আমাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ । শেহত 'অৰুণ' ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ ।

ডঃ নমিতা ডেকা
তত্বাৱধায়িকা


প্ৰবন্ধ সম্ভাৰ

# অসমীয়া সংস্কৃতিৰ সোণালী কাল ঃ সপ্তম শতিকা

বীণা চৌধুৰী
প্ৰবক্তা, অসমীয়া বিভাগ

ৰামায়ন, মহাভাৰত আদি প্ৰাচীন মহাকাব্যত উল্লেখিত ম্লেছ, কিৰাত, চীন আদি অধিবাসীসকলক লৈ প্ৰাগজ্যোতিষ, লৌহিত্য-দেশ, পাৰ্বত্যদেশ নাইবা ম্লেছ দেশ নামেৰে উত্তৰ-পাৰ্বত্য অঞ্চলটো ভাৰতীয় ইতিহাসৰ জন্মলগ্নৰে পৰাই জড়িত। সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহলেও ঘটকাসুৰ,নৰকাসুৰ, বাণ, ভগদত্তৰ শাসনলব্ধ এই দেশত হৰি-হৰৰ যুদ্ধ, পৰশুৰামৰ মাতৃহত্যা, কৃষ্ণ-ৰুক্মিনীৰ বিবাহ, উষা-অনিৰুদ্ধৰ মিলন, অৰ্জুন-বভ্ৰুবাহনৰ যুদ্ধ,ভীম ঘটোৎকচৰ মিলন আদি মুখে মুখে প্ৰচলিত অলেখ ঘটনাই এই দেশৰ সংস্কৃতিক ভাৰতীয় সংস্কৃতিৰ সতে একেডাল সূতাত বান্ধি থৈছে। সময়ত সেই প্ৰাগজ্যোতিষ ম্লেচ দেশখন কামৰূপ



আৰু কামৰূপ আয়তনত কমি অসমত পৰিণত হ'ল। বৰ্তমান অসমীয়া জীৱনৰ দীঘে-বানিয়ে অষ্ট্ৰিক-মঙ্গোলীয়-আৰ্য্য আৰু আলপাইন গোষ্ঠীৰ মিশ্ৰনেৰে আহোম যুগৰ পৰা অসমীয়া সংস্কৃতি গঢ় লৈছে। কিন্তু এই সংস্কৃতিও যে প্ৰাচীন কামৰূপ আৰু প্ৰাগজ্যোতিষ সংস্কৃতিৰ ওপৰতেই ভিত্তি কৰি ঠিয় হৈছে তাৰ যথেষ্ট প্ৰমাণ প্ৰাক আহোম যুগৰ অজস্ৰ ৰজামহাৰজাৰ কীৰ্তি-কাহিনী, তাম্ৰশাসন, পুথি-পাজিৰ উল্লেখ, পৰিব্ৰাজকৰ টোকা আদিয়ে দাঙি ধৰে। তাৰ ভিতৰত প্ৰাচীন অসমীয়া সংস্কৃতিৰ এক সম্যক ধাৰণা লাভ কৰিবলৈ ভাৰতীয় ইতিহাসত এনেকুৱা এছোৱা সোণালী কাল পাওঁ যি প্ৰতি অসমীয়াকেই গৌৰৱত উদ্ধুদ্ধ কৰি তোলে। প্ৰায় ১২/১৩ শ বছৰ আগেয়ে লিপিবদ্ধ ভাৰতীয় ইতিহাস, বিদেশী পৰিব্ৰাজকৰ টোকা, তাম্ৰশাসন, সংস্কৃত কবি আদিৰ সমলে স্বদেশ -বিদেশত সোণ-সেৰীয়াকৈ জিলিকাই ৰখা বৰ্মন বংশৰ শেষ আৰু সৰ্বশ্ৰেষ্ঠ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বৰ কামৰূপতেই লুকাই আছে অসমীয়া সংস্কৃতিৰ সেই সুৰ্বণ ভাণ্ডাৰ।

ভাৰত বুৰঞ্জীমতে, ষষ্ঠ শতিকাৰ শেষ আৰু সপ্তম শতিকাৰ আগভাগত থানেশ্বৰত বৰ্ধন সকল, কনৌজত মৌখাৰিসকল, মালৱত দেৱগুপ্ত, গৌড়দেশত শশাংক আৰু কামৰূপত বৰ্মন বংশৰ ৰজাসকল বিখ্যাত আছিল। ১৯২৭ চনত নালন্দা বিহাৰৰ ভগ্নাৱশেষৰ ভিতৰত ভাস্কৰ বৰ্মাৰ পূৰ্বপুৰুষ গণপতি বৰ্মাৰ পৰা ভাস্কৰবৰ্মালৈকে বংশলতা থকা ছিলমোহৰ এটা পোৱা গৈছে।[১] এই ছিলমোহৰ অনুসৰি কামৰূপত বৰ্মণ বংশৰ ৰজাই সমৃদ্ধিশালী আৰু পৰাক্ৰমী স্বাধীন ৰাজবংশ আছিল আৰু তেওঁলোকক "মহাৰাজধিৰাজ শ্ৰী প্ৰাগজ্যোতিযেন্দ্ৰ" বোলা হৈছিল।

*বৰ্তমান অসমীয়া জীৱনৰ দীঘে-বানিয়ে আষ্ট্ৰিক-মঙ্গোলীয়-আৰ্য্য আৰু আলপাইন গোষ্ঠীৰ মিশ্ৰনেৰে আহোম যুগৰ পৰা অসমীয়া সংস্কৃতি গঢ় লৈছে। কিন্তু এই সংস্কৃতিও যে প্ৰাচীন কামৰূপ আৰু প্ৰাগজ্যোতিষ সংস্কৃতিৰ ওপৰতেই ভিত্তি কৰি ঠিয় হৈছে তাৰ যথেষ্ট প্ৰমাণ প্ৰাক আহোম যুগৰ অজস্ৰ ৰজা মহাৰজাৰ কীৰ্তি-কাহিনী, তাম্ৰশাসন, পুথি-পাজিৰ উল্লেখ, পৰিব্ৰাজকৰ টোকা আদিয়ে দাঙি ধৰে। তাৰ ভিতৰত প্ৰাচীন অসমীয়া সংস্কৃতিৰ এক সম্যক ধাৰণা লাভ কৰিবলৈ ভাৰতীয় ইতিহাসত এনেকুৱা এছোৱা সোণালী কাল পাওঁ যি প্ৰতি অসমীয়াকেই গৌৰৱত উদ্ধুদ্ধ কৰি তোলে। প্ৰায় ১২/১৩ শ বছৰ আগেয়ে লিপিবদ্ধ ভাৰতীয় ইতিহাস, বিদেশী পৰিব্ৰাজকৰ টোকা, তাম্ৰশাসন, সংস্কৃত কবি আদিৰ সমলে স্বদেশ -বিদেশত সোণ-সেৰীয়াকৈ জিলিকাই ৰখা বৰ্মন বংশৰ শেষ আৰু সৰ্বশ্ৰেষ্ঠ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বৰ কামৰূপতেই লুকাই আছে অসমীয়া সংস্কৃতিৰ সেই সুৰ্বণ ভাণ্ডাৰ।*

ভাস্কৰ বৰ্মাৰ নিধনপুৰ তাম্ৰশাসন মতে অন্ততঃ পশ্চিমে কুশী নদীলৈকে উত্তৰ-বঙ্গ আৰু কৰ্ণ-সুৰ্বণ ধৰি মধ্য বংগ তেওঁৰ ৰাজ্যভুক্ত আছিল আৰু অষ্টম শতিকাৰ শ্ৰীহৰ্ষবৰ্মাৰ দিনলৈকে এই গৌড়ৰাজ্য কামৰূপৰ ৰজাসকলৰ তলতীয়া আছিল। প্ৰাচীন বুৰঞ্জী আৰু তথ্য অনুসৰি বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা পুষ্য বৰ্মণ আৰু শেষ ৰজা ভাস্কৰ বৰ্মা। পুষ্য বৰ্মণ গুপ্তবংশৰ শ্ৰেষ্ঠ ৰজা সমুদ্ৰগুপ্তৰ

১) *Early History of Kamrupa - Kanak Lal Baruah.*

(৩৩০-৩৭৫ খৃঃ) সম-সাময়িক। ক্ৰম অনুসৰি বৰ্মণ বংশৰ তালিকা এনেধৰণৰ —

পুষ্য বৰ্মণ পুত্ৰ সমুদ্ৰ বৰ্মণ পুত্ৰ বল বৰ্মণ পুত্ৰ কল্যাণ বৰ্মণ পুত্ৰ গণপতি বৰ্মণ পুত্ৰ মহেন্দ্ৰ বৰ্মণ পুত্ৰ নাৰায়ন বৰ্মণ পুত্ৰ ভূতি বা মহাভূতি বৰ্মণ পুত্ৰ চন্দ্ৰমুখ বৰ্মণ পুত্ৰ স্থিত বৰ্মণ পুত্ৰ সুস্থিত বৰ্মণ (মৃগাংক) পুত্ৰ সুপ্ৰতিস্থিত বৰ্মণ ভ্ৰাতৃ ভাস্কৰ বৰ্মণ (কুমাৰ বা কুমাৰ ৰজা)।

সুস্থিত বৰ্মণৰ ডাঙৰ পুত্ৰ সুপ্ৰতিষ্ঠিত বৰ্মণ ৰজা হৈ এবছৰ মাত্ৰ ৰাজপাটত থাকিয়েই মৃত্যু বৰণ কৰে। তেওঁৰ পিছত ভায়েক ভাস্কৰ বৰ্মাই ৫৯৪ খৃঃত সিংহাসনত আৰোহণ কৰি ৬৫০ খৃষ্টাব্দলৈ সুদীৰ্ঘ সময় ৰাজত্ব কৰে।

উত্তৰ ভাৰতৰ বৰ্ধনসকল আৰু কামৰূপৰ বৰ্মণ সকলৰ ৰাজ্য নাশ কৰিবলৈ গৌড়দেশৰ শশাংকই পতা ফন্দি উফৰাই উমৈহতীয়া শত্ৰু শশাংকক ধ্বংস কৰিবলৈ কামৰূপ-ৰাজ ভাস্কৰ বৰ্মা আৰু বৰ্ধন ৰাজ হৰ্ষবধনৰ মাজত বন্ধুত্ব আৰু বুজাবুজি হোৱাৰ উল্লেখ বুৰঞ্জীত আছে। এই বন্ধুত্বৰ শুভাৰম্ভ কৰিছিল কামৰূপৰ উল্লেখযোগ্য কটকী হংসবেগে আৰু হৰ্ষৰ মন জয় কৰিবলৈ ভাস্কৰে হংসবেগৰ হাতত কামৰূপৰ পৰা বহুতো শ্ৰেষ্ঠ আৰু মূল্যবান সামগ্ৰী উপহাৰ হিচাপে পঠাইছিল। হৰ্ষবৰ্ধনৰ ৰাজকবি বিখ্যাত সংস্কৃত লিখক বাণভট্টৰ ৰচনাত এই উপহাৰ সামগ্ৰী বোৰৰ সৰস আৰু দীঘলীয়া বৰ্ণনা তথা হৰ্ষ আৰু ভাস্কৰৰ অকৃত্ৰিম বন্ধুত্বৰ প্ৰকাশ হৰ্ষচৰিত্ৰৰ এক উল্লেখযোগ্য অধ্যায়। আনহাতে বানভট্টৰ বিৱৰণতেই লুকাই আছে অসমীয়া সংস্কৃতিৰ এক স্মৰণীয় দিশ। বাণভট্টৰ ভাষাত, হৰ্ষৰ ৰাজসভাত ভাস্কৰ বৰ্মাৰ উপহাৰ সামগ্ৰীবোৰ কটকী হংসবেগে মেলি দেখুওৱাৰ পিচত ৰজাই প্ৰজা-পৰিষদ সমন্বিতে বিতৃৰ্তি হব লগা হৈছিল। সেইবোৰ আছিল সমসাময়িক কামৰূপৰ সংস্কৃতি আৰু ঐতিহ্য। উপহাৰ সামগ্ৰীৰ ভিতৰত শ্ৰেষ্ঠ আছিল জুয়ে পুৰিব নোৱৰা, বায়ুয়ে উৰুৱাব নোৱৰা, পানীয়ে তিয়াব নোৱৰা, ধূলিয়ে মলিন নকৰা আৰু পুৰণি হলেও জীৰ্ণ নোহোৱা অসংখ্য গুণ-বিশিষ্ট বৰুণ-ছত্ৰটি। হৰ্ষ-চৰিতত এই ছাতিটোৰ অজস্ৰ বৰ্ণনা অতুলনীয়। হংসবেগে হৰ্ষৰ ৰাজসভাত কোৱামতে এই ছাতিটো নৰকাসুৰে স্বৰ্গৰাজ্য জয় কৰি বৰুণৰ পৰা কাঢ়ি আনিছিল। বৰুণক এই ছাতিটো ব্ৰহ্মাই উপহাৰ দিছিল। কালক্ৰমত নৰক-ভগদত্তৰ বংশধৰ ভাস্কৰবৰ্মণ এই ছাতিটোৰ উত্তৰাধিকাৰী হয়। ছাতিটোৰ যথেষ্ট অসাধাৰণ গুণ আছিল আৰু এই গুণবোৰ ৰাজচক্ৰৱৰ্তী লক্ষণযুক্ত ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰকাশি উঠে। বাণভট্টই সেই সকলো গুণৰ বৰ্ণনা কৰাৰ পিছত এই শুভ্ৰ ছাতিটোক ত্ৰিভূবনৰ কপালৰ বগা ফোঁট, ইন্দ্ৰৰ ঐৰাৱত, চন্দ্ৰৰ হাঁহি আৰু বামনৰূপী ভগৱানৰ শুভ্ৰ পাদৰ লগত তুলনা কৰিছে। সেই জ্যোতিৰ্মান ছাতিটো যেন ভাৰতীয় সংস্কৃতিৰ সকলো মাংগলিক সম্পদৰ ভিতৰতেই সৰ্বোত্তম। এই ছত্ৰৰ উপৰিও ভগদত্ত আদি পূৰ্বপুৰুষসকলৰ দিনৰ পৰাই বংশানুক্ৰমে লাভ কৰা বহুমূলীয়া অলংকাৰ, চূড়ামণি, বক্ষহাৰ; সোণ-বৰণীয়া পাটৰ কাপোৰ; পানপাত্ৰ বা মধুপানৰ বাটি; জঘন-বস্ত্ৰ, পক্ষালৰ মোনাৰ ভিতৰত সুচিত্ৰিত চিত-কাপোৰ; বেতৰ আসন; অগৰু গছৰ ছালত লিখা সাঁচিপতীয়া পুথি, ভূৰ্জপত্ৰ আৰু তুলিকা; সেউজীয়া তামোলৰ থোক; অগৰু-চন্দ্ৰন, মৃগনাভি, ক'লা-বগা চোঁৱৰ আদিৰ লগতে লঙ,জাইফল, কলহত ভৰাই আমৰ ৰস, মৌ-ৰস, সুগন্ধিত মদিৰা আদি পঠোৱাৰ কথা উল্লেখ কৰিছে। বাণভট্টৰ লিখনিমতে বাঁহৰ চুঙাত ভৰাই নানাবিধ আয়ুৰ্বেদিক ঔষধ আৰু জলহস্তীৰ দাঁতৰ অলংকাৰো পঠোৱা হৈছিল।

হৰ্ষ-চৰিতত বাণভট্টই 'কাৰ্ডিবংগ' নামে ঠাইত উৎপন্ন হোৱা আৰু সোণ-ৰূপ-মণি-মুকুতাৰে কাৰুকাৰ্য্য খচিত ঢাল পঠোৱা বুলি বৰ্ণনা কৰিছে। হয়তো এইখন ঠাই অসমৰ এশিঙিয়া গড়ৰ বাবে বিখ্যাত কাজিৰঙাকেই বুজোৱা হৈছিল। অসমৰ যুদ্ধ আদিত গড়ৰ ছালেৰে প্ৰস্তুত কৰা ঢালৰ ব্যৱহাৰ প্ৰসিদ্ধ। আনহাতে, কেইপদমান জীৱিত-সামগ্ৰী – সোণৰ শিকলিৰে ডিঙিত বন্ধা এহাল-কিন্নৰ-কিন্নৰী, দুটা বন-মানুহ, দুটা জল-মানুহ, কস্তুৰী মৃগ, সোণখটোৱা বেতৰ সজাত মাতলোৱা ভাটো, মইনা আৰু শালিকা চৰাই; প্ৰৱাল ৰত্নৰ সঁজাত চাতক পক্ষী আদিৰ উল্লেখ আছে।

সপ্তম শতিকাৰ কামৰূপ ৰাজ ভাস্কৰবৰ্মা আৰু তেওঁৰ ৰাজ্যৰ বিৱৰণ দাঙি ধৰা দ্বিতীয় ব্যক্তিজন হৈছে চীনা পৰিব্ৰাজক হিউৱেন্‌ছাঙ। বুদ্ধদেৱৰ জন্মস্থান আৰু বৌদ্ধধৰ্মৰ পৱিত্ৰ তীৰ্থস্থান সমূহ দৰ্শন তথা বৌদ্ধধৰ্মৰ মূলগ্ৰন্থবোৰ অধ্যয়নৰ বাবে ৬৩০ খৃষ্টাব্দত তেওঁ ভাৰতবৰ্ষ পায়হি। হিউৱেন্‌চাঙে সুদীৰ্ঘ ১৫ বছৰ ধৰি ভাৰত আৰু সিংহলৰ প্ৰায় ৮২ খন ৰাজ্য পৰিভ্ৰমণ কৰে। মগধৰ নালন্দা বিশ্ববিদ্যালয়ৰ দেশী-বিদেশী ১০,০০০ (দহ হেজাৰ) ছাত্ৰৰ ভিতৰত তেখেতো এজন আছিল। তেওঁ প্ৰায় পাঁচ (৫) বছৰ নালন্দা বৌদ্ধমঠত থাকি প্ৰচুৰ জ্ঞানৰ লগতে সংস্কৃত ভাষাও ভালদৰে আয়ত্ব কৰি লৈছিল। চীনা তীৰ্থযাত্ৰীগৰাকীয়ে ভাৰত ভ্ৰমণৰ বিশদ বিৱৰণ চি-উ-কি নামৰ গ্ৰন্থত লিখি উলিয়ায়। ঐতিহাসিকসকলে এই বৃত্তান্তক সমসাময়িক ভাৰতবৰ্ষৰ দলিল স্বৰূপ বুলি উল্লেখ কৰিছে আৰু ইয়াতে কামৰূপ ৰাজ্যৰ বৰ্ণনা কৰা আছে।

হিউৱেন্‌চাঙৰ কামৰূপৰ টোকাৰ পৰা সমসাময়িক কামৰূপৰ ভৌগলিক-বিৱৰণ, জলবায়ু, সমাজ, ধৰ্ম, আদিৰ লগতে সপ্তম শতিকাৰ কামৰূপৰ অধিবাসীসকলৰ সামগ্ৰিক ছবি এটি ফুটি উঠে।





হিউৱেন্‌ছাঙে ৬৪৩ খৃঃৰ আৰম্ভণিতে কুমাৰ ৰাজ বা ভাস্কৰ বৰ্মণৰ আমন্ত্ৰণত কামৰূপলৈ আহে।এই সন্দৰ্ভত এটা সৰু ঘটনাৰ উল্লেখ পোৱা যায়। নালন্দা বিহাৰত থকা কামৰূপী ব্ৰাহ্মণ পণ্ডিত এগৰাকীয়ে ভাস্কৰবৰ্মাক হিউৱেনছাঙৰ প্ৰতি আকৰ্ষিত কৰাৰ পিচত ভাস্কৰে পৰিব্ৰাজক ধৰ্মগুৰু গৰাকীক নিমন্ত্ৰণ জনাই নালন্দা বিশ্ববিদ্যালয়ৰ আচাৰ্য্য শীলভদ্ৰলৈ দুবাৰ খবৰ পঠাইছিল। কিন্তু ইতিমধ্যে হৰ্ষবৰ্ধনৰ নিমন্ত্ৰণ গ্ৰহণ কৰি স্বদেশলৈ ঘূৰি যাবলৈ বিচৰা হিউৱেনছাঙ কামৰূপলৈ আহিব নোৱাৰে বুলি আচাৰ্য্যসে দূত প্ৰেৰণ কৰি ধৰ্মগুৰুজনাক বিচাৰিলে আৰু যদি ধৰ্মগুৰু আহিবলৈ কুণ্ঠাবোধ কৰে তেন্তে শশাংকেই বৌদ্ধ বিহাৰ, বোধিবৃক্ষ ধ্বংস কৰাৰ দৰে তেওঁৰ নালন্দা বিশ্ববিদ্যালয় ধ্বংসকৰাৰ ভাবুকি দিছিল। শেষত শীলভদ্ৰই হিউৱেনছাঙক কামৰূপলৈ অহাত উদ্বুদ্ধ কৰে।

হিউৱেনছাঙে ভাস্কৰ বৰ্মাৰ ৰাজসভাত প্ৰায় এমাহ কাল কটায়। পৰিব্ৰাজক গৰাকীৰ লিখনিত কামৰূপ (কিয়া-ম'-লু-প) ৰাজ্যৰ আয়তন প্ৰায় দুহেজাৰ মাইল (১০,০০০ লিঃ) আৰু ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ পৰিধি প্ৰায় ৬ মাইল (৩০লি) ৰ সমান আছিল। নদী বা বান্ধ থকা সৰোবৰৰ পৰা খালকাটি অনা পানীৰে চহৰবোৰ ঘেৰি ৰখা হৈছিল। আৱহাওৱা কোমল-নাতিশীতোষ্ণ আছিল। জনসাধৰণ সৰল-সহজ আৰু সৎ-প্ৰকৃতিৰ যদিও একুৰীয়া চৰিত্ৰৰ কথাও তেওঁ প্ৰকাশ কৰি গৈছে। কামৰূপী লোকৰ স্মৰণ শক্তিৰ প্ৰখৰতা আৰু প্ৰবল জ্ঞান-অনুসন্ধিৎসু স্বভাৱৰ কথা তেওঁৰ টোকাত পোৱা যায়। আনহাতে কান্যকুব্জ বা কনৌজৰ ভাষা যেনেকৈ বিশুদ্ধতাৰ বাবে খ্যাতি আছিল, তেনেদৰে কামৰূপৰ ভাষাও তেওঁ মধ্যভাৰতৰ ভাষাতকৈ কিছু পৃথক অনুমান কৰিছিল। তেওঁ কামৰূপী লোকক বৌদ্ধ ধৰ্মৰ প্ৰতি অনুৰাগী হোৱা দেখা নাছিল আৰু বৌদ্ধস্তুপ বা বিহাৰৰ সলনি শতাধিক দেৱমন্দিৰ তেওঁৰ চকুত পৰিছিল। জনসাধৰণে দেৱতাসকলক অকল পূজাই নকৰে সিবিলাকৰ উদ্দেশ্যে বলিও দিছিল।

হিউৱেনছাঙৰ দৃষ্টিত ৰাজ্যৰ ৰজা আছিল প্ৰাচীন বিষ্ণুদেৱ পন্থী, জাতিত ব্ৰাহ্মণ। তেওঁৰ নাম ভাস্কৰ বৰ্মণ, উপাধি কুমাৰ। এই বংশৰ ৰজাই উক্ত সময়লৈ প্ৰায় এহেজাৰ প্ৰজন্ম পাৰ কৰাৰ কথা তেওঁ উল্লেখ কৰিছে। ৰজা সাহসী, সৎ আৰু বিদ্যোৎসাহী আছিল। ৰজাৰ জ্ঞানানুৰাগী মনে প্ৰজাকো উদ্বুদ্ধ কৰিছিল। বিভিন্ন দেশৰ প্ৰতিভাবান আৰু জ্ঞানীলোক অধ্যয়ন নাইবা চাকৰিৰ বাবে তেওঁৰ ওচৰলৈ আহিছিল। ৰজা নিজে বৌদ্ধাবলম্বী নহলেও বৌদ্ধ ভিক্ষুসকলক তেওঁ শ্ৰদ্ধা কৰিছিল।

হিউৱেনছাঙৰ পৰা চীন ৰজাৰ পৰাক্ৰম আৰু বৃহৎ সাম্ৰাজ্য শুনি ভাস্কৰবৰ্মাই তালৈ যোৱাৰ গভীৰ বাসনা প্ৰকাশ কৰিছিল। হিউৱেনছাঙক কামৰূপৰ ৰাজপ্ৰাসাদত প্ৰত্যেকদিনে কামৰূপী কলা-সংস্কৃতিৰ নৃত্য, গীত, অনুষ্ঠানেৰে আপ্যায়িত কৰা হৈছিল। এই সময়তেই হিউৱেনছাঙক হৰ্ষবৰ্ধন বা শিলাদিত্যৰ ৰাজসভালৈ পঠোৱা-নপঠোৱালৈ হৰ্ষ আৰু ভাস্কৰৰ মাজত দূতৰ জৰিয়তে এখনি দ্বন্দ্বৰ সৃষ্টি হয়। কিন্তু শেষত কুৰিহেজাৰ কাড়ি সৈন্য, ত্ৰিশ হেজাৰ সু-সজ্জিত নাও-জাহাজ সহ বিষয়া-বৰ্গ সমন্বিতে ভাস্কৰে হিউৱেনছাঙক লৈ শিলাদিত্যৰ ৰাজ্যলৈ যাত্ৰা কৰে। হৰ্ষবৰ্ধনে এই কথা শুনি হিউৱেনছাঙ আৰু ভাস্কৰক ঢোল-ডগৰে গংগাৰ পাৰৰ পৰা আদৰি লৈ গ'ল। এই সময়তে হৰ্ষৰ ৰাজধানী কনৌজত ওঠৰ দিন ব্যাপী বৌদ্ধ-মহামেল অনুষ্ঠিত হয়। শিলাদিত্যৰ এই মহামেললৈ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ কুৰিজন ৰজা, হীনযান পন্থৰ তিনিহেজাৰ ভিক্ষু, তিনিহেজাৰ ব্ৰাহ্মণ আৰু জৈন পণ্ডিত আৰু নালন্দা বৌদ্ধ বিহাৰৰ পৰা এহেজাৰ ভিক্ষু আমন্ত্ৰিত হৈ অহা হিউৱেনছাঙে দেখিছিল। সুন্দৰকৈ সজ্জিত ডাঙৰ হাতী এটাৰ পিঠিত প্ৰায় ৩ ফুট ওখ বুদ্ধদেৱৰ সোণৰ প্ৰতিমূৰ্তি এটি তুলি শোভাযাত্ৰা আৰম্ভ কৰা হৈছিল। এই মূৰ্তিৰ বাওঁহাতে ইন্দ্ৰৰ দৰে সাজ-সজ্জা কৰি শীলাদিত্য ৰজাই এটি মূল্যবান ছাতি ধৰি গৈছিল। মূৰ্তিৰ সোঁহাতে ব্ৰহ্মাৰ দৰে সাজ পোছাক পৰিধান কৰি কুমাৰ ৰজাই এটি শ্বেত চামৰ হাতত লৈ গৈছিল। দুয়ো ৰজাৰ প্ৰত্যেকৰে দেহৰক্ষী হিচাপে পাচশ'কৈ বৰ্মসাজপিন্ধা যুদ্ধৰ হাতী শোভাযাত্ৰাত আছিল। বুদ্ধৰ মূৰ্তিৰ আগে পিছে আকৌ এশটি ডাঙৰ হাতীৰ পিঠিত গায়ক-বাদকৰ দল গৈছিল। হিউৱেনছাঙক শোভাযাত্ৰাৰ সন্মুখত এটা বিশেষভাৱে সু-সজ্জিত হাতীত আৰোহণ কৰিবলৈ দিয়া হৈছিল। তাৰপিছত বহা মূলসভাত হিউৱেনছাঙে সভাপতিৰ আসন গ্ৰহণ কৰিছিল।

কনৌজৰ বৌদ্ধ-মহামেল শেষ হোৱাৰ একৈশ দিন পিচত গংগা-যমুনা আৰু সৰস্বতীনদীৰ সঙ্গমস্থলীত অনুষ্ঠিত হোৱা প্ৰয়াগৰ উৎসৱলৈ[২] হৰ্ষই ভাস্কৰ আৰু ধৰ্মগুৰুক লৈ গৈছিল।শিলাদিত্যই গংগাৰ উত্তৰ পাৰে আৰু ভাস্কৰে যমুনাৰ দক্ষিণপাৰে পুষ্প উদ্যানৰ কাষত শিবিৰ পাতি আছিল। প্ৰয়াগৰ ৭৫ দিনীয়া ধৰ্মসভাৰ শেষত হিউৱেনছাঙ স্বদেশলৈ যাব ওলোৱাত ভাস্কৰ আৰু হৰ্ষ মৰ্মাহত হ'ল। হিউৱেনছাঙে কামৰূপত থাকি ধৰ্মপ্ৰচাৰ কৰিবলৈ বিচাৰিলে

২। হৰ্ষ বৰ্ধন ৰজা হোৱা দিনৰে পৰা প্ৰতি পাঁচবছৰৰ মূৰে মূৰে ৭৫ দিন ধৰি প্ৰয়াগত এই উৎসৱ পাতি পাঁচবছৰৰ সঞ্চিত ধনৰত্ন সমগ্ৰ ভাৰতৰ পৰা অহা ব্ৰাহ্মণ-শ্ৰমণক দান কৰিছিল। হিউৱেনছাঙ আৰু ভাস্কৰবৰ্মা উপস্থিত থকা প্ৰয়াগৰ উৎসৱ ষষ্ঠ পঞ্চম বাৰ্ষিক মহোৎসৱ আছিল। আজিকালি প্ৰতি বাৰবছৰৰ মূৰত এই পূণ্য দানভূমিতে "কুম্ভমেলা" অনুষ্ঠিত হয়।

ভাস্কৰে কামৰূপত এশ' বৌদ্ধ সংঘ নিৰ্মান কৰি দিবলৈ মন কৰিছিল। আনহাতে হিউৱেনছাঙে দক্ষিণ সাগৰীয় পথেৰে চীনলৈ গলে ভাস্কৰে তেওঁৰ সৈতে ৰাজকীয় ৰক্ষক পঠাই দিবলৈ বিচাৰিছিল। কিন্তু হিউৱেনছাঙ শেষত উত্তৰ পশ্চিম ভাৰতেৰে যোৱাত ভাস্কৰ, হৰ্ষ, দেৱভট্ট, আদিয়ে তেওঁক বহপথ আগবঢ়াই দিলে। যোৱাৰ পৰত হিউৱেনছাঙে বন্ধুত্বৰ চিন হিচাপে ভাস্কৰ বৰ্মাৰ অলেখ উপহাৰৰ ভিতৰত ব'দ-বৰষুণৰ পৰা ৰক্ষা পাবৰ বাবে বিশেষধৰণে তৈয়াৰী নোমৰ টুপী এটা মাত্ৰ গ্ৰহণ কৰিলে। হিউৱেনছাঙ ৬৪৩ খৃঃত চীন দেশলৈ উভতি যায়। ৬৪৮ খৃঃত হৰ্ষবৰ্ধনৰ মৃত্যু হয় আৰু তেওঁৰ মন্ত্ৰী অৰ্জুন কনৌজৰ অধিপতি হয়। এই সময়ত চীনৰ পৰা ওৱাং হিউৱেনচে নামে আন এজন পণ্ডিত ভাৰতবৰ্ষলৈ অহাত অৰ্জুনে তেওঁক অপমান কৰে। অৰ্জুনৰ এই ব্যৱহাৰৰ কথা শুনি ভাস্কৰ বৰ্মাই প্ৰতিশোধস্বৰূপে তিব্বত আৰু নেপাল ৰজাৰ লগ লাগি অৰ্জুনৰ ৰাজ্য কাঢ়ি লয়। গতিকে এই সময়ত ভাস্কৰৰ ৰাজ্যৰ সীমা পশ্চিমে কনৌজ আৰু দক্ষিণে সমুদ্ৰকূললৈ বিস্তৃত হয়। হৰ্ষৰ মৃত্যুৰ ৩ বছৰ পিছত ৬৫০খৃঃত কুমাৰ ভাস্কৰবৰ্মাৰ মৃত্যু হয়।

হিউৱেনছাঙৰ পৰিভ্ৰমণৰ সময়ছোৱাত কামৰূপত শৈৱ,শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ পয়োভৰ অধিক হলেও বৌদ্ধধৰ্মও গোপনে চলি আছিল। হৰ্ষচৰিতত ভাস্কৰক বৈষ্ণৱ বংশ বুলিছে আৰু ভাস্কৰ্মাই শিৱৰ বাহিৰে অইনক সেৱা নকৰিবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি উল্লেখ আছে। আন এঠাইত ভাস্কৰ বৰ্মাক "শশিশেখৰ পিনাকী ভক্তকৰবিভূষিত" বুলি কোৱা হৈছে। আগতে এই সময়ৰ পৰা প্ৰায় ১১ শ/১২ শ শতিকালৈ হৰ্জৰ বৰ্মা, বনমাল বৰ্মা, বলবৰ্মা আদি ৰজাসকল শিৱভক্ত আছিল। কিন্তু কালনুৰ "ৰাজতৰঙ্গিনী" মতে কাশ্মীৰৰ ৰজা মেঘবাহনে কামৰূপৰ ৰজাৰ বংশৰ ৰাজকন্যা অমৃতপ্ৰভাক বিয়া কৰাইছিল। অমৃতপ্ৰভাই স্তৌনপা নামৰ বৌদ্ধ ভিক্ষু কামৰূপৰ পৰা কাশ্মীৰলৈ নিয়াৰে লক্ষ্য কৰি ভাস্কৰবৰ্মাৰ উপৰিপুৰুষসকল এগৰাকী ৰজাৰ মাজত বৌদ্ধধৰ্ম প্ৰবল আছিল বুলি অনুমান কৰিব পাৰি। আনহাতে নলন্দাত পোৱা লিপিত ভাস্কৰবৰ্মাৰ প্ৰ-প্ৰপিতামহ মহাভূতিবৰ্মাক তেওঁৰ অমাত্য আৰ্যগণে "শ্ৰীপৰম দৈৱত পৰম ভাগৱত" বোলাটো চাই বৰ্মণ বংশ বৈষ্ণৱ আছিল বুলি কব পাৰি। ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনত তেওঁলোকৰ বংশ ব্ৰহ্মা বিষ্ণু আৰু ধৰিত্ৰীৰ পৰা উদ্ভৱ বুলি দেখুৱাইছে।

ভাস্কৰবৰ্মাৰ সময়ত কামৰূপৰ ৰাজসভাৰ ৰাষ্ট্ৰভাষা আছিল সংস্কৃত। অৱশ্যে হিউৱেনছাঙে কামৰূপৰ কথা-বতৰাত অসংস্কৃত কথ্যভাষাৰ ব্যৱহাৰ দেখিছিল। গতিকে সাময়িক কথাবোৰ প্ৰাদেশিক ভাষাত ব্যৱহৃত হলেও উল্লেখযোগ্য আৰু তাম্ৰশাসনৰ দৰে চিৰস্থায়ী কথাবোৰ সংস্কৃতত লিখা হৈছিল। আনহাতে, সৰ্বসাধাৰণৰ মাজতো নিশ্চয় সংস্কৃত ভাষা বহলভাৱে প্ৰচাৰিত আৰু জনপ্ৰিয় আছিল। ভাস্কৰৰ নিধনপুৰ তাম্ৰশাসনত কামৰূপী প্ৰাকৃতৰ – গদ্যৰ চানেকিৰ লগতে 'কালিয়া' আদি থলুৱা নামৰ পৰা ৬ষ্ঠ-৭ম শতিকাৰ পৰাই থলুৱা ভাষা গঢ় লবলৈ ধৰাটো চকুত পৰে। হিউৱেনছাঙে কামৰূপী পণ্ডিতসকলক কৰা উচ্চ প্ৰশংসাই কামৰূপৰ সাহিত্য সমসাময়িক ভাৰতীয় সাহিত্যৰ সতে সমমৰ্যদা সম্পন্নকেই সূচায়। লেখন সামগ্ৰী হিচাপে শিল, মাটি, ধাতু, গছৰ পাত আৰু বাকলিৰ ব্যৱহাৰ আছিল। নালন্দাত পোৱা ভাস্কৰ বৰ্মাৰ শীলমোহৰ কেইটাই পোৰামাটিৰ নিদৰ্শন দাঙি ধৰে। পৰিব্ৰাজক গৰাকীয়ে আনদেশৰ বিদ্যাৰ্থী শিক্ষালাভৰ বাবে কামৰূপলৈ অহা বুলি উল্লেখ কৰিছে। গতিকে ৭ম শতিকাৰ কামৰূপত মগধ-মিথিলাৰ পৰা অহা পণ্ডিত-ব্ৰাহ্মণেৰে এখন বিদ্বৎ মণ্ডলীৰ সমাজ গঢ়ি উঠাটো অনুমান কৰিব পাৰি। তাম্ৰশাসনত উল্লেখিত ব্যৱহাৰিক, লেখক, ৰাজকৰ্মচাৰী, শাসনৰ অক্ষৰ খোদাই কৰোঁতা আদি অব্ৰাহ্মণ হোৱালৈ চাই সকলো জাতিৰ লোকেই সুশিক্ষিত আছিল বুলি কব পাৰি। ভাস্কৰ বৰ্মাদেৱৰ দুবি তাম্ৰশাসন মতে শাসন প্ৰদাতৃ ৰজা, তেওঁৰ পূৰ্বপুৰুষ তথা শাসনেৰে প্ৰদত্ত ব্ৰহ্মোত্তৰ ভূমিৰ সম্প্ৰদান ব্ৰাহ্মণসকল ঋক, যজুঃ, সাম, অথৰ্ব এই চাৰিবেদ, ধৰ্মশাস্ত্ৰ, অৰ্থশাস্ত্ৰ,ষড়ঙ্গ অৰ্থাৎ শিক্ষা, ব্যাকৰণ, নিৰুক্ত, ছন্দঃ জ্যোতিষ শাস্ত্ৰ, সাংখ্য, মীমাংসা, ন্যায় আদি দৰ্শন শাস্ত্ৰ, অলঙ্কাৰ তথা সাহিত্য শাস্ত্ৰ আদি সকলো শাস্ত্ৰতে পাৰ্গত আছিল বুলি উল্লেখ কৰা আছে।[৩] নিধনপুৰ তাম্ৰলিপিত ভাস্কৰক আৰ্যধৰ্ম বিকাশত সহায় কৰোঁতা আৰু কূটনীতিত বৃহস্পতি বুলি কোৱা হৈছে। আনহাতে, নিধনপুৰ তাম্ৰশাসন তেওঁ কৰ্ণসুবৰ্ণৰ পৰা দিছিল আৰু ইয়াতে বহুতো নাগৰ ব্ৰাহ্মণৰ উপাধি পোৱা যায় - –ঘোষ, দত্ত, দাম, দেৱ, সোম, পালিত, পাল, কুণ্ড, দাস, নাগ, নন্দী ইত্যাদি। ভাগৱতাৰৰ মতে এই সকলো নাগৰ ব্ৰাহ্মণেই কায়স্থ আছিল।[৪]

বাণভট্টৰ বৰ্ণনাই সমসাময়িক কামৰূপী জন-জীৱনক সুন্দৰভাৱে প্ৰতিভাত কৰিছে। হৰ্ষলৈ পঠোৱা উপহাৰৰ কাঠৰ পেৰা, মাটিৰ বাচন-বৰ্তন, পানপাত্ৰ, বেতৰ সূঁৰা, ধৰাৰী, বাঁহৰ চুঙা বৰ্তমান সময়লৈ একেধৰণেই প্ৰচলিত আছে বুলি কব পাৰি। ভাস্কৰে হৰ্ষলৈ পঠোৱা সেউজীয়া তামোলৰ খোক বৰ্তমানো শুভকাৰ্যত ব্যৱহাৰ হয়। কপাহ, ৰেচম, পচম, চামৰা আৰু বনকৰা বস্ত্ৰই ৭ম শতিকাৰ আগৰে পৰাই অসমীয়া এৰী, মুগা, পাট আদিৰ উন্নতিকেই সূচায়। বিদায়ী হিউৱেনছাঙে ভাস্কৰৰ পৰা গ্ৰহণ কৰা টুপীটো কামৰূপী কুটীৰ শিল্পৰ জ্বলন্ত আৰু উচ্চ নিৰ্দশন। হিউৱেনছাঙে কামৰূপৰ ৰাজপ্ৰসাদত মনোমোহা কেতবোৰ চিত্ৰ দেখা বুলি উল্লেখ কৰিছে। তদুপৰি হৰ্ষ চৰিতত বৰ্ণিত সুগন্ধি দ্ৰব্য আৰু প্ৰসাধন সামগ্ৰীয়ে প্ৰাচীন কামৰূপৰ অতুলনীয় শিল্প সৌন্দৰ্য চৰ্চা বিষয়টোক দাঙি ধৰে। ভাস্কৰে হৰ্ষলৈ পঠোৱা পশু-পক্ষীৰ বিৱৰণেই অসমৰ চহকী বন সম্পদক আঙুলিয়ায়। ভাস্কৰৰ ৰাজত্ব কালৰ আগৰে পৰাই হাতীৰ পয়োভৰ অনস্বীকাৰ্য। বৰ্মন বংশৰ ৰাজকীয় মোহৰতো হাতীৰ চিহ্নই মুখ্য আছিল। ভাস্কৰ বৰ্মা হৰ্ষৰ ৰাজ্যলৈ যি সামৰিক প্ৰস্তুতিৰে গৈছিল সেয়াই এখন ৰাজ্যৰ শক্তিশালী প্ৰতিৰক্ষা বিভাগৰেই উদাহৰণ। যুদ্ধৰ নাও-জাহাজৰ সুকৌশলী সজ্জাই সুদক্ষ মিস্ত্ৰি-কাৰিকৰৰ কথাই মনলৈ আনে।

ভাস্কৰবৰ্মাই হিউৱেনছাঙক নিতৌ সন্ধ্যা নৃত্য গীতেৰে আপ্যায়িত কৰা ঘটনাই প্ৰাচীন কামৰূপী নৃত্য,গীত; বাদ্যৰ পয়োভৰতাক ইংগিত কৰে। নিধনপুৰ তাম্ৰশাসনত "আজ্ঞাশতং প্ৰাপয়িত্বা প্ৰাপ্ত পঞ্চ মহাশব্দং শ্ৰী গোপালঃ " বাক্যৰে তেওঁৰ ৰাজবিষয়া শ্ৰী গোপালে 'পঞ্চ মহাশব্দ' লাভ কৰিছিল নে 'পঞ্চ মহাশব্দ' কৰি ভূমিদান উৎসৱৰ শুভকাৰ্য সম্পন্ন কৰিছিল তাক বুজিব নোৱাৰি। কিন্তু পুৰণি বুৰঞ্জীত 'পঞ্চশব্দ' বা 'পঞ্চমহাশব্দ' বুলিলে শঙ্খ, মৃদঙ্গ, পাখোৱাজ, দুন্দুভি (বৰ নাগাৰা) আৰু ঢোল - এই পাঁচোটা বাদ্যযন্ত্ৰৰ শব্দক বুজায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ 'অসম আৰু ভাৰত' প্ৰবন্ধত লিখা মতে, হিউৱেনছাঙৰ সমুখত ভাস্কৰবৰ্মাই এটা চীনদেশীয় গীতৰ কথা বৰ্ণনা কৰিছিল,য'ত চীনৰ মহান সম্ৰাট টাঙৰ কীৰ্তি কাহিনী আৰু তেওঁ অসমলৈ অহাৰ কথা আছিল।

ভাস্কৰ বৰ্মাৰ সময়ৰ শৈৱধৰ্মৰ বিস্তৃতিলৈ লক্ষ্য কৰিলে তাৰ আনুষঙ্গিক ভাৱে দেৱদাসী নৃত্যৰ প্ৰাদুৰ্ভাৱো নিশ্চয় আছিল। বহু পণ্ডিতে ভাস্কৰবৰ্মাৰ মৃত্যুত দেৱদাসী এগৰাকীয়ে চিতাত জাপ দি মৃত্যু বৰণ কৰে বুলি কব খোজে। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে বুৰঞ্জীবিদ কনকলাল বৰুৱাক দিয়া তথ্যমতে অষ্টমশতিকাৰ কাশ্মীৰী লেখক দামোদৰ গুপ্তই তেওঁৰ "কূট্টনীমতম" নামৰ পুথিত লিখি গৈছে –

"ভাস্কৰ বৰ্মণি যাতে সুৰৱসতিং ৰাৰিতাপি ভূপতিনা। তদ্দুঃখম্ সহমানা প্ৰৱিবেশ বিলাসিনী দহনম্ ॥" – ভাস্কৰ বৰ্মাৰ এজনী লিগিৰীয়ে তেওঁৰ মৃত্যুত শোক-সম্বৰণ কৰিব নোৱাৰি সহমৰণ অৱলম্বন কৰে। লিগিৰীজনীয়ে এনে কৰিব পাৰে বুলি সন্দেহ কৰি ভাস্কৰ বৰ্মাই জীয়াই থাকোতেই লিগিৰীজনীক হাক দিছিল। কিন্তু সেই হাক নুশুনিও তাই চিতাত জঁাপ দি পুৰি মৰিল। হয়তো ভাস্কৰ বৰ্মাই নিজৰ প্ৰেমত অচল-অটল থাকিলেও সেই সময়ৰ কট্টৰীয়া সমাজ বান্ধোন অতিক্ৰম কৰিব নোৱাৰি চিৰকুমাৰ ব্ৰত অৱলম্বন কৰিছিল। হৰ্ষ-চৰিতত ভাস্কৰ বৰ্মাক 'ভীস্ম ইব কুমাৰ' বুলি লিখিছে। হিউৱেনছাঙেও তেওঁক 'কুমাৰ ৰাজ' বা ' কুমাৰ' বুলিয়েই উল্লেখ কৰিছে।

নিধনপুৰ তাম্ৰশাসনত ভাস্কৰবৰ্মাৰ মাতৃ শ্যামাদেৱী বা শ্যামালক্ষীৰ গুণ-গৰিমা আৰু সৌন্দৰ্য্য বৰ্ণনাৰ লগতে নয়না দেৱী, ভোগৱতী,দেৱৱতী, যজ্ঞৱতী, গন্ধৰ্বৱতী, ৰত্নাৱতী, দত্তদেৱী আদি পিতামহী-প্ৰপিতামহী আদিক মহিয়সী নাৰী হিচাপে বৰ্ণনা কৰা হৈছে। যদিও ৰাণী-মহাৰাণীয়ে সেই সময়ৰ সাধাৰণ নাৰীসকলক প্ৰতিনিধিত্ব কৰিব নোৱাৰে তথাপি শ্ৰেষ্ঠা নাৰীৰ গুণানুকীৰ্ত্তন সেই সময়তো যে আছিল তাক অনুমান কৰিব পাৰি।

মুঠতে হৰ্ষৰ ৰাজসভাত প্ৰশংসিত হোৱা ভাস্কৰৰ উপহাৰ সামগ্ৰী, হিউৱেনছাঙৰ বৰ্ণনা, বাণভট্টৰ সৰস ৰচনা, তাম্ৰশাসন, ৰাজ্যৰ ৰজা ভাস্কৰৰ সাহস আৰু গুণগ্ৰাহীতা আদিৰ জৰিয়তে ষষ্ঠ আৰু সপ্তম শতিকাৰ কামৰূপৰ সভ্যতা সংস্কৃতি, শিল্প-উদ্যোগ, শিল্প-ভাস্কৰ, কাৰিকৰ, শিপিনী-বোৱনী, লেখক-পণ্ডিতৰ অগ্ৰগতিৰ প্ৰকাশ প্ৰাচীন কামৰূপৰ এক উল্লেখযোগ্য সম্পদ। তদুপৰি মেটমৰা প্ৰাকৃতিক উপহাৰৰ জৰিয়তে সেইসময়ৰ অসম প্ৰকৃতিৰ ৰম্যকানন যে আছিল তাৰ উমান পোৱা যায়। ভাস্কৰ বৰ্মা আৰু হৰ্ষৰ মহান বন্ধুত্বৰ আদান-প্ৰদানে উত্তৰ ভাৰতৰ লগত কামৰূপৰ যাতায়ত, যোগাযোগ, সংস্কৃত ভাষাৰ চৰ্চা, সামাজিক চিন্তাধাৰা আদিৰ সংযোগ আৰু বিনিময় দাঙি ধৰাৰ উপৰিও ভাস্কৰ, হৰ্ষ আৰু হিউৱেনছাঙ এই তিনি বন্ধুৰ মহামিলন কামৰূপৰ বুৰঞ্জীৰ এক বিৰল ঘটনা। প্ৰায় ১২-১৩ শ বছৰ অতীতৰ কামৰূপ ৰাজ্যৰ পৰিসৰ, ৰজাৰ কৃতিত্ব, সমাজৰ প্ৰগতি, সামাজিক আচৰণ, শিল্প-সংস্কৃতিৰ মাৰ্জিত আৰু উন্নত মানদণ্ড, আজি অসমীয়া জাতি আৰু দেশৰ বাবে চিৰযুগমীয়া ঐশ্বৰ্য। এই ঐশ্বৰ্যই মাথো এটি শতিকাকেই নহয় গোটেই অসমীয়া জাতিটোৰ জীৱনকাল আৰু জীৱনীশক্তিক সমৃদ্ধিশালী কৰি আছে আৰু থাকিবও।

**কৃতজ্ঞতা স্বীকাৰঃ—**

(ক) Ancient Inscription of Assam -- Dr. Mukunda Madhaba Sarmah.
(খ) অসমীয়া সংস্কৃতি- সম্পাদনা হৰিপ্ৰসাদ নেওগ। লীলা গগৈ
(গ) সাহিত্যৰ মধু-কোষ — ড° নমিতা ডেকা।
(ঘ) ভাস্কৰ বৰ্মা — কনক ডেকা।

৩। "[illegible]"
৪। [illegible] Journal of the Assam Research Society Vol. XII No. I & II.

## এটি গোৱালপৰীয়া উৎসব ঃ

# কাতি বা কাৰ্ত্তিক দেৱতাৰ পূজা

মিচ অঞ্জলী ৰায়
স্নাতক দ্বিতীয় বৰ্ষ


কোনো এক জনগোষ্ঠীৰ সামগ্ৰীক জীৱন ধাৰাই হৈছে সংস্কৃতি। ভাষা, ধৰ্ম্ম, জ্ঞান, বিশ্বাস, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ সামাজিক চিন্তাধাৰা আৰু মূল্যবোধ, শিল্পকলা, সা-সঁজুলি ইত্যাদি বিবিধ উপাদানেৰে এটা পূৰ্ণ সংস্কৃতি গঢ়লৈ উঠে। অসমৰ প্ৰতিটো জনগোষ্ঠীৰ নিজাববীয়াকৈ সংস্কৃতি আছে আৰু সকলোৰে ভাষা ৰীতিনীতি উৎসৱ পাৰ্বন আদি বেলেগ বেলেগ। অসমীয়া জাতিৰ উল্লেখযোগ্য অংগ গোৱালপৰীয়া জনগোষ্ঠীৰো নিজা কৃষি সংস্কৃতি আছে আৰু এই সংস্কৃতিত আন গোষ্ঠীৰ তুলনাত বহুত পাৰ্থক্য দেখিবলৈ পোৱা যায়।

গোৱালপৰীয়া বিভিন্ন উৎসৱৰ ভিতৰত গ্ৰাম্যাঞ্চলত জনপ্ৰিয় কাতিঠাকুৰৰ পূজা অৰ্থাৎ কাৰ্তিক দেৱতাৰ পূজা কৃষি প্ৰধান স্ত্ৰীসমাজৰ এটি আকৰ্ষণীয় পূজা বা অনুষ্ঠান। এই পূজা বৰ্তমানেও ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ, আগমনি আদি ঠাইত বহলভাৱে প্ৰচলিত হোৱা দেখা যায়। কথিত আছে যে কাতি দেৱতা শিব চণ্ডীৰ পুত্ৰ যদিও তেঁও শাস্ত্ৰোক্ত দেৱ সেনাপতি নহয়। তেওঁ প্ৰকৃততে পুত্ৰদাতা আৰু শস্যদাতা লোক দেৱতাহে। সাধাৰণতে পুত্ৰ সন্তান বাঞ্ছা আৰু পথাৰত শস্য বৃদ্ধিৰ কামনা কৰি লৌকিক আচাৰ অনুষ্ঠানেৰে স্ত্ৰীসকলৰ দ্বাৰা কাৰ্তিক দেৱতাৰ পূজা অনুষ্ঠিত হয়।

"কাতি ঠাকুৰেৰ বৰে
পুত্ৰ পাইচং কোলে।
কাতি ঠাকুৰেৰ বৰে
শষ্য আসিবে ঘৰে।

উক্ত গীত ফাঁকিতে কাতি পূজাৰ মূল তত্ত্ব নিহিত হৈ আছে। ইয়াৰ অৰ্থ হ'ল – "কাৰ্তিক দেৱতাৰ বৰত সন্তানহীনা মাতৃয়ে সন্তান লাভ কৰে লগতে খেতি পথাৰ শষ্যৰে নদন বদন হয়।

কাৰ্তিক দেৱতাৰ পূজা কাতিমাহৰ সংক্ৰান্তিৰ দিনাখন গাঁৱৰ স্ত্ৰীসকলে লগ লাগি গোটেই নিশা এই পূজা উদ্‌যাপন কৰে। কাতি পূজা মাত্ৰ এৰাতিৰ কাৰণে পালন কৰা হয়। এই পূজাত সাধাৰণতে পুৰোহিত আৰু ঢাকুৱাৰ (ঢাক বজোৱা ব্যক্তি) বাহিৰে অন্য তৃতীয় পুৰুষৰ যোগদান নিষিদ্ধ। পুৰোহিতে পূজা কৰা সময়তহে ঢাকুৱাৰে ঢাক বজায়। পুৰোহিতে পূজা শেষ কৰাৰ অন্তত ঢাকুৱাৰৰ সৈতে পূজাস্থলীৰ পৰা প্ৰস্থান কৰে। অৱশ্যে পুৰোহিত আৰু ঢাকুৱাৰৰ নিযুক্তিও অপৰিহাৰ্য্য নহয়। কাতি পূজা কেতিয়াবা স্ত্ৰীসমাজত ৰাজহুৱা ভাৱেও পালন কৰা দেখা যায় আৰু কেতিয়াবা "মাৰেয়া" অৰ্থাৎ কোনোবা এজনীৰ তত্বাৱধানত এই পূজা পতা হয়। বিশেষকৈ যি গৰাকী নাৰীৰ মনোকামনা পূৰ্ণ হয় সেইগৰাকীয়ে ব্যক্তিগত ভাৱে এই পূজা অনুষ্ঠিত কৰে আৰু আন আন নাৰীসকলেও তাত যোগদান কৰে।



উৎসৱৰ দিনাখন নিশা স্ত্ৰী সকলে ঘৰৰ পৰিয়াল বৰ্গক খুৱাই-বোৱাই সকলোকে শোৱা পাটিলৈ পঠিয়াই পূজাস্থলীলৈ গমন কৰে। সন্তানহীন তিৰোতাই সন্তানৰ কামনাৰে আৰু অন্যান্য সকলে শস্যৰে যাতে পথাৰ ভৰপূৰ হৈ পৰে এই কামনাৰে কাতি দেৱতাৰ পৰা সেৱা কৰি বৰ লয়। যি সকলে নিজৰ মনোবাঞ্চাপূৰ্ণ কৰিবৰ অৰ্থে এই পূজা অৰ্চনা কৰে তেওঁলোকে দিনটো উপবাসে থাকি ৰাতি নানা ধৰণৰ উপকৰণেৰে সৈতে নৈবেদ্য সজাৰ আগবঢ়াই কাৰ্তিক দেৱতাৰ ওচৰত আঠু লয়। উপস্থিত থকা অইন তিৰোতা সকলে "কাৰ্তিক দেৱতাই আমুকীৰ মনোবাঞ্চা পূৰ্ণ কৰিলে অহাবাৰলৈ কাতি দেৱতাৰ নামত পূজা এভাগ আগবঢ়াব" – বুলি কৈ বৰ মাগাৰ কাম সম্পন্ন কৰি কৰি উৰুলী দিয়ে। ওৰেনিশা ধৰি চলা এই পূজাত গীতৰ লগতে নৃত্য আৰু অৰ্দ্ধনাটকীয় অভিনয় পৰিবেশিত হয়। আনহাতে পূজা সমাপন কৰি প্ৰসাদ আদি গ্ৰহণ কৰোঁতে ৰাতি পুৱাই যায়।

কাৰ্তিক দেৱতাৰ পূজাৰ বৈদিক বিধান নাই। তদুপৰি এই পূজা গৃহস্থৰ গৃহত বা সামাজিক ভাৱে কৰা কোনো অনুষ্ঠানো নহয়। এই পূজাত কাৰ্তিকদেৱতাৰ মূৰ্তি আগতলৈ স্ত্ৰীসকলৰ দ্বাৰা নানা ধৰণৰ স্তুতি, বন্দনা, গীত, আদি ৰসাত্মক ভাবাপন্ন গীত আদি গোৱা হয়। এই গীতবোৰ মন্ত্ৰ আদিৰ সৈতে যেয়ে সেয়ে গাব পৰা ধৰণৰ নহয়। এই পূজা সাধাৰণতে কৃষিজীৱি সমাজৰ তিৰোতাই অনুষ্ঠিত কৰে। তদুপৰি প্ৰতিবছৰে এই পূজা নিয়মীয়াকৈ পতাৰো বিধান নাই। বিশেষকৈ নাৰীয়ে নিজ মনোবাঞ্চা পূৰ্ণ কৰিবৰ অৰ্থেহে এই পূজা উদ্‌যাপন কৰে।

কাৰ্তিক পূজা উপলক্ষে গোৱা গীতবোৰ হৈছে আখ্যানমূলক। এই আখ্যানমূলক গীতত কাৰ্তিক দেৱতাৰ জন্ম বৃত্তান্ত শুনিবলৈ পোৱা যায়। শিৱই চণ্ডীক বিয়া কৰোৱাৰ অৰ্থে ভাগিন নাৰদক কন্যা খুজি চণ্ডীৰ পিতৃৰ ওচৰলৈ পঠিয়ায়। শেষত চণ্ডীৰ পিতৃয়ে চণ্ডীগোঁসানীক শিৱলৈ বিয়া দিবলৈ সন্মতি প্ৰদান কৰে আৰু অতি শীঘ্ৰে শিৱৰ লগত নিজকন্যা চণ্ডী গোঁসানীক বিয়া দিয়ে।

"শুভ খেন বুঢ়া শিৱ বিয়াতে বসিল
সুলগন দেখিয়া বাবা কন্যা দান দিলোঁ।" অৰ্থাৎত শুভ সময় চাই বৃদ্ধ শিৱই বিয়াত বহিল আৰু কন্যাৰ পিতৃয়েও শুভলগ্ন চাই কন্যা দান কৰিলে। এইদৰে শিৱ চণ্ডীৰ বিবাহ কাৰ্য্য সম্পন্ন হয় আৰু চণ্ডীগোঁসানীৰ গৰ্ভত কাতি অৰ্থাৎ কাৰ্তিক দেৱতাৰ জন্ম হয়। কাৰ্তিক দেৱতাৰ জন্ম হোৱাৰ লগে লগে শিৱৰ পুত্ৰৰ গুণগান সকলোৱে গাব ধৰিলে —

"কাতিৰে তোৰ মামা বানাইলে কোন জন
আনুজনমেৰে চিৰিফল বিলাচিৰে
মাথা বানাইলে বাসুদেৱে
জন্ম দিলো শংকৰ বাপে"। অৰ্থাৎ কাতি দেৱতাৰ মাথা বা মূৰ কোনে গঢ়িলে বুলিলে "বাসুদেৱে মূৰ গঢ়া" আৰু শঙ্কৰ অৰ্থাৎ শিৱই জন্মদিয়া কথাষাৰ ওলাই পৰে। এইদৰে মূৰৰ পৰা মুখ, চকু, নাক আদিৰ বৰ্ণনাও পোৱা যায়। কাৰ্তিক দেৱতাৰ নাকক "বাঁশি" অৰ্থাৎ বাঁহীৰ লগত কানক পলাশফুলৰ লগত "নগুল" বা আঙুলিক "মকচ" অৰ্থাৎ জলকীয়া আদিৰ লগত তুলনা কৰা হয়।

কাৰ্তিক দেৱতাৰ পূজাত গোৱা গীতবোৰ আদিৰসাত্মক গীতৰ চানেকি।

"কাতিৰে তোৰ এওমাসে না হৈলেক বিয়া এইবাৰ উঠিবে ডেঙ্গৰা অমুকাক দিয়া"।

অৰ্থাৎ কাতিদেৱতাৰ বিয়া হওঁ হওঁ বুলিও নহয় হে নহয়। সেয়েহে এই মাহত যেনেকৈ হওক বিয়া পাতি দিয়া হব।" এইদৰে স্ত্ৰী সকলে কাৰ্তিক দেৱতাৰ চাৰিওফালে ঘূৰি ঘূৰি এনেধৰণৰ গীত বোৰ গায় আৰু নাটকীয় ভংগীমাৰে নৃত্য গীত কৰে।

অঞ্চলভেদে কাতি পূজাৰ গীত মাতৰ ৰূপভেদ দেখিবলৈ পোৱা যায়। অভয়াপুৰী অঞ্চলত প্ৰচলিত কাতি পূজা অইন অঞ্চলত প্ৰচলিত কাতিপূজাৰ আচাৰ অনুষ্ঠান আৰু গীততকৈ বেলেগ। এই অঞ্চলত অকল পুত্ৰ কামনা কৰা বিবাহিতা স্ত্ৰীয়েই নহয় উপযুক্ত স্বামী কামনা কৰা কুমাৰী ছোৱালীয়েও কাৰ্তিক পূজাৰ ব্ৰত পালন কৰে। তেনে বিশেষ আচাৰ আৰু বিশ্বাস এই অঞ্চলৰ গীতত পোৱা যায়। কাৰ্তিক দেৱতাক অৱমাননা কৰি পংগু হোৱা আৰু পিছত এই ব্ৰতৰ মাহাত্ম্যত সুস্থ হৈ উঠা এজন ৰজাৰ (কুবেয়া ৰাজা) প্ৰসঙ্গও ইয়াৰ কিছুমান গীতৰ আখ্যানত আছে। পৃথিবীৰ বহুতো কৃষিজীৱি সমাজত বিশ্বাস আৰু আচাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ নিদৰ্শন আছে। স্বৰূপতে কাতিপূজা কৃষিভিত্তিক সমাজৰ আশা-আকাংখ্যাৰ বাস্তৱ প্ৰতিফলন।

ড° বীৰেন দত্তই এনে নৃত্যগীতত কৃষি কৰ্মবিষয়ক প্ৰতীকৰ আভাস আৰু যৌন ভাবনাৰ প্ৰাধান্য থকা বুলি মত পোষণ কৰিছে। গীতত থকা শিৱ-চণ্ডীৰ বিয়া, চণ্ডীৰ গৰ্ভধাৰণ আদিৰ বিৱৰণত লৌকিকতা বিদ্যমান।

যি সংস্কৃতি-ৰূপী জননীৰ বুকুৰ আকুল মৰমৰ উম লৈ জীৱন গঢ়ি উঠিছে, সেই সংস্কৃতি কেতিয়াও অশ্লীল হ'ব নোৱাৰে। তেজ আৰু মাটিৰ গোন্ধ লাগি থকা বিষয়টো পৰৰ দৃষ্টিত কটু হ'লেও সদায় আপোন আৰু শ্ৰেষ্ঠ। সেয়েহে কথাতে কয় – " নিজৰ ছওয়া কানা হলেও পদ্মলোচন" অৰ্থাৎ নিজৰ সন্তান কনা হ'লেও পিতৃ মাতৃৰ মনত পদ্মলোচন তুল্য। "গোৱাল পাৰাৰ মাটি-পানীতেই সুবাস বিয়পাই থকা কাতি বা কাৰ্তিক দেৱতাৰ পূজা অসমৰ সংস্কৃতি কাননৰ এপাহি বনৰীয়া পুষ্প। ইয়াক বুটলি আনি সাৰ পানী যোগাই নকৈ ফুলাব পাৰিলে নিশ্চয় অসমৰ সংস্কৃতিৰ বাৰে বনৰীয়া ৰূপটোৰ জেউতি চৰিব।

* * *

# অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা ভট্টদেৱ

শ্ৰীঅঙ্কুৰ বৈশ্য
স্নাতক, তৃতীয়বৰ্ষ

বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য, কবিৰত্ন নামেৰে খ্যাত। ভট্টদেৱৰ হাততেই অসমীয়া গদ্য সাহিত্যৰ জন্ম হয়। ভট্টদেৱৰ কথা প্ৰতিভা আৰু অসমীয়া সাহিত্যলৈ তেখেতৰ বৰঙণি সম্পৰ্কে পোন প্ৰথমে শিক্ষিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে। পণ্ডিতপ্ৰৱৰ গোস্বামীদেৱে "কথাগীতা"প্ৰকাশ কৰি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰৰায় আদি ভাৰত বৰেণ্য মনীষিসকলক দেখুৱায়। ভট্টদেৱৰ "কথাগীতা" পঢ়ি তেখেতসকল অতিশয় মুগ্ধ হয়। আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়ে ভট্টদেৱৰ "কথা গীতা" সম্পৰ্কে কয় — Indeed the prose Gita of Bhattadeva composed in the sixteenth century is unique of its kind........ It is a priceless treasure.Assamese prose literature developed to a stage in the far distant sixteenth century, which no other literature of the world reached except the writings of Hooker and Latimar in England "কথাগীতা" পঢ়ি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে গোস্বামীদেৱক কৈছিল — You may very well be proud of the author of this book who could handle prose in such a remarkably lucid style more than a century before we had any prose book in Bengal.

ভট্টদেৱৰ হাততেই অসমীয়া গদ্য সাহিত্যৰ জন্ম হয়। ভট্টদেৱৰ কথা প্ৰতিভা আৰু অসমীয়া সাহিত্যলৈ তেখেতৰ বৰঙণি সম্পৰ্কে পোন প্ৰথমে শিক্ষিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে। পণ্ডিতপ্ৰৱৰ গোস্বামীদেৱে ''কথাগীতা''প্ৰকাশ কৰি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায় আদি ভাৰত বৰেণ্য মনীষিসকলক দেখুৱায়।

যি সময়ত বংগত গদ্য সাহিত্যৰ পুথি নাছিল সেই সময়তকৈও আগতেই ভট্টদেৱে অসমীয়া সাহিত্যত গদ্য ৰচনা কৰিছিল।

ভট্টদেৱৰ শিক্ষা আৰম্ভ হৈছিল বৰপেটীয়া পণ্ডিত গোপালদেৱ আচাৰ্য্যৰ টোলত। অৱশ্যে গোপালদেৱ আচাৰ্য্যৰ টোলত শিক্ষা গ্ৰহণ কৰাৰ আগতে ভট্টদেৱে দেউতাক কবি সৰস্বতীৰ যোগেদি বিষয়বোৰৰ প্ৰাথমিক জ্ঞান লাভ কৰিছিল।

ভট্টদেৱে 'কথা-ভাগৱত' 'কথা গীতা' আৰু 'কথা ভক্তি ৰত্নাৱলী' – এই তিনিখন গ্ৰন্থ কথা ৰূপত ৰচনা কৰাৰ উপৰিও আৰু কেইখনমান গ্ৰন্থ তেওঁ ৰচনা কৰি গৈছে। তেওঁৰ ৰচিত আন গ্ৰন্থবোৰ হ'ল – 'ভক্তি সাৰ', 'সাত্বত তন্ত্ৰ', 'বিষ্ণু সহস্ৰ নাম', 'ভাগৱত অধিকৰণ', 'প্ৰসঙ্গমালা', 'শৰণ মালিকা', 'গুৰু বংশাৱলী', 'দামোদৰ ৰাখ্যান', 'নন্দোৎসৱ', 'সন্ত নিৰ্ণয়', 'বৰগীত', আৰু তেওঁৰ শেষ ৰচনা হ'ল 'ভক্তি বিবেক'।

ইয়াৰে কেইখনমান গ্ৰন্থ এতিয়াও প্ৰকাশিত হৈ উঠা নাই।

"কথা ভাগৱত"ৰ বাক্যবোৰ চুটি চুটি আৰু প্ৰাঞ্জল, ঠায়ে ঠায়ে গদ্যধৰ্মীতা পৰিত্যাগ কৰি পদ্যধৰ্মী হৈ পৰিছে। গদ্যৰ শব্দ বিন্যাস ৰীতি ইয়াত অনুসৰণ কৰা নাই। ঠায়ে ঠায়ে বাক্যবোৰ একাদিক্ৰমে অন্ত্যানুপ্ৰাসৰ দ্বাৰা পদ্যানুগন্ধী হৈছে। কিন্তু ৰচনাশৈলীৰ এনে লক্ষণ 'কথা ভাগৱত'ত যিমান পৰিস্ফুট 'কথা গীত'ত নহয়। মূল ভাগৱতৰ বৰ্ণনা অনেক ঠাইত কাব্য-প্ৰধান আৰু আৱেগশীল। উদাহৰণ স্বৰূপে – " ৰাসক্ৰীড়া "গোপী উদ্ধৱ সংবাদ", " বৰ্ষা বৰ্ণনা" "শৰৎ বৰ্ণনা" আদি অংশ কাব্যসৌন্দৰ্যৰে পৰিপূৰ্ণ। গতিকে এনেবোৰ বিষয় ভট্টদেৱে গদ্যত লিখিলেও অজানিতভাৱেই কাব্যশৈলীলৈ পিচলি পৰিছিল। কিন্তু গীতা তত্ব প্ৰধান গ্ৰন্থ, আৱেগ অনুভূতিৰ প্ৰকাশ ইয়াত নাই, সকলো যুক্তি তত্বৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে ভট্টদেৱৰ ৰচনাশৈলীয়ে গদ্যৰ ৰূপ সলাই পদ্যৰ শাৰীলৈ ৰূপ সলাবলৈ সুবিধা পোৱা নাই। যুক্তি তত্বৰ ধীৰ আৰু গভীৰ গতিবেগত ইয়াৰ ৰচনাশৈলী প্ৰবাহিত হৈছে। ঠায়ে ঠায়ে জটিল আৰু মৌলিক বাক্য প্ৰয়োগে ভাষাক ওজস্বিতা দান কৰিছে যেনে – "যি কাকো অপেক্ষা নকৰে, বাহ্য অভ্যন্তৰ শৌচযুক্ত হয়, আলস্য নকৰে, ইষ্ট নাশতো শোক নকৰে, অপ্ৰাপ্তকো নাবাঞ্ছে, পাপ-পূণ্য দুইকো নাচৰে, শত্ৰু মিত্ৰকো একেভাৱে প্ৰৱৰ্তে, মাত্ৰ অপমানতো হৰ্ষ বিষাদ নকৰে, স্তুতি নিন্দাতো তুল্য হয়, বৃথাবাক্য নোবোলে, যথালাভতে তুষ্ট হয়, নিয়ত নিবাস নকৰে, নিৰন্তৰে মোত স্থিত চিত্তে ৰহে; এমন ভক্তিমন্ত মোৰ মহাপ্ৰিয়া"।





ভট্টদেৱৰ প্ৰথম পুথি 'ভক্তিসাৰ'। এই পুথিখন সংস্কৃত শ্লোকত ৰচিত। পুথিখন ভট্টদেৱে তেওঁৰ গুৰু দামোদৰদেৱৰ আজ্ঞাত ৰচনা কৰে। চৰিত পুথিৰ দ্বাৰা এই গ্ৰন্থখনৰ ৰচনা প্ৰসঙ্গৰ বিষয়ে জানিব পৰা যায়।

বিজয় নগৰৰ ৰজা পৰীক্ষিত নাৰায়ণৰ যদুমনি চক্ৰৱৰ্ত্তী নামেৰে এজন দুৰ্দ্দান্ত পণ্ডিত আছিল। মাজে সময়ে তেওঁ দমোদৰদেৱৰ সৈতে আলাপ আলোচনা কৰিছিল। এবাৰ কথা প্ৰসঙ্গত যদুমণিয়ে শ্ৰীকৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ নহয় বুলি কয়। এই কথা শুনি শাক্ত ধৰ্মাৱলম্বী দামোদৰদেৱে বৰ দুখ পালে আৰু তেওঁ ভট্টদেৱক বৈষ্ণৱ শাস্ত্ৰসমূহৰ পৰা শ্লোক সংগ্ৰহ কৰি শ্ৰীকৃষ্ণক পূৰ্ণ অৱতাৰ হিচাপে উত্থাপিত কৰিব পৰাকৈ এখন পুথি ৰচনা কৰিব দিয়ে। ভট্টদেৱেও গুৰুৰ আদেশ শিৰত লৈ কেইদিনমানৰ ভিতৰতে এনে ধৰণৰ এখন গ্ৰন্থ ৰচনা কৰিলে যিখনে শ্ৰীকৃষ্ণক ভগৱানৰ পূৰ্ণ অৱতাৰ হিচাপে উত্থাপন কৰিলে। পুথিখনৰ ভণিতাত ভট্টদেৱে কোনো কৃষ্ণ ভাৰতীৰ নাম উল্লেখ কৰি নিজৰ নাম গোপনে ৰাখে। ভট্টদেৱে হয়তো সন্দেহ কৰিছিল যে যদুমণিৰ নিচিনা মুখাফুটা পণ্ডিতে ভট্টদেৱৰ ৰচনা বুলি জানিলে বেছি গুৰুত্ব নিদিব। এনেও হব পাৰে ভট্টদেৱে নিজৰ নাম জাহিৰ কৰিবলৈ সংকোচ কৰি ভণিতাত কৃষ্ণ ভাৰতীৰ নাম প্ৰক্ষিপ্ত কৰি প্ৰথম ৰচনা পুথিৰ গুৰুত্ব বঢ়াইছিল।

দামোদৰদেৱে এদিন যদুমণিক পুথিখন দেখুৱালে। যদুমণিয়ে আৰম্ভণিৰ পৰা শেষলৈ পঢ়ি ৰচয়িতাক ভূয়সী প্ৰশংসা কৰি শ্ৰী কৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ বুলি লিখকে দাঙি ধৰা যুক্তি খণ্ডন কৰিব নোৱাৰিলে। দামোদৰদেৱ আৰু ভট্টদেৱৰ উদ্দেশ্য পূৰণ হয়।

ভট্টদেৱে 'কথা-ভক্তি-ৰত্নাৱলী' নামেৰে বিষ্ণুপুৰী সন্যাসীৰ ভক্তি প্ৰধান গ্ৰন্থ ভক্তিৰত্নাৱলীৰ অসমীয়া গদ্য ভাঙনি কৰে। বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তি ৰত্নাৱলীৰ অৰ্ন্তভূক্ত ন বিধ ভক্তিৰ শেহৰ দুই বিধ "সখা" আৰু "আত্ম নিবেদন" ভট্টদেৱে তেওঁৰ গ্ৰন্থত অন্তৰ্ভূক্ত কৰা নাই। কথা -ভক্তি ৰত্নাৱলীৰ গদ্যৰীতি সহজ সৰল আৰু শুৱলা।

"বিষ্ণু সহস্ৰ নাম" বিষ্ণুৰ নাম মাহাত্ম্য বৰ্ণনা কৰা পদ পুথি। পদ্ম পুৰাণৰ উত্তৰ খণ্ডৰ ৭১ অধ্যায়ৰ " উমা মহেশ্বৰ সম্বাদ"ৰ পদবানুবাদ হৈছে বিষ্ণুৰ সহস্ৰ নাম। ইয়াৰ মঙ্গলা চৰণ ভট্টদেৱে সংস্কৃতত নিজে ৰচনা কৰা।

মূলৰ অনুবাদ ছবি, দুলড়ী আদি ছন্দত তেওঁ সুন্দৰ আৰু মাৰ্জিতভাৱে কৰিছে। মূলত আছে :-

বাসুদেৱ পৰমব্ৰহ্ম, পৰমাত্মা পৰাৎপৰঃ।
পৰংধাম পৰং জ্যোতিপৰং তত্বং পৰং পদম্॥
পৰং শিৱং পৰোধেয়ং পৰং জ্ঞানং পৰাগতি।
পৰমাৰ্থং পৰং শ্ৰেয়ং পৰানন্দ পৰন্তপং ॥

ভট্টদেৱে অনুবাদ কৰিছে :-

বাসুদেৱ পৰমব্ৰহ্ম পৰমাত্মাদেৱ।
পৰতো কৰিয়া দেৱ কৃষ্ণ কাৰো সেৱ॥
পৰম আশ্ৰয় পৰংজ্যোতিঃ পৰং তত্ব।
পৰম মঙ্গল সাধুজনৰ সম্মত॥

ঠায়ে ঠায়ে তেওঁ মূলৰ অনুবাদ নকৰি নিজৰ পাণ্ডিত্য আৰু কবিপ্ৰতিভাৰে নাম মাহাত্ম্যৰ পদ ৰচনা কৰিছে। বিষ্ণুৰ সহস্ৰ নাম শেষ কৰি ৰাম লক্ষণ ভৰত শত্ৰুঘ্নৰ নামসমূহৰ উল্লেখ কৰে। ইয়াৰ পাছত কপিল, বলভদ্ৰ আদিৰ নামাৱলী প্ৰকাশ কৰি কংস কাৰাগাৰত সদ্যজাত শ্ৰীকৃষ্ণৰ ৰূপ মাধুৰীৰ বৰ্ণনা দাঙি ধৰিছে।

ভট্টদেৱে "নন্দোৎসৱ" নামৰ পদ পুথিখনিত নন্দৰজাৰ ঘৰত শ্ৰীকৃষ্ণৰ জন্ম উপলক্ষে অনুষ্ঠিত আনন্দোৎসৱৰ এটি বিৱৰণ দিছে। ভট্টদেৱে ইয়াত নৱ জাতক শ্ৰীকৃষ্ণৰ মাঙ্গলিক উৎসৱৰ মনোৰঞ্জক বৰ্ণনাৰ সৈতে গোকুলবাসী নৰ-নাৰীৰ হিয়া উপচি পৰা আনন্দৰ এখনি মনোৰম চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছে।

"ভক্তি বিবেক" ভট্টদেৱৰ শেষ ৰচনা। ভট্টদেৱে ভক্তি বিবেকৰ বিষয়বস্তু ঋক বেদ, উপনিষদৰপৰা আৰম্ভ কৰি ভাগৱত পুৰাণ, ৰুদ্ৰ যামল, বিষ্ণু যামল আদি বহুতো প্ৰামানিক গ্ৰন্থৰ শ্লোক সংগ্ৰহ কৰি লৈছে। মাজে মাজে তেওঁৰ স্বকীয় মত উপস্থাপন কৰি পাণ্ডিত্যপূৰ্ণ যুক্তিৰে বিষয় বস্তুক সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰিছে।


ভক্তি বিবেক ভট্টদেৱৰ ধৰ্মীয় জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ। গ্ৰন্থখনত পোন্ধৰটা পৰিচ্ছেদ সন্নিবিষ্ট কৰি ভক্তি তত্বৰ পোন্ধৰটা বিষয়ে দাৰ্শনিক আলোচনা কৰিছে। সেইবোৰ বিষয় হ'ল, ভক্তিৰ স্থান নিৰ্ণয়; গুৰু শিষ্য-নিৰ্ণয়; শৰণ নিৰ্ণয়; নাম-মাহাত্ম্য; ভগৱদ্ভক্তিৰ মাহাত্ম্য; সৎ সংগ নিৰ্ণয়; ভক্তৰ কৰ্তব্য নিৰূপণ মাহাত্ম্য; শ্ৰৱণ নিৰ্ণয়; কীৰ্তন নিৰ্ণয়; স্মৰণ মাহাত্ম্য; পাদ সেৱন মাহাত্ম্য; পূজা নিৰ্ণয়; নমস্কাৰ মাহাত্ম্য; দাস্য নিৰ্ণয় আৰু ভগৱানৰ মূৰ্তিৰ সত্যতা নিৰ্ণয়।

ভট্টদেৱৰ সৰহভাগ গ্ৰন্থ ছপাঁহৈ ওলাইছে যদিও প্ৰাঞ্জল সংস্কৃতত বিৰচিত ভাগৱত অধিকাৰ, দামোদৰ ৰাখ্যান, ভক্তি সাৰ

আৰু শৰণ মালিকা এতিয়ালৈ প্ৰকাশ হোৱা নাই। ভক্তিসাৰ পুথিখনৰ দৰে পদ্য আৰু সংস্কৃত শ্লোকত ৰচিত সন্ত নিৰ্ণয় নামৰ পুথিখনো কৃষ্ণ ভাৰতীৰ ভণিতাৰে পোৱা যায়।

আশী বছৰ বয়সত ব্যাস কুছি সত্ৰত আপন ভক্তৰ সন্মুখত ভট্টদেৱে ইহলীলা সম্বৰণ কৰে।

(অন্যান্য কিতাপৰ সহায় লোৱা হৈছে)



x

**প্ৰশ্ন :- অসম সাহিত্য সভাৰ প্ৰতীকটোৰ অৰ্থ কি?**

**উত্তৰ :-** অসম সাহিত্য সভাৰ প্ৰতীকৰ বেদীত 'অসম সাহিত্য সভা' নামটো থাকি সভাক ধৰি ৰাখিছে। বেদীৰ ওপৰত থকা শৰাইখনি জাতীয় সাংস্কৃতিক সৌধৰ নিৰ্দশন। এই সৌধ স্বৰূপ শৰাইত প্ৰতিষ্ঠিত পুথিখন আমাৰ সমগ্ৰ মানবীয় জ্ঞান, বিদ্যা, শিল্প, সাহিত্য আৰু বক্ষিত প্ৰমূল্য সমূহৰ আধাৰ। ধ্ৰুৱ তৰাটি এই সাধনাৰ লক্ষ্য। এই সকলোখিনি সাধনাৰ প্ৰকাশ মাধ্যম 'চিৰ চেনেহী মোৰ ভাষা জননী'। এই বাক্যাংশাই লোৱা হৈছে সভাৰ আৱভনী গীতৰূপে ব্যৱহৃত মিত্ৰদেৱ মহন্ত ৰচিত গীতটিৰ প্ৰথমৰ পদ। ভাষা জননীৰ অক্ষয় বন্তিগছিয়েই আমাৰ সকলো সাধনাক অনন্ত কাললৈ পোহৰাই ৰাখিব। এই বাণী, তৰা আৰু বন্তিগছিৰ পটভূমিত থকা আঁহত পাতটি ভাৰতীয় সংস্কৃতিক সাধনাৰ লগত গভীৰভাৱে সম্পৃক্ত বোধবৃক্ষৰ এটি প্ৰতীকী আভাষ।

সংগ্ৰাহক
শ্ৰী উদ্ধৱ শালৈ
স্নাতক দ্বিতীয় বৰ্ষ (পুৱা)





# সাক্ষৰতা অভিযানত গ্ৰন্থাগাৰৰ ভূমিকা

শ্ৰীমিনু দেৱী
লাইব্ৰেৰীয়ান

নিৰক্ষৰতা সমস্যাটোৰ লগত দেশ এখনৰ বহুটো সমস্যাৰ অনেক দিশ জড়িত আছে। এই সমস্যাটোৰ দূৰীকৰণক লৈ অতীতত আমাৰ দেশত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। শিক্ষাৰ প্ৰয়োজন অকল উঠি অহাচামৰ বাবেই নহয়, দেশৰ লাখ লাখ নিৰক্ষৰ লোকৰ কাৰণে অতি প্ৰয়োজনীয়। দেশৰ বিকাশৰ কাৰ্যসূচী সমূহত অংশ গ্ৰহণ কৰিবৰ বাবে শিক্ষাৰ আৱশ্যক। ভাৰতবৰ্ষৰ দৰে দুখীয়া দেশ এখনৰ বাবে সাক্ষৰতা অভিযানত ব্যয়ৰ নাটনি থকাটো ডাঙৰ কথা নহয়। কোঠাৰী আয়োগৰ ৮৬ চনত শিক্ষা নীতিত "ন-শিক্ষাক" ৰ বাবে বহুটো পৰামৰ্শ আগবঢ়াইছে।

> কল্যানকামী ৰাষ্ট্ৰ এখনৰ নাগৰিক সকলৰ সুবিধাৰ বাবে গ্ৰন্থাগাৰ সেৱা সীমিত নাথাকি এই সেৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি চহৰে নগৰে ইয়াৰ বিকাশত গুৰুত্ব দিব লাগে। গ্ৰন্থাগাৰসমূহ এটা জাতিৰ বা এখন সমাজৰ বা এখন ৰাষ্ট্ৰৰ সাহিত্য, সংস্কৃতি আৰু সভ্যতাৰ নিদৰ্শন। এই গ্ৰন্থাগাৰ সমূহৰ লক্ষ্য হব লাগিব সুস্থ আৰু সবল পঢ়ুৱৈৰ সৃষ্টি কৰি জন সাধাৰণক শিক্ষিত কৰি তোলা। আমাৰ দুখীয়া জনসাধাৰণৰ বাবে ধন খৰচ কৰি কিতাপ আলোচনী ক্ৰয় কৰি পঢ়াটো সম্ভৱ নহয়। তেনে ক্ষেত্ৰত এই গ্ৰন্থাগাৰসমূহ একমাত্ৰ বাহক হব পাৰে।


১৯৯১ চনৰ পিয়ল মতে দেশত স্বাক্ষৰ লোকৰ পৰিমাণ ৫২.১১ শতাংশ। নাৰীৰ ক্ষেত্ৰত এই পৰিমাণ অতি নগণ্য। বৰ্ত্তমান দেশত নিৰক্ষৰ জনসংখ্যাৰ পৰিমাণ৪০৪ নিযুত। এজন মানুহে অকল নিজৰ নামটো লিখিব পাৰিব জনাটোৱেই শেষ নহয়। তেওঁ দৈনিক বাতৰি কাকতখন বা কোনো ধৰণৰ নিৰ্দেশ, নিয়মাৱলী আদি পঢ়িব জানিলেহে সাৰ্থকতা আহিব। এনে ক্ষেত্ৰত নিৰক্ষৰতা দূৰীকৰণত গ্ৰন্থাগাৰসমূহে এক শক্তিশালী মাধ্যম ৰূপেৰে এক বিশেষ বাতাৱৰণৰ সৃষ্টি কৰিব পাৰে। সমগ্ৰ দেশতে কিছুসংখ্যক গ্ৰন্থাগাৰ গঢ়ি তুলিব লগিব। যি সকল লোকে পঢ়াশালীলৈ আহিব নোৱাৰে বা বয়সীয়াল, তেওঁলোকক বিভিন্ন সহযোগ ভিত্তিত আৰ্চনি প্ৰয়োগ কৰি এই গ্ৰন্থাগাৰসমূহে সামাজিক আৰু অংশকালীন শিক্ষাৰ ব্যৱস্থা কৰিব পাৰে।

গ্ৰন্থাগাৰসমূহ নিৰক্ষৰ সমাজৰ ব্যক্তি সকলৰ শিক্ষাৰ কাৰণে অপৰিহাৰ্য্য। প্ৰাচীন কালত একোজন পণ্ডিতে ধৰ্ম আৰু নীতিশিক্ষাৰ সম্পৰ্কীয় পুথি-পাজিবোৰ সামাজিক শিক্ষাৰ বাবে অনাখৰী ৰাইজক পঢ়ি শুনাই ধৰ্ম আৰু নীতিৰ জ্ঞান দিবলৈ চেষ্টা কৰিছিল। এনে দৃষ্টিকোনৰ পৰা সেই সময়ৰ নামঘৰ, মঠ মন্দিৰ, গীৰ্জ্জা, বৌদ্ধ বিহাৰ আদিক একোটা গ্ৰন্থাগাৰ বুলি কব পাৰোঁ। সেই সময়ত শৈক্ষিক দিশত ইয়াক এক জাগৰণ বুলি ক'ব পাৰি। সাক্ষৰতা অভিযানত গ্ৰন্থাগাৰসমূহে এক বিস্তৃত ভূমিকা লবলৈ আগবাঢ়িব লাগিব। জনসাধাৰণক বিনামূলীয়াকৈ গ্ৰন্থাগাৰসমূহ ব্যৱহাৰ কৰিবলৈ সুবিধা দিয়াৰ লগে লগে অনাখৰী শ্ৰেণীৰ লোকসকলক শিক্ষিত আৰু সমাজত সচেতন কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। আমাৰ গ্ৰাম্য অঞ্চলৰ প্ৰায়ভাগেই অশিক্ষিত আৰু অধ্যয়ন বিমুখ। এই ক্ষেত্ৰত নগৰীয়া মানুহৰ প্ৰায় বোৰেই শিক্ষিত। এই দুয়ো ক্ষেত্ৰত পঢ়ুৱৈ সকলৰ গুণগত পাৰ্থক্য থকা সত্ত্বেও গ্ৰন্থাগাৰ সেৱাৰ ধৰ্মৰ কোনো প্ৰভেদ নাই।

অসমত গ্ৰন্থাগাৰ সেৱা প্ৰকৃততে স্বাধীনতা লাভৰ পাছৰ পৰাহে আৰম্ভ হয় বুলি কব পাৰি। প্ৰাক্ স্বাধীনতা কালত গ্ৰন্থাগাৰ সেৱা প্ৰায় নাছিল বুলি কলেও ভুল কোৱা নহ'ব। দেশ স্বাধীন হোৱাৰ পিছৰ পৰাহে গ্ৰন্থাগাৰ সেৱা আৰম্ভ হয়। কল্যানকামী ৰাষ্ট্ৰ এখনৰ নাগৰিকসকলৰ সুবিধাৰ বাবে গ্ৰন্থগাৰ সেৱা সীমিত নাথাকি এই সেৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি চহৰে নগৰে ইয়াৰ বিকাশত গুৰুত্ব দিব লাগে। গ্ৰন্থাগাৰসমূহ এটা জাতিৰ বা এখন সমাজৰ বা এখন ৰাষ্ট্ৰৰ সাহিত্য, সংস্কৃতি আৰু সভ্যতাৰ নিদৰ্শন। এই গ্ৰন্থাগাৰসমূহৰ লক্ষ্য হব লাগিব সুস্থ আৰু সবল পঢ়ুৱৈৰ সৃষ্টি কৰি জন সাধাৰণক শিক্ষিত কৰি তোলা। আমাৰ দুখীয়া জনসাধাৰণৰ বাবে ধন খৰচ কৰি কিতাপ আলোচনী ক্ৰয় কৰি পঢ়াটো সম্ভৱ নহয়। তেনে ক্ষেত্ৰত এই গ্ৰন্থাগাৰসমূহ একমাত্ৰ বাহক হব পাৰে। বুদ্ধিৰ পূৰ্ণবিকাশেই হ'ল জ্ঞান। জ্ঞান আহৰণ কৰিবলৈ লাগে শিক্ষা। সেই শিক্ষাত গ্ৰন্থাগাৰসমূহে জ্ঞানৰ পবিত্ৰ জ্যোতিৰে বিভিন্ন মাধ্যমৰ সহযোগত মানৱৰ হৃদয় পোহৰাই তুলিব পাৰে। গ্ৰন্থাগাৰসমূহ এটা শ্ৰেণীৰ সুবিধাৰ বাবে নহয়। ই সমগ্ৰ মানৱ জাতিৰ কল্যাণ সাধিব

পাৰিলেহে সাৰ্থকতা লাভ কৰিব পাৰিব । এই জ্ঞান শিক্ষা হ'ব লাগিব শ্ৰেণী স্বাৰ্থৰ প্ৰতিকূল।

গ্ৰামাঞ্চলৰ অশিক্ষিত ব্যক্তিৰ কথাই নকওঁ, বহু শিক্ষিত দম্পতিয়েও তেওঁলোকৰ সন্তানক গ্ৰন্থাগাৰৰ সুবিধা গ্ৰহণ কৰাৰ বাবে আগবঢ়াই নিদিয়ে। সেয়েহে গ্ৰাম্য অঞ্চলৰ এই গ্ৰন্থাগাৰ সেৱাৰ যি উদ্দেশ্য, তাক পূৰণ কৰিব পৰা নাই। ইয়াৰ বাবে অভিভাৱকৰ অজ্ঞতা, স্থানীয় মানুহৰ সহযোগীতাহীন মনোভাব আৰু চৰকাৰৰ নিষ্ঠাহীনতাও সমভাৱে দায়ী।



ব্ৰিটিছ যুগৰ পৰা মহীশূৰ, বৰোদা আদি স্বাধীন ৰাজ্যত গাৰ্ওলীয়া পুথিভৰালৰ জৰিয়তে দেশৰ নিৰক্ষৰতা দূৰীকৰণৰ প্ৰচেষ্টা কৰা হৈছিল। গ্ৰন্থাগাৰসমূহে বিভিন্ন মনোৰঞ্জনকাৰী কাৰ্য্যসূচী হাতত লৈ গাঁৱৰ অনাখাৰী লোক সকলক তাত গোট খুৱাই আক্ষৰিক জ্ঞান দিবলৈ চেষ্টা কৰিব লাগে। তৃতীয় দশকৰ পৰা অসমত প্ৰাক প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ হ'বলৈ ধৰে। তেতিয়াও গ্ৰন্থাগাৰসমূহে নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত কিবা দায়িত্ব লব পাৰে বুলি চিন্তা কৰা হোৱা নাছিল। সীমিত গ্ৰন্থাগাৰসমূহে শিক্ষিত শ্ৰেণীৰহে চাহিদা পূৰণ কৰিছিল। ১৯৩৯ চন মানৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে জনশিক্ষা অভিযানৰ আঁচনি গ্ৰহণ কৰিলে আৰু ১৯৪০ চন মানৰ পৰা অসমত এই অভিযান আৰম্ভ হ'ল। "Education is the backbone of the nations" গতিকে এই শিক্ষা অবিহনে যে এটা জাতিৰ উন্নতি হ'ব নোৱাৰে ই ধ্ৰুৱপ। গ্ৰন্থাগাৰকে ধৰি এই ধৰণৰ অনুষ্ঠান সমূহে নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত প্ৰধান ভূমিকা ল'ব পৰে। বৰ্ত্তমান অৱশ্যে গাঁৱলীয়া পুথিভঁৰাল সমূহত চৰকাৰে উল্লেখযোগ্য অনুদান দিছে আৰু প্ৰত্যেক পুথিভঁৰালত একোজনকৈ ডিগ্ৰীধাৰী লাইব্ৰেৰীয়ান নিযুক্তি দিয়ে। এই সাক্ষৰতা অভিযানত লাইব্ৰেৰীয়ান সকলে বিশেষ ভূমিকা ল'ব পাৰে। প্ৰচাৰ মাধ্যমে এই অনুষ্ঠানৰ আলম লৈ ৰাইজক মানসিক প্ৰস্তুতি কৰিবৰ কাৰণে নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে আৰু সামাজিক উন্নয়নৰ কাৰণে বিভিন্ন দিশ সামৰি এক বিশেষ ভূমিকা লব পাৰে। পঞ্চবাৰ্ষিক যোজনাত গাঁৱলীয়া পুথিভঁৰালসমূহে যদিও গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিলে, তথাপি কিন্তু প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে একো কৰিব পৰা নাই।

Mobile library system (চলন্ত পুথিভঁৰাল) ৰ সদস্য সকলে ৰাইজৰ সহযোগত এটা শিক্ষাৰ বাতাবৰণ সৃষ্টি কৰিব পাৰে। ইয়াৰ দ্বাৰা নিৰক্ষৰ যুৱক যুৱতী সকল প্ৰাপ্তবয়স্ক শিক্ষালৈ আকৰ্ষিত হোৱাৰ লগে লগে ইয়াৰ সাৰ্থকতা অনুভৱ কৰিব পাৰে। ১৯৬০ চনত 'সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থা' নামেৰে এটা নতুন সন্থা পঞ্জীয়ন হৈছে। এই সন্থাই অৱশ্যে কিছুপৰিমানে নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা লোৱা দেখা গৈছে।

এই সাক্ষৰতা অভিযানৰ উদ্দেশ্য জনগণক কেৱল আখৰ আৰু সংখ্যাৰ শিক্ষা দিয়াটোৱেই নহয়। গ্ৰন্থাগাৰসমূহে স্বাক্ষৰ হোৱা লোকসকলক পৰিবেশৰ ৰক্ষনাবেক্ষন, নাৰী সকলৰ সমাজত স্থান, ক্ষুদ্ৰ পৰিয়াল গঠনত উৎসাহ যোগোৱা আদিৰে সকলোকে আকৰ্ষিত কৰিব পাৰিলেহে সাক্ষৰতা অভিযানত গ্ৰন্থাগাৰসমূহে এক বিশেষ সফলতা লাভ কৰা বুলি দাবী কৰিব পাৰিব।

**References:**


(ক) শৰ্ম্মা তৰুণ কুমাৰ ঃ আধুনিক শিক্ষাৰ ইতিহাস।

(খ) Borah Bhadra, Goswami Bhupen ঃ 'Ed. 'Librarianship in North East India.

(গ) শৰ্মা ধৰ্মদত্ত ঃ সাক্ষৰতাত পুথিভঁৰাল।

(ঘ) Govt of Assam, Directorate of economic & statistics. Statistical Hand book of Assam.


***





# "চিকিমত এভুমুকি"

ড° ৰীতা শৰ্ম্মা
প্ৰবক্তা, অৰ্থনীতি বিভাগ

মোৰ জীৱনত বহু সৰু কালতেই ভ্ৰমনৰ প্ৰতি আগ্ৰহ জন্মিছিল। এই ক্ষেত্ৰত মোৰ পিতৃ ৺ৰজনীকান্তদেৱে সদায় প্ৰেৰণা যোগাইছিল। সেইবাবেই বহুত সৰুতে হিমাচল প্ৰদেশৰ চিমলাৰ কাষৰ "ডাগছাই" নামে ঠাইত আৰু পঞ্জাবৰ "চাউন্তাৰা" নামে ঠাইত সৰ্ব্বভাৰতীয় এন, চি, চি, কেম্পত যোগদান কৰি কাংৰা; কুলু উপত্যকাৰ সৌন্দৰ্য্য,চিমলাৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ সুযোগ পাইছিলোঁ। ইয়াৰ উপৰিও বহুতো নজনা কথা জনাৰ সুবিধা পাইছিলোঁ। এয়া মোৰ জীৱনৰ ফলদায়ক ভ্ৰমণ বুলি কব পাৰোঁ। বাল্যকালৰ এনে সৰু সুৰা ভ্ৰমণেৰেই আৰম্ভ হয় মোৰ ভ্ৰমণৰ প্ৰতি প্ৰবল আগ্ৰহ। মই ভ্ৰমণ কৰি ভাল পাওঁ শৰৎকালত। মোৰ ভ্ৰমণৰ আঁচনি যুগুতাই থোৱা থাকে। আজৰি পৰত মেপ চাই চাই বিভিন্ন ঠাই চাবৰ বাবে নিৰ্ব্বাচন কৰোঁ। এনেধৰণৰ ঠাইসমূহ উল্লেখ কৰিছোঁ – মধ্যপ্ৰদেশৰ খাজুৰাহ, চিত্ৰকূট, শিৱপুৰী, বিহাৰৰ নালন্দা,ৰাজগীড় ইত্যাদি। এই ঠাইসমূহৰ ভ্ৰমণ বৃত্তান্ত ভৱিষ্যতে প্ৰকাশ কৰাৰ আশা ৰাখিছোঁ।

ভাৰতৰ সীমান্ত প্ৰহৰী গিৰিৰাজ হিমালয়ৰ বুকুত অৱস্থিত সৰু পৰ্ব্বতীয়া ৰাজ্য চিকিম। চিকিমলৈ মই বহুবাৰ গৈছোঁ। ৰাজধানী গ্যাংটক আৰু চিকিমৰ বহুত ঠাই চোৱাৰ সৌভাগ্য মোৰ হৈছে।

চিকিম ভাৰতৰ ২২ তম ৰাজ্য। ইয়াৰ উত্তৰত তিব্বত, পূবে ভূটান, পশ্চিমে নেপাল, দক্ষিণে পশ্চিমবঙ্গ। চিকিম ভ্ৰমণ বৃত্তান্ত লিখাৰ পূৰ্ব্বে এই ৰাজ্যৰ অতীতৰ ইতিহাসৰ কথা চমুকৈ উল্লেখ কৰিছোঁ। চিকিমৰ আদি অধিবাসী সকলক লেপচা বুলি কয়। প্ৰবাদ আছে এইলোকসকল পোনতে চিকাৰী অথবা জাতি আছিল। নগালেণ্ড আৰু অসমৰ ফালৰ পৰা চিকিমত প্ৰবেশ কৰিছিল। মাতৃভূমিক লেপচা সকলে বুলিছিল 'Nye- mae -el' অথবা স্বৰ্গভূমি । তিব্বতি সকলে বুলি ছিল 'Renjong' অথবা 'Denjong' শস্যৰ ভূমি "The valley of the rice" লেপচাসকল লাজকুৰীয়া স্বভাৱৰ, শান্ত আৰু প্ৰকৃতি প্ৰেমী লোক আছিল। তেওঁলোকক সেইবাবে প্ৰকৃতিৰ সন্তান বুলি কয়। লেপচা নেতা থিকংটেক (Thekong Tek) ৰ কালত ভূটীয়া ভূস্বামীসকলে চিকিমত প্ৰৱেশ কৰে। তেওঁৰ লেপচা সকলৰ লগত বন্ধুত্ব ঘটে। থিংকটেক আৰু খি-বুমজাই ভাতৃত্বৰ সম্বন্ধেৰে বান্ধ খোৱাৰ শপত লয়। পিছলৈ খি বুমজাৰ থিংকটেকৰ আশীৰ্বাদত তিনিজন পুত্ৰসন্তান জন্ম হয়। চতুৰ্থ পুত্ৰ গুৰুতাচী। থিংকটেৰ মৃত্যুৰ পাছত লেপচাসকলে গুৰুতাচীৰ শৰণাপন্ন হৈ নিৰাপত্তা লাভ কৰে। ফুন্টচগ (Phunt-Sog Namgyal) ১৬০৪ চনত জন্ম লাভ কৰে। ১৬৪১ চনত তিনিজন লামাই তেওঁক ৰজা পাতে আৰু চগীয়াল (Chogyal )উপাধি প্ৰদান কৰে। Chogyal মানে ধৰ্মৰজা। সেই সময়ত তিব্বতৰ পৰা অহা ভূটীয়া লোকসকলক সমাজত অন্তৰ্ভুক্ত কৰা হয়। লিম্বুসকল তিব্বতৰ চাংপো উপত্যকাৰ, পূৰ্বে অহা লোক। তেওঁলোকৰ প্ৰধান নেতাৰ জীয়েকৰ লগত অহা সাত গৰাকী ছোৱালীৰ চিকিমৰ সম্ভ্ৰান্ত পৰিয়ালৰ লোকে বিয়া কৰায়। সেই পৰিয়ালৰ কিছুমানে ৰজাৰ পৰামৰ্শদাতা আৰু পিছলৈ কাজী (kazi) নামে জনা যায়। কাজীসকল জমিদাৰ শ্ৰেণীৰ লোক।

গোৰ্খা নেপালীসকলে, পৃথিবী নাৰায়ন শাহৰ অধীনত চিকিম আক্ৰমন কৰি সোতৰ বাৰ পৰাজয় বৰণ কৰে। এইদৰে কেইবাবাৰো যুদ্ধ হোৱাৰ পিছত ১৭৮৮-৮৯ চনত পুনৰ গোৰ্খা সকলে চিকিম আক্ৰমণ কৰি ৰবদন্টচে (Rabdentse) অধিকাৰ কৰে। ১৮১৪ -১৬ চনৰ "এংল গোৰ্খা ( Anglo-Gorkha) যুদ্ধত নেপাল পৰাজিত হয় আৰু ১৮১৭ চনৰ "তিতালিয়া সন্ধি" অনুসৰি বৃটিছে চিকিমক হেৰোৱা ঠাই কিছুমান নেপালৰ হাতৰ পৰা ঘূৰাই দিয়ে। ইয়াৰ পিছত মহানদী, মেচি নদী আৰু চিংগালীলা পৰ্বত মালাৰে চিকিম নেপালৰ সীমা নিৰ্দ্ধাৰন হয়। ইয়াৰ পিছত বৃটিছ সকলে পৰিশ্ৰমী নেপালী শ্ৰমিক সকলক আমদানী কৰে। চিকিম ইলাচী উৎপাদনত অন্যতম। ইয়াত নেপালী সকলৰ অৱদানো অন্যতম। চিকিমৰ দশমজন চগীয়াল চিডকিয়ং তুলকু অক্সফৰ্ডত শিক্ষিত। এওঁ ৰাজ্যত গণতন্ত্ৰ শাসন ব্যৱস্থা স্থাপন কৰে। ১৯১৪ চনত তাচী নামগীয়াল (TashiNamgyal) সিংহাসনত বহে। এওঁৰ নামেৰে গ্যাংটকৰ পাবলিক স্কুল 'তাচী নামগীয়াল একাডেমী' চমুকৈ (T.N.A) । এওঁ ৪৮ বছৰ শাসন কৰিছিল, দেশত বহুত উন্নয়নশীল কাম কৰিছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ লগে লগে ১৯৫০ চনত ভাৰতৰ লগত চিকিমৰ এখন চুক্তি স্বাক্ষৰিত হয় আৰু চিকিম ভাৰতৰ নিৰাপত্তা ৰাজ্য হিচাপে থাকিবলৈ লয়। চিকিমত দুটা ৰাজনৈতিক দল গঠন হয়। ১৯৫২-

৫৩ আৰু ১৯৫৮ চনত দুবাৰকৈ নিৰ্বাচন অনুষ্ঠিত হয়। ১৯৬০ চনত কাজী লেংডুপ দৰ্জিয়ে চীনৰ চিকিম জাতীয় কংগ্ৰেছ গঠন কৰে। ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমন আৰু তাচী পামগীয়ালৰ মৃত্যু হয়। তেওঁৰ পুত্ৰ পালডেন থনদুট (Palden Thondut) সিংহাসনত বহে । এওঁৰ দ্বিতীয় বিবাহ হয়। 'হপকুক' নামে আমেৰিকান মহিলা এগৰাকী এওঁ বিয়া কৰায়। এওঁৰ দিনতে ৰাজ্যত আন্দোলন আৰম্ভ হয়। চগীয়ালে এই বিদ্ৰোহ দমন কৰাত ব্যৰ্থ হয়। এয়া থুলমূলকৈ চিকিমৰ ইতিহাস।

চিকিমৰ লেপচাসকল বৌদ্ধ ধৰ্মৰ লোক । তিব্বতৰ পৰা এই ধৰ্মৰ আগমন ঘটে ১৭ শতিকাত। অষ্টম শতিকাত তিব্বতত বৌদ্ধ ধৰ্ম প্ৰথম প্ৰচাৰ কৰে নালন্দাৰ ভাৰতীয় তান্ত্ৰিক গুৰু পদ্মসম্ভৱে।

কাঞ্চন জঙ্ঘা চিকিম সকলৰ ৰক্ষাকৰ্তা দেৱতা। এই ৰক্ষাকৰ্তাৰ সন্মানাৰ্থে আগষ্ট, চেপ্তেম্বৰ মাহত নৃত্য উৎসৱৰ আয়োজন হয়। এই উৎসৱৰ নাম "পেং লেবচল" এই উৎসৱৰ দিনা পুৰুষ আৰু মহিলাই ৰঙীন সাজপাৰ পিন্ধে। গৌতম বুদ্ধৰ জন্মদিনত এপ্ৰিল, মে মাহত ভূটিয়া সকলে "Chhechu" চিচু উৎসৱ পালন কৰে। মঠ মূহত ঘিউমাখনৰ বন্তি প্ৰজ্বলন কৰে। জানুৱাৰী মাহত হয় লাচেন (Lachen) উৎসৱ। তিনিদিনীয়া এই উৎসৱত স্থানীয় যদাবাদ্য নাগা, নেমা, ৰাডু আৰু পৈপা ড্ৰাম আদি বজোৱা হয়। বুমচু (Bumchhu) উৎসৱ পূৰ্ণিমাৰ দিনা তাচীদিং মঠত অনুষ্ঠিত হয়। ইয়াত চগীয়ালৰ পৰিয়ালৰ লোকেও যোগদান কৰে। নৱবৰ্ষ উৎসৱত "মহাকাল আৰু গুৰু" পদ্ম সম্ভৱৰ" পূজা কৰা হয়। ধৰ্মৰ জয় আৰু অৰ্ধৰ্মৰ পৰাজয় মানি "ব্ৰেক হেট" নৃত্য অনুষ্ঠিত কৰে। এই নৃত্য Penayanglse Monastryৰ লামা সকলে অনুষ্ঠিত কৰে। ভক্ত সকলে খেৰ বা কাগজৰ প্ৰতিমূৰ্তি সাজি অধৰ্মক দাহ কৰে। হিন্দু নেপালী সকলে দুৰ্গা পূজাৰ দশমীৰ পৰা দশেৰা উৎসৱ পালন কৰে। দেবী দুৰ্গাক বিজয়ৰ প্ৰতীক ৰূপে ঘৰে ঘৰে আৰাধনা কৰে। এয়া হ'ল চিকিমৰ ধৰ্মীয় উৎসৱ আৰু পৰম্পৰা। চিকিমৰ বিভিন্ন অঞ্চলত বহতো বৌদ্ধমঠ আছে।



চিকিম আৰু ৰাজধানী গ্যাংটক হিমালয়ৰ সুউচ্চ পৰ্ব্বতৰ এখন ৰাজ্য। গুৱাহাটীৰ পৰা বাছত শিলিগুৰি হৈ যাব পাৰি অথবা ৰেলত নিউ-জলপাই গুৰিত নামি যাব পাৰি। আকাশী পথেৰে বাগ্‌দোগ্ৰাত নামি যাব পাৰি। চিকিমত প্ৰত্যেক বাৰেই ঘৰত থকাৰ সুবিধা পোৱা বাবে হোটেল আদিত থকাৰ বিষয়ে অভিজ্ঞতাৰ কথা উল্লেখ কৰিব নোৱাৰিলোঁ । কিন্তু গ্যাংটকত ভ্ৰমণকাৰীৰ বাবে সুন্দৰ সুন্দৰ হোটেলৰ ব্যৱস্থা আছে। চিকিমলৈ শিলিগুৰিয়েদি গাড়ীৰে যোৱাৰ ব্যৱস্থা আছে। এই পথ ১১৪ কিঃ মিঃ । দাৰ্জিলিংৰ পৰাও চিকিমলৈ গাড়ীৰে যাব পাৰি। চিকিমত ৰাষ্ট্ৰীয় পৰিবহনৰ সৰু সৰু বাছ চলে। যাত্ৰাৰ পাচঁঘন্টা সময় পথৰ দুয়োকাষে থকা পাহাৰৰ সৌন্দৰ্য্য চাই যাওঁতে সময় কেতিয়া পাৰ হয় গমেই নাপাওঁ। পথৰ কাষে কাষে সহযাত্ৰী হৈৰে আছে তিস্তানদী, আনখন নদী ৰংগীত। দুয়োখন উত্তৰৰ পৰা দক্ষিণলৈ বৈ গৈছে। অতি খৰস্ৰোতা হৈ শিলৰ বুকুত ঝৰ ঝৰ শব্দেৰে বৈ আছে যুগে যুগে। বহুত ওপৰৰ পৰা বৈ অহা যেন এখনি বগা চাদৰ। বৰষুণৰ দিনতপথত ভূমিস্খলন হৈ পথ আবদ্ধ হৈ পৰে কেতিয়াবা কেইবাঘন্টা। পাহাৰৰ মাটি, শিল বাগৰি অহা দৃশ্য দেখিলে কেতিয়াবা তিস্তাত পৰি যাম যেন ভাব হয়। কিন্তু চালক সকল অতি দক্ষ আৰু সাৱধান। এই পথ ছোৱাত কিছু সময়ৰ বাবে ৰংপু আৰু চিংটাম নামে দুখন ঠাইত গাড়ী ৰাখে, তাতে পাতল আহাৰ কৰাৰ সুবিধা আছে। আজি পাঁচ বছৰ মান আগৰ কথা, আমাকলৈ ঘূৰি অহা বাছখনৰ কিবা বিজুতি ঘটাত চিংটামত বাছখন ভাল কৰিবলৈ সম্ভৱ গেৰেজলৈ লৈ গ'ল। যাত্ৰীবোৰৰ লগতে আমিও কিবা খাবলৈ দোকানত সোমাইছোঁ । ওলাই আহি দেখো বাছখন নাই , তাতে মোৰ এটা বেগত মূল্যবান সামগ্ৰী, টকা পইচা আছিল। সোধপোছ কৰাত বাচৰ কণ্ডাক্টৰ জন আগবাঢ়ি আহি খবৰটো দি ক'লে "মহাশয়া এয়া চিকিম; "লাখ টকা পেলাই যাওঁক কোনেও চুৰি নকৰে" কথাষাৰ শুনি অবাক হৈছিলোঁ, সঁচাকৈয়ে সকলো নিৰাপদে আগৰ ঠাইতে পালোঁ । আজিৰ যুগতো এনে সৎ পৰিবেশ আছেনে? বৰ্তমান এই অৱস্থা আছেনে নাই নাজানো।





গ্যাংটকলৈ যোৱা পথত লেপচা ভূটীয়া, যথেষ্ট সংখ্যক নেপালী আৰু বিদেশী পৰ্য্যতক লগ পাইছোঁ, বিদেশী সকলৰ বাটত পাছপৰ্ট পৰীক্ষা কৰা হয়। এওঁলোকে ১৫ দিন ভ্ৰমণৰ সুবিধা পায়। গ্যাংটক চহৰত উপস্থিত হৈ প্ৰতিবাৰেই আমি নানা ঠাই ভ্ৰমণ কৰাৰ আৰ্চনি কৰোঁ, "পালজোৰ ষ্টেডিয়ামৰ কাষতে থকা মোৰ ভনীৰ ঘৰৰ পৰাও কাঞ্চন জঙ্ঘা দেখা যায়। পুৱাৰ সূৰ্যৰ কিৰণৰ ৰৰফৰ শৃঙ্গত হোৱা প্ৰতিফলন ইমান ধুনীয়া যে পুৱা চাহৰ কাপ হাতত লৈ এই দৃশ্য সদায় উপভোগ কৰিছিলোঁ। চহৰৰ পৰা আঠ কিঃ মিঃ দূৰৈত আছে "তাচী ভিউ পইন্ট" কাঞ্চন জঙ্ঘাৰ শুভ্ৰ ৰৰফৰ দীঘলীয়া শাৰী ইয়াৰ পৰা চাবলৈ দৰ্শক যায়। কাঞ্চন জঙ্ঘা মানে পাঁচটা সম্পদৰ ভড়াল। গ্যাংটক চহৰত প্ৰবেশ কৰিয়ে সোঁকাষে তিব্বেতল'জী কেন্দ্ৰ (Tibbetology centre)। এয়া বৌদ্ধ ধৰ্মৰ আৰু দৰ্শনৰ অধ্যয়ন কেন্দ্ৰ। এই কেন্দ্ৰত প্ৰাচীন ধৰ্মপুথি, বুদ্ধদেৱৰ মূৰ্ত্তি ইত্যাদি সংৰক্ষণ কৰা হৈছে। কিছু দূৰৈত চিকিমৰ উল্লেখযোগ্য স্তূপ (Stupa) "Do-Drul chorten" ইয়াৰ চাৰিওফালে ১০৮ টা প্ৰাৰ্থনা, "Prayer wheel" আছে। দৰ্শক আৰু ভক্ত সকলে এই প্ৰাৰ্থনা চকা ঘূৰাব পাৰে। চহৰৰ পৰা ৪৫ মিনিট গাড়ীৰে গলেই আন এটা কাৰুকাৰ্য্য খচিত চকুত লগা মঠ "ৰুমটেক"ৰ পৰিবেশ অতি গাম্ভীৰ্য্যপূৰ্ণ । মঠলৈ যাওঁতে বাটৰ কাষেৰে ঝুম খেতি, সেউজীয়া ধাননী, মাজে মাজে পানী বৈ গৈছে ধাননিৰ মাজলৈ। খাপ খাপ চিৰিৰ ওপৰত যেন সেউজী দলিচা । ৰুমটেকত নেপাল, ভাৰত, চীন, তিব্বতীয়, বৌদ্ধ, লামা সকলে ন বছৰ শিক্ষা গ্ৰহন কৰি পিছত সাধনাত ব্ৰতী হয়। মঠৰ ভিতৰৰ বুদ্ধৰ ডাঙৰ মূৰ্তিৰ সন্মুখত অসংখ্য ঘিউৰ বন্তি জ্বলিছে। বেৰসমূহত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ বিভিন্ন চিত্ৰ, কাহিনীৰ বৰ্ণনা কৰা হৈছে। ইয়াত লামা হবলৈ যোৱা সৰু সৰু ল'ৰা বহুত দেখিছিলোঁ। ইয়াৰ বাহিৰেও "লাবৰাং মঠ" তান্ত্ৰিক লামা দ্ৰুপতা কৰপাই নিৰ্মান কৰিছিল। ইয়াৰ ভিতৰত "ইনচে ম'নাচট্ৰি " (Enchey Monastry) উল্লেখযোগ্য । প্ৰতিটো মঠৰ মাজত সামঞ্জস্য আছে। গ্যাংটক চহৰত চাবলগীয়াসমূহ হ'ল চগীয়ালৰ ৰাজপ্ৰসাদ, লাল বজাৰ, পাৰ্ক চাৰিওদিশে আগুৰি থকা পৰ্বতৰ সৌন্দৰ্য্য ইত্যাদি। এই সৌন্দৰ্য্য মনৰ মাজত অংকিত হৈ বৈছে। চিকিমৰ পৰ্ব্বতত ট্ৰেকিংৰ সুবিধা আছে। পৰ্ব্বতসমূহ খিয় গছ গছনিৰে আবৰা । পৰ্ব্বতৰ গাত ঠেক অঁকোৱা, পকোৱা পথবোৰ, গাওঁবোৰ নিশা বিজুলী চাকিৰ পোহৰত চাই বৰ ভাল লাগে। পাহাৰৰ বুকুত ডাৱৰ আৰু শীত কালৰ কুঁৱলীৰ খেলা মনোমোহা। মোৰ ছোৱালীজনীয়ে ঘৰৰ ভিতৰত সোমাই অহা ডাৱৰ দেখি আনন্দত উত্ৰাৱল হৈ পৰে আৰু মোক প্ৰশ্ন কৰে। এই ৰাজ্যত গছ কটা নিষেধ। অৰণ্যত অনেক মূল্যবান উদ্ভিদ পোৱা যায়। চিকিমত এপ্ৰিল মে' মাহত গছে গছে, পৰ্ব্বতৰ বুকুত, বাটে পথে গছত নানা ৰবণীয়া বিভিন্নজাতৰ অৰ্কিড ফুল ফুলি থাকে। গ্যাংটকত থকা অৰ্কিড চক্ৰুৰীত (Orchid sanctuary) বিভিন্ন জাতৰ অৰ্কিড বনবিভাগৰ দ্বাৰা সংৰক্ষণ কৰা হৈছে। ইয়াত থকা হোৱাইট হ'লত বছৰি আন্তৰ্জাতিক পুষ্প মেলা হয়। ইয়াত নানা তৰহৰ অৰ্কিড প্ৰদৰ্শন কৰা হয়। আমাৰ অসম আৰু ওচৰৰে অৰুণাচলৰ হাবিতো বিভিন্ন জাতৰ অৰ্কিড থকা কথা সকলোৱে জানে।

চিকিমৰ গাঁৱৰ বাসিন্দা সকলে সৰু সৰু ঘৰত বাস কৰে। তেওঁলোকে য়াক (yak), খচ্চৰ, হাঁহ, কুকুৰা পালন কৰে। অসমৰ লোকৰ দৰে বাহঁগাজৰ পৰা নানা খাদ্য প্ৰস্তুত কৰে। ধান, মাঁকৈ, ৰঙাৰা আলু বাক হৰেট আৰু শাকপাচলিৰ খেতি কৰে। গাখীৰৰ পৰা চানা প্ৰস্তুত কৰি "চুপী " নামৰ এবিধ আহাৰ বনায়। "চিমফি" নামে এবিধ গছৰ গুকান (দেখাত চফৰ গুৰিৰ দৰে) জুইত পোৰা পকা বিলাহীৰ লগত নহক, জলকীয়া পিহি চাটনি তৈয়াৰ কৰে। খাবলৈ সোৱাদ লগা। জিষ্ণু নামে এবিধ শাক দাইলৰ লগত ৰান্ধি খায়, খাবলৈ লফা শাকৰ দৰে। 'ৰকটমেত' দেখাত ভেকুৰী তিতাৰ দৰে, তেলত ভাজি খাব পাৰি। কুমলীয়া বাঁহগাজ সিজাই বজাৰত বিক্ৰী কৰা হয়। ছাগলী মাংস জুইৰ চৌকাৰ ওপৰত বাহ বান্ধি ওলোমাই থয়। শুকালে সৰু সৰু টুকুৰা কৰি ভাজি খাবলৈ বৰ সোৱাদ। ইয়াৰ উপৰিও আৰু কিছুমান উদ্ভিদ খাদ্য হিচাপে ব্যৱহাৰ হয়। সেইবোৰ ইয়াত লিখা নাই। ফলমূলৰ ভিতৰত এবিধ নতুন ফল খাইছিলো নাম 'এভাকাৰ্ড'। বৰ্তমানে পাহাৰত এই ফলৰ খেতি হয়। ইংলেণ্ডৰ পৰা এই ফল কোনো বুদ্ধি লোকে আনি ৰুইছিল। ইলাচীৰ খেতি যথেষ্ট হয়। চিকিমৰ ক্ষুদ্ৰ আৰু হস্তশিল্প কেন্দ্ৰত দেশীয় শিল্প, হাতে বোৱা নানা সামগ্ৰী উলৰ কাৰ্পেট, বাঁহৰ পৰা প্ৰস্তুত কৰা নানা সামগ্ৰী পেইন্টিং প্ৰস্তুত কৰা আৰু বিক্ৰী কৰা হয়। হস্তশিল্পত ইয়াৰ বাসিন্দা সকল পাৰ্গত। ইয়াত প্ৰস্তুত কৰা মোলায়েম কাৰ্পেটৰ বিদেশতো চাহিদা আছে। চিকিমত বৃহৎ উদ্যোগ নাই। ৰংপুত এটা "ডিষ্টিলেৰী" কেন্দ্ৰ আছে। ইয়াত পৰিবেশ প্ৰদূষণ নাই। চাৰিওদিশ সতেজ।

সাজ পোচাকৰ বিষয়ে দু-আষাৰ উল্লেখ কৰিছো – লেপচা পুৰুষ সকলে কপাহী কাপোৰৰ আঠুৰ তললৈকে চোলা পিন্ধে। কৰ্কালত বেল্ট মাৰে আৰু এখন কটাৰী লয়। মূৰত টুপী পিন্ধে। তিৰোতাই প্ৰসাধন নকৰে। গছৰ শিপা আৰু লতাৰ পৰা চাবোন প্ৰস্তুত কৰি ব্যৱহাৰ কৰে। তেওঁলোকে সদায় স্নান নকৰে। মহিলা সকলে ঢিলা ব্লাউজ আৰু কৰ্কালৰ পৰা পেটিকোটৰ দৰে বস্ত্ৰ পিন্ধে। অলংকাৰ পুৰুষ মহিলা সকলোৱে ব্যৱহাৰ কৰে। চিকিমি

ভূটিয়াসকলে "বাকু" নামে সাজ পিন্ধে। এই সাজ আঠুৰ তলৈকে দীঘল। ইয়াৰ উপৰিও হাত দীঘল ঢিলা ব্লাউজ পিন্ধে। পুৰুষসকলে উলৰ হাতদীঘল কোট, কামিজ আৰু ভৰিত গামবুট পিন্ধে। য়াকৰ ছাল আৰু ভেড়াৰ নোমৰ জোতা পিন্ধে। এই সাজ আমি ভূটীয়াসকলৰ শৰীৰত দেখা পোৱা পৰিচিত সাজ পোছাক। চিকিম ছোৱালীবোৰে দেখিবলৈ ধুনীয়া জাতীয় পোচাক পিন্ধে, সেইবাবে আবুৰ বস্ত্ৰেৰে বৰ গাম্ভীৰ্য্যপূৰ্ণ দেখি। এওঁলোকৰ মাজত বহুত শিক্ষিতা মহিলা আছে। চিকিমত দুমাইল অন্তৰে অন্তৰে স্কুল স্থাপন হৈছে। প্ৰাইমেৰী আৰু নাৰীৰ বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা আগবঢ়োৱা হৈছে। ইয়াত এখন চৰকাৰী মহাবিদ্যালয়, পাবলিক স্কুল আৰু কেইবাখনো হাইস্কুল আছে। শিক্ষাৰ মাধ্যম ইংৰাজী।

চিকিম আৰু গ্যাংটকৰ বিষয়ে আৰু বহুত জানিবলগীয়া আছে । সকলো কথাৰ মাথো চমু আভাষহে দিছোঁ। মোৰ এবাৰ এই ৰাজ্যৰ দক্ষিণ আৰু পূব অঞ্চল ভ্ৰমণ কৰাৰ সৌভাগ্য ঘটিছিল। প্ৰকৃততে এই অঞ্চলসমূহ অলপতেহে পৰ্য্যটকৰ বাবে অনুমতি দিয়া হৈছে। যাবলৈ আগতে অনুমতি লব লাগে। পৰ্য্যটন বিভাগেও নিয়াৰ ব্যৱস্থা আছে। চিকিমত এভুমুকি মাৰি যি আনন্দই মই লাভ কৰিছোঁ, সেয়া মোৰ মনত চিৰদিন সজীৱ হৈ থাকিব।

* 

## ঃ 'তিনি'ৰ ক্ৰিয়া-কাণ্ড ঃ

১। তিনিজন উপকাৰীৰ উপকাৰ পৰিশোধ কৰা টান —
(ক) পিতা-মাতাৰ (খ) অভিভাৱকৰ (গ) গুৰুজনৰ।

২। তিনিজন অন্ধ হৈ পৰে —
(ক) লোভী (খ) কামুক আৰু (গ) ক্ৰোধী।

৩। তিনিটা বস্তুক নিজৰ কৰি লোৱা —
(ক) সত্য (খ) ধৰ্ম (গ) সদাচাৰ।

৪। তিনিটা গুণ আয়ত্ব কৰা —
(ক) নম্ৰতা (খ) ভদ্ৰতা আৰু (গ) সৰলতা।

৫। তিনিটা মনৰ পৰা মচি পেলোৱা —
(ক) লোভ (খ) খং আৰু (গ) দ্বেষ।

৬। তিনিজনক সকলোৱে ভয় কৰি চলে —
(ক) ধনী (গ) মানী আৰু (গ) জ্ঞানী।

৭। তিনিজনহে কামত আহে —
(ক) প্ৰয়োজনত ভাই (খ) বিপদত বন্ধু (গ) যুদ্ধক্ষেত্ৰত বীৰ।

৮। তিনিজনেই মহান হয় —
(ক) যিয়ে ধন পায় গৌৰৱ নকৰে (খ) যিয়ে ধন হেৰুৱাই দুখ নকৰে আৰু
(গ) যিয়ে আনৰ ধনলৈ লোভ নকৰে।

৯। তিনিটা কথা নাপাহৰিবা —
(ক) প্ৰতিজ্ঞা কৰি পূৰন কৰিবলৈ (খ) ধাৰলৈ পৰিশোধ কৰিবলৈ আৰু
গ) আশা দি কাম কৰিবলৈ।

১০। তিনিওটা কথাই ভাল —
(ক) ঘৃনাতকৈ প্ৰেম ভাল (খ) যুদ্ধতকৈ শান্তি ভাল আৰু
(গ) হিংসাতকৈ অহিংসা ভাল।

১১। তিনিজন সৌভাগ্য শালী —
(ক) কেছ-মোকাৰ্দোমাত পৰিলে দুৰদৰ্শী আইন থকাজনৰ
(খ) বেমাৰত ভুগিলে ভাল চিকিৎসক থকাজনৰ
(গ) বিপদত পৰিলে সৎ বন্ধু থকাজনৰ বা সৎউপদেশদাতা বন্ধু থকাজনৰ।

১২। তিনিওঁটা কথাই বেয়া —
(ক) অতিদৰ্প (খ) অতি অভিমান (গ) অতিদান।

১৩। তিনিবিধ ধনেৰে কিনিব নোৱাৰি —
(ক) জ্ঞান (খ) নিদ্ৰা (গ) স্বাস্থ্য।

১৪। তিনিওটা কথায় ভাল হলে মানিবলগীয়া —
(ক) আদেশ (খ) উপদেশ আৰু (গ) অনুৰোধ।

১৫। তিনিটাই মানুহক উপকাৰ কৰে —
(ক) জ্ঞান (খ) ধৰ্ম (গ) বিদ্যাই ।

১৬। তিনিজনৰ সংগ এৰা —
(ক) জোৱাৰী (খ) মদাহী (গ) বেভিচাৰী।

সংগ্ৰাহক
মঃ ছমেচৰউদ্দিন আহমেদ
স্নাতক ২য় বৰ্ষ





# "ছাত্ৰ ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ"

জয়নাল আবেদিন
স্নাতক ১ম বৰ্ষ (কলা)

মানৱ সভ্যতাৰ প্ৰথম সোপান আছিল জুই। আমাৰ আদি পুৰুষ সকলে জুই কি, কোনো বস্তু কেনেকৈ পুৰি খাব লাগে তাক নাজানিছিল। হঠাৎ মানুহৰ যুবৰ ওপৰত হিলে ফুটিল আৰু আবিষ্কাৰ কৰিলে জুইৰ, আৰু মানৱ সভ্যতাৰ যাত্ৰা আৰম্ভ হ'ল। হেজাৰ হেজাৰ বছৰ অতিক্ৰম কৰি অহাৰ পথত মানৱে সাৱথিৰূপে লৈ আহিছে মানৱ সভ্যতাৰ ন-ন আবিষ্কাৰ । আকৌ গজালি মেলিল ন ন সৃষ্টিৰ বসুন্ধৰা বুকুত ঘটিল নতুন আবিষ্কাৰ যেন সৃষ্টি কৰ্তাই ফালি চৰকাৰ আবিষ্কাৰ, যেন সৃষ্টি কৰ্তাই কলি এটিক পূৰ্ণ ফুল হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ তাৰ দেহৰ পৰিবৰ্তন কৰিবলৈ ধৰিলে। ভাপকলৰ আবিষ্কাৰেও বিশাল পৃথিবীৰ বুকুত উদ্যোগ প্ৰতিষ্ঠা আৰু নানান বৈষয়িক আহিলা উৎপন্ন কৰাৰ ওপৰিও বিশ্ববাসীৰ জ্ঞান চৰ্চা বিস্তাৰত সহায় কৰে ছপাশালৰ যোগেদি। সেই দৰে বিজুলী শক্তিৰ আবিষ্কাৰ অনাতাঁৰ যন্ত্ৰৰ আবিষ্কাৰ আধুনিক বিজ্ঞানৰ বিশেষ অৱদান।



মানুহে এটা বস্তু পোৱাৰ পিছত আন এটা বস্তু পাবলৈ সদায় ইচ্ছুক অৰ্থাৎ মানুহ অনুসন্ধিৎসু। যিমান পায় আৰু সিমান পাবলৈ আগ্ৰহী। এনেদৰে চেষ্টাৰ ত্ৰুটি নকৰি আগবাঢ়ি আহি থাকোতে মানৱ শিৰোমণ স্কটলেণ্ডৰ বিখ্যাত বৈজ্ঞানিক জন এল, বেয়াৰ্ডে আবিষ্কাৰ কৰিলে দূৰদৰ্শন। এয়া আছিল ১৯২৬ চন। এই দূৰদৰ্শনৰ ইংৰাজী প্ৰতি শব্দ হ'ল Television অৰ্থাৎ দূৰৰ যিকোনো কাৰ্য্য যান্ত্ৰিক উপায়েৰে ঘৰতে বহি হুবহু ৰূপত চাব পৰা এটা ব্যৱস্থা আৰু এয়াই হ'ল দূৰদৰ্শন। চমুকৈ টি. ভি.। প্ৰথম অৱস্থাত এটা যন্ত্ৰত মানুহৰ ছবি দেখা নগৈছিল। কিছুমান অসংযত ভূত প্ৰেতৰ লেখীয়া কিছুমান ছবি দেখা গৈছিল আৰু যাৰ ফলত আমি টি. ভি. প্ৰচাৰ কাৰ্য্যত দুডাল শিংথকা এটি ভূতৰ ছবি দেখিবলৈ পাওঁ । কাল ক্ৰমত ইয়াক উন্নয়ন আৰু সম্প্ৰসাৰণ কৰিলে আমেৰিকান সকলে, ইয়াৰ আবিষ্কাৰে মানৱ সমাজলৈ আনি দিলে এক আমূল পৰিবৰ্তন। যাৰ ফলত আজি আমি দেখিবলৈ পাইছোঁ নগৰে-চহৰে, গাঁৱে-ভূৱে, ঘৰে-ঘৰে এক বিজ্ঞান যন্ত্ৰ যাৰ নাম হ'ল দূৰদৰ্শন। এই যন্ত্ৰৰ আবিষ্কাৰৰ আগতে আন এটি যন্ত্ৰৰ আবিষ্কাৰ হৈছিল অনাতাঁৰ যন্ত্ৰৰ অৰ্থাৎ ৰেডিঅ'ৰ। যাৰ পৰা আমি শ্ৰৱণ শক্তিৰ জৰিয়তে শুনিবলৈ পাইছোঁ কোনো কাহিনী, গল্প, কবিতা, দেশ বিদেশৰ ভাল-বেয়া খবৰ, বিখ্যাত বিখ্যাত লেখকৰ নাটক মহান বুদ্ধিজীৱী সকলৰ ভক্তি আৰু নানান আবিষ্কাৰ বা-বাতৰি। কিন্তু সবাক চিত্ৰ আৰু অনাতাঁৰৰ এক আশ্চৰ্য্য জনক সংমিশ্ৰণ হ'ল এই দূৰদৰ্শন। এই যন্ত্ৰৰ জৰিয়তে আজি আমি ইতিহাসৰ বিশ্ববিখ্যাত ঘটনা কাহিনী নিজৰ কমৰ ভিতৰতে প্ৰত্যক্ষ কৰিবলৈ পাইছোঁ। এইটো নিশ্চয় মানৱ সভ্যতাৰ আনন্দ ও সৌভাগ্যৰ বিষয়।

টেলিভিজনৰ কাৰ্য্য পদ্ধতি থোৰতে কব পাৰি – অতিশয় উচ্চ শক্তি সম্পন্ন ট্ৰেন্সমিটাৰৰ সহায়ত পৃথিবীৰ কোনো শব্দ মহাশূন্যৰ বুকুৰ ইথাৰ সমুদ্ৰলৈ প্ৰেৰণ কৰা হয়। সমান্তৰালভাৱে সেই একেই উচ্চশক্তি সম্পন্ন কেমেৰাৰ সহায়ত অতি দ্ৰুত গতিত গৃহীত অসংখ্য ফটোও ইথাৰ সমুদ্ৰলৈ প্ৰেৰণ কৰা হয়। প্ৰেৰিত ফটোবোৰ বিশেষ এক প্ৰকাৰৰ গ্ৰাহক যন্ত্ৰৰ দাপোনত প্ৰতিফলিত হয়। লগতে প্ৰেৰিত শব্দবোৰো সম্প্ৰসাৰিত হয়। টেলিভিজন ষ্টুডিঅ'ৰ যোগেদি এই ছবি আৰু শব্দবোৰ নিৰ্দিষ্ট গ্ৰাহক যন্ত্ৰলৈ প্ৰেৰণ কৰা হয়। ব্যক্তিগত গ্ৰাহক যন্ত্ৰ বা টেলিভিজন ছেটত দৰ্শক সকলে সেই শব্দ আৰু দৃশ্য দৰ্শন কৰিবলৈ পায়। নিৰ্দিষ্ট ষ্টুডিঅ'ই নিৰ্দিষ্ট চেনেলত

এনে অনুষ্ঠান পৰিবেশন কৰে।

১৯৫৯ চনৰ ১৫ চেপ্তেম্বৰত ভাৰতত টেলিভিছন কাৰ্য্যসূচীৰ শুভাৰম্ভ হয় নতুন দিল্লীত। বৰ্তমান পূৰ্ণাঙ্গ কেন্দ্ৰ নহলেও প্ৰায় ২৫০ টা বিলে কেন্দ্ৰৰ সহায়ত টি ভিৰ বিভিন্ন কাৰ্য্যসূচী প্ৰচাৰ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ অনাঁতাৰ আৰু দূৰদৰ্শন মন্ত্ৰনালয়ৰ অধীনস্থ দূৰদৰ্শনৰ লক্ষ্য হ'ল জনসাধাৰণক বিবিধ বিষয়ৰ সম্ভেদ দিয়া। এই দূৰদৰ্শনৰ যোগেদি ভাৰতৰ জনসাধাৰণক আৰু ছাত্ৰ ছাত্ৰী সকলক বিবিধ বিষয়ৰ শিক্ষা, নানান বা-বাতৰি আৰু বিধে বিধে কলা - সংস্কৃতিৰ কাৰ্যসূচী পৰিবেশন কৰি আহিছে। ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত দূৰদৰ্শনে এই সু-প্ৰভাৱ পেলায় আহিছে। ৰামায়ন আৰু মহাভাৰতৰ কথা আমি পঢ়িব পাইছিলোঁ। কিন্তু দূৰদৰ্শনে এই অমৰ কালজয়ী ইতিহাস সমূহ আমাক প্ৰত্যক্ষ কৰালে। যি কাহিনীৰ দৃশ্য আজি আমাৰ চকুৰ আগত ভাহি আছে। নানা বিজ্ঞানৰ যন্ত্ৰ পাতিৰ আবিষ্কাৰ আৰু ব্যৱহাৰিক কৌশল আমি ছাত্ৰ-ছাত্ৰীবোৰে দেখা নাছিলোঁ কিন্তু দূৰদৰ্শনে আমাক দেখুৱাইছে। পৃথিবীৰ দেশ বিদেশত কি ভাল বেয়া ঘটনা ঘটিছে তাক ছাত্ৰ ছাত্ৰীবোৰে শুনাৰ লগতে ঘৰৰ ভিতৰত বহি প্ৰত্যক্ষ কৰিব পাইছে আৰু তাৰ পৰা জ্ঞান আহৰণ কৰিছে। আজি মানৱ সমাজত দেখা দিয়া বিভিন্ন সমস্যা, স্বাস্থ্য বিষয়ক বিধি পালন, ভিন্ন দিহা পৰামৰ্শ যেনে -সুসম খাদ্যৰ প্ৰয়োজনীয়তা, পৰিয়াল কল্যান আঁচনিৰ উপকাৰিতা, অসুখ হলে চিকিৎসালয়ত পাব পৰা চিকিৎসা,ছাত্ৰ- ছাত্ৰীৰ নানান প্ৰকাৰৰ শিক্ষা এই দূৰদৰ্শনৰ জৰিয়তে প্ৰচাৰ কৰিছে। ইয়াৰ ফলত ছাত্ৰী-ছাত্ৰীৰ ওপৰত সু-প্ৰভাৱ পৰিছে। ইয়াৰ উপৰিও বিজ্ঞানৰ সৰু সৰু কথাবোৰ ঘৰুৱা জীৱনত প্ৰয়োগ কৰি উপকৃত হোৱাৰ কাৰ্য্যকৰী ব্যৱস্থা দূৰদৰ্শনে প্ৰচাৰ কৰে। গতিকে ছাত্ৰ ছাত্ৰীসকলে কেৱল স্কুল বা কলেজীয়া নিৰ্ধাৰিত পাঠ্য পুথিত লিখিত জ্ঞান আহৰণ কৰিলেই মানৱ সমাজত মানুহ হিচাপে শান্তিৰে জীৱন নিৰ্বাহ কৰিব নোৱাৰিব এই বিজ্ঞানৰ কৌশল সমূহ প্ৰয়োগ কৰিব শিকিব লাগিব আৰু ইয়াৰ আহিঁ আমি দেখিবলৈ পাম দূৰদৰ্শনৰ প্ৰচাৰিত কাৰ্যসূচীৰ জৰিয়তে। এই দূৰদৰ্শনত শিশুৰ পৰা বৃদ্ধ লৈ সকলোৰে মনোগ্ৰাহী কৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী প্ৰচাৰ কৰা হয়। মানুহ এজন পূৰ্ণ বিকশিত হবলৈ হলে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক সকলো দিশতে সুস্থ আৰু উপযুক্ত হব লাগিব। ছাত্ৰ- ছাত্ৰী সকলে শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে দেশ-বিদেশত হৈ থকা নানা ধৰণৰ খেলা-ধুলা, যোগাসন আদিৰ আহিঁ দূৰদৰ্শনৰ জৰিয়তে আহৰণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ জটিল পাঠ্যপুথিৰ অধ্যয়ন আৰু ডাঙৰ ডাঙৰ সমস্যা একোটাক কেনেকৈ সমাধান কৰিব পাৰি তাক দূৰদৰ্শনৰ জৰিয়তে আহৰণ কৰিব পৰা যায়। বিশেষকৈ বিজ্ঞান বিভাগৰ ছাত্ৰ ছাত্ৰী সকলক কেৱল শিক্ষাৰ মাজতে আবদ্ধ নাৰাখি তেওঁলোকৰ মনোৰঞ্জনৰ বাবে কাৰ্য্যসূচী দূৰদৰ্শনত ৰখা হৈছে। আৰু মনোৰঞ্জনৰ মাজতে সু-লেখক লেখিকা সকলে পৰোক্ষ ভাৱে শিক্ষাও দিছে। গতিকে ছাত্ৰ ছাত্ৰী তথা জনসাধৰণৰ ব্যৱহাৰিক দিশৰ ক্ষেত্ৰত দূৰদৰ্শনৰ প্ৰভাৱ অপৰিহাৰ্য্য।

কিন্তু দুখৰ বিষয় আধুনিক দূৰদৰ্শনৰ কাৰ্যসূচী সমূহে বিশেষকৈ যুৱ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কু প্ৰভাৱ পেলাব ধৰিছে। পশ্চিমৰ পদুৱাই এইবোৰ খলকনি তুলিছে। ডাঙৰ ডাঙৰ উদ্যোগীক কোম্পানীয়ে জনসাধাৰণ আৰু ছাত্ৰ ছাত্ৰীৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবৰ হকে দূৰদৰ্শনক নিজৰ হাতলৈ নিব ধৰিছে। অলপ সময়ৰে মূৰে মূৰে বিভিন্ন কোম্পানীৰ বিভিন্ন সামগ্ৰীৰ প্ৰচাৰ কাৰ্যই জনসাধাৰণক আৰু ছাত্ৰ-ছাত্ৰীক ব্যতিব্যস্ত কৰি তুলিছে। বিশেষকৈ নাৰী দেহ প্ৰদৰ্শন কৰা প্ৰচাৰ কাৰ্য্যই দূৰদৰ্শনৰ কাৰ্য্যসূচী চানি পেলাইছে আৰু যুৱ মানসিকতাৰ ওপৰত কু প্ৰভাৱ পেলাইছে। ইয়াৰ উপৰি শিক্ষাতকৈ মনোৰঞ্জনৰ ওপৰত বৰ্তমান দূৰদৰ্শনে গুৰুত্ব আৰোপ কৰা দেখা যায়। যি হেতু ছাত্ৰ- ছাত্ৰীৰ বয়স হৈছে মনোৰঞ্জনৰ প্ৰতি আকৃষ্ট, সেই গতিকে নিজৰ কৰ্তব্যক পাহৰি দূৰদৰ্শনৰ সন্মুখত বহি অমূল্য সময় অতিবাহিত কৰে। বং বিনষ্টৰ কাৰ্যসূচীয়ে ছাত্ৰ ছাত্ৰীক পঢ়াৰ পৰা বিৰত কৰি দূৰদৰ্শনৰ কাৰ্যসূচীৰ প্ৰতি মনোযোগ দিয়া দেখা গৈছে। বিশেষকৈ হিন্দী চিনেমা জগতে এই পৰবৰ্তন আনিছে। প্ৰতি সপ্তাহত ৩-৪ খনকৈ কথাছবিৰ উপৰিও বিৰাম বিহীন ধাৰাবাহিক কাৰ্য্যসূচীয়ে ছাত্ৰ ছাত্ৰীক নিজৰ কৰ্তব্যক পাহৰাই পেলাইছে। হিন্দী কথাছবিসমূহ যৌন উত্তেজনা পূৰ্ণ দৃশ্যৰে ভৰা অৰ্থাৎ ই এটা ব্যৱসায়। যৌন উত্তেজনা পূৰ্ণ দৃশ্য, মিছা বাহুবল আৰু নানা ধৰণৰ মৰণাস্ত্ৰৰ প্ৰয়োগে ছাত্ৰ-ছাত্ৰীক উত্তেজিত কৰে যাৰ ফলত সমাজত ছাত্ৰ ছাত্ৰীৰ দ্বাৰা কু-কাৰ্য্য হোৱা দেখা গৈছে। বিলাসীতাপূৰ্ণ এই কথাছবিসমূহে ছাত্ৰ ছাত্ৰীক পঢ়া শুনাৰ পৰা ফালৰি কাটি আনি সাজ পোচাক, চাল চলনৰ পৰিবৰ্তন কৰিয়াই অনা দেখা যায়। কবলৈ গলে আজিৰ যুৱ সমাজৰ যি উশৃংখলতাৰ বাবে দায়ী কৰিব লাগিব এই হিন্দী কথাছবিবোৰক।

দূৰদৰ্শনৰ ইমানবোৰ বেয়া প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰিলেও সি কাৰ্য্যকৰী হব নোৱাৰে যদি " আপোন ভালে জগত ভাল" কথাষাৰ সত্য হয়। বেয়াৰ পৰা শোধিত হৈহে ভালৰ সৃষ্টি হয়। বেয়া অবিহনে ভালৰ সৃষ্টি হব নোৱাৰে। ভাৰতৰ ভিন ভিন ঠাইত মানুহৰ ভাষা যি দৰে সুকীয়া, তেনেদৰে আচাৰ ব্যৱহাৰ গীত নাচ আৰু সাজ-পোচাকৰ ব্যৱহাৰো সুকীয়া। এই বোৰ সকলোৰে একে নহয়। কিছুমানে কাৰোবাৰ কিবা বেয়া পায় আন কিবা ভাল পায়। সেই গতিকে ভোমোৰাই যেনেকৈ ফুলৰ অলাগতীয়াল বস্তবোৰ পান নকৰি তাৰ মূল ৰস পান কৰে ঠিক ছাত্ৰ ছাত্ৰী সকলেও বেয়া আৰু ভালৰ পৰা বেয়াখিনি পৰিহাৰ কৰি তাৰ মূল ৰস পান কৰা উচিত। বেয়া গল্প বা কাহিনী এটাক যদি ভাল দৃষ্টিৰে চোৱা যায় তাৰ পৰা নিশ্চয় কিবা নহয় কিবা এটা লাভ হোৱা আমি দেখিবলৈ পাম। যেনেকৈ "গৰতো পদুম ফুল ফুলিব পাৰে"।

গতিকে দূৰদৰ্শনৰ শিক্ষামূলক সূচীবোৰ যদি ছাত্ৰ-ছাত্ৰী সকলে ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিবলৈ লয় আৰু প্ৰচাৰ কৰা মতে চৰকাৰেও আন্তৰিকতাৰে সেইবোৰৰ কাৰ্যকাৰিতাত সহায় কৰে, তেনেহ'লে দূৰদৰ্শনৰ প্ৰচাৰ কাৰ্যই ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক উপকৃত কৰিব। এই দিশৰ পৰা, অৰ্থ্যাৎ ভাৰতৰ জনসমষ্টিৰ য'ত প্ৰায় শতকৰা ৭০ জন অনাক্ষৰী, তেনে ঠাইত দূৰদৰ্শনৰ প্ৰয়োজনীয়তা আছে। মুঠতে ছাত্ৰ ছাত্ৰী সকলৰ ওপৰত দূৰদৰ্শনৰ শিক্ষাৰ প্ৰয়োগিক দিশটো উলাই কৰিব নোৱাৰি।

(মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

* * *

## - ঃ মহৎ বাণী ঃ -

* মই যদি নাৰী হৈ জন্ম গ্ৰহণ কৰিলোহেঁতেন তেন্তে পুৰুষে নাৰীক খেলাৰ সামগ্ৰী হিচাপে গণ্য কৰি অহা ভ্ৰান্ত ধাৰনাৰ বিপক্ষে বিপ্লৱ কৰিলোহেঁতেন — *মহাত্মা গান্ধী*
* সৰু মনৰ ডাঙৰ মানুহতকৈ ডাঙৰ মনৰ সৰু মানুহ শ্ৰেষ্ঠ — *ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ*
* অতীত আৰু বৰ্ত্তমানক লৈ যদি আমি কাজিয়া কৰো তেন্তে বুজিব লাগিব যে আমাৰ ভৱিষ্যৎ হেৰুৱাইছোঁ। — *উইন্সটন চাৰ্চিল*
* ভয়ৰ জৰিয়তে জন্ম হোৱা ভক্তি কচুপাতৰ পানীৰ দৰেই ক্ষন্তেকীয়া — *হেম বৰুৱা*
* ভগৱানে বং খেমালিৰ বাবে আমাক জন্ম দিয়া নাই জন্ম দিছে মহৎ আৰু বৃহৎ উদ্দেশ্য সাধনৰ নিমিত্তেহে — *হজৰত মহম্মদ*
* ক্ৰোধ মানুহৰ প্ৰধান শত্ৰু। ক্ৰোধ কৰা মানুহে যুদ্ধৰ অন্য কামত ভাগ লব নোৱাৰে — *বাইবেল*

সংগ্ৰাহিকা
বৰ্ণালী কাকতি
একাদশ শ্ৰেণী

# "ছাত্ৰ-ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ"

শ্ৰী পংকজ ফুকন
স্নাতক ১ম বৰ্ষ (কলা)

সম্প্ৰতি দেখা গৈছে যে দূৰদৰ্শন এৰো বুলি এৰিব নোৱৰা এটা বস্তু । বৰ্তমান অৱস্থাত ছাত্ৰ-ছাত্ৰীসকল এই ইলেক্ট্ৰনিক বাকছটোৰ প্ৰতি অধিক আকৰ্ষিত হৈ পৰিছে আৰু ই বহুল ভাবে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

দূৰদৰ্শনে বিভিন্ন দিশত বিশেষকৈ জ্ঞানৰ খোৰাক জগাবলৈ সক্ষম হৈছে। বিজ্ঞান ভিত্তিক অনুষ্ঠান যেনে ঃ- কুইজৰ অনুষ্ঠান, টাৰ্নিং পইণ্টৰ নিচিনা ধাৰাবাহিক ইত্যাদি আৰু অন্যান্য কিছুমান শিক্ষামূলক অনুষ্ঠানে বিশেষকৈ আমাৰ ছাত্ৰ ছাত্ৰী সকলক উপকৃত কৰিবলৈ সক্ষম হৈছে। তাৰ উপৰিও পৃথিৱীৰ বিভিন্ন অঞ্চলৰ ঘটনাৱলী প্ৰাকৃতিকেই হওক বা ৰাজনৈতিকেই হওক দূৰদৰ্শনে আমাক দেখুৱাবলৈ সক্ষম হৈছে, আৰু এই সমূহ আমাক বিশ্লেষণ কৰি চাবলৈ সুবিধা দিছে। দূৰদৰ্শন যোগে বিশিষ্ট লোক সকলৰ আৰ্দশ, মতামত, তেখেত সকলৰ অৱদান ইত্যাদিৰ লগত আমি মুখামুখি হওঁক।

দূৰদৰ্শনে ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত ইতিহাসৰ ক্ষেত্ৰটো প্ৰভাৱ বিস্তাৰ কৰিছে। দূৰদৰ্শনে কিছুমান তথ্য চিত্ৰ প্ৰচাৰ কৰে যি সমূহৰ পৰা আমি কিছুমান ইতিহাস মূলক জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছোঁ। তাৰ উপৰি দূৰদৰ্শনযোগে প্ৰচাৰিত হোৱা বুৰঞ্জীমূলক ধাৰাবাহিক যেনে ঃ- টিপু চুলটান, গ্ৰেট মাৰাঠা ইত্যাদিয়ে আমাক বহুতো ইতিহাস মূলক প্ৰতিচ্ছবি দাঙি ধৰিছে।

দূৰদৰ্শনে সংগীত জগতলৈ আমুল পৰিৱৰ্তন আনিলে। ইয়াৰ প্ৰভাৱ ছাত্ৰ ছাত্ৰী সকলৰ মাজত কিছু হলেও পৰিছে। বিশ্লেষণ কৰি চালে দেখা যায় ভাৰতৰ বিভিন্ন ধৰণৰ সংগীত নৃত্যৰ প্ৰচলন আছে, আৰু এই সমূহ দূৰদৰ্শন যোগে শুনিবলৈ আৰু দেখিবলৈ পাইছোঁ। মই ভাবো যদিহে দূৰদৰ্শন আৱিষ্কাৰ নহল হেঁতেন, বৰ্তমান আমি এই বিভিন্ন অঞ্চলৰ লোক সংস্কৃতিৰ লগত পৰিচিত বৰ্তমানৰ দৰে নহলোঁহেঁতেন। তাৰ উপৰিও পৃথিৱীৰ বিভিন্ন অঞ্চলৰ সংস্কৃতি দূৰদৰ্শনে আমাৰ চকুৰ আগত দাঙি ধৰিছে। ভাৰতৰে বিভিন্ন অঞ্চলত বিভিন্ন সংস্কৃতি আৰু এই সমূহৰ নাম মাতহে আমাৰ পাঠ্যপুথিত পঢ়িবলৈ পাইছোঁ, কিন্তু দূৰদৰ্শনে প্ৰায় বিলাক অঞ্চলৰ সংস্কৃতিৰ লগত আমাক পৰিচয় কৰাই দিছে।

দূৰদৰ্শনে ছাত্ৰ-ছাত্ৰীৰ মাজত ধৰ্মীয় দিশটো প্ৰভাৱ বিস্তাৰ কৰিছে। দূৰদৰ্শনে ধৰ্মীয় মূলক কিছুমান ধাৰাবাহিক প্ৰচাৰ কৰিছে। যেনে বাইবেল, ৰামায়ণ, মহাভাৰত ইত্যাদিবোৰ কম পৰিমাণে হলেও আমাক ধাৰণা দিছে।



দূৰদৰ্শনে ক্ৰীড়া ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক বিশেষ ধৰণে আগবঢ়াইছে, যিহেতু দূৰেদৰ্শনে বিশ্বৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা খেলসমূহ আমাক দেখুৱাবলৈ সক্ষম হৈছে। এই সমূহ উপভোগ কৰাৰ ফলত আমাক ক্ৰীড়াৰ ক্ষেত্ৰত কিছু হ'লেও আকৰ্ষিত কৰিছে। বিশেষকৈ বিশ্ব শৃংখলাত অনুষ্ঠিত হোৱা খেল সমূহ আমি ঘৰত বহিয়েই উপভোগ কৰিছো যিটো দূৰদৰ্শন অবিহনে সম্ভৱ নহলহেঁতেন। বহু সংখ্যক ছাত্ৰ-ছাত্ৰী নতুন কিছুমান খেলৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে, আৰু প্ৰশিক্ষণ লবলৈ ওলাই আহিছে। তাৰউপৰিও খেল জগতৰ তাৰকা সকলৰ জীৱন অধ্যয়ন কৰিবলৈ আমি সক্ষম হৈছোহঁক।

দূৰদৰ্শনে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যদিও সু-ফল দিছে, সেইদৰে কু-প্ৰভাৱো পেলাইছে। অভিভাৱকসকলৰ উপদেশ আৰু বলপ্ৰয়োগৰ স্বত্বেও শিশুৰ পৰা আৰম্ভ কৰি কলেজ পৰ্য্যায়লৈকে





অ-প্ৰাসঙ্গিক কিছুমান কাৰ্য্যসূচিয়ে অধিক আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে। এই সমূহৰ পৰা সম্পৰ্ক এৰাব নোৱাৰা হৈ পৰিছে। সাম্প্ৰতি এম. টি. ভি., জি টি. ভি বা মেট্ৰ চেনেল আদিৰ সংখ্যাধিক মাক দেউতাক, লৰা ছোৱালীৰ কাষত থিয় দিছেহি। স্কুল কলেজত দূৰদৰ্শনৰ কিছুমান অনুষ্ঠানক লৈ যি গৰম আলোচনাৰ জন্ম হয়, সেই বোৰ দেখিলেহে বা শুনিলেহে ছাত্ৰ ছাত্ৰীৰ ওপৰত পৰা কু-প্ৰভাৱ অনুমান কৰিব পৰা যায়। দূৰদৰ্শনৰ অন্যান্য সা-সুবিধা বা সু-উদ্দেশ্যজনিত অনুষ্ঠানৰ কথা বাদ দি আজি দেখা গৈছে যে ভাৰতীয় দূৰদৰ্শনতো পশ্চিমীয়া সংস্কৃতিয়ে অধিক গা কৰি উঠিছে। ফলত বহুতো ছাত্ৰ ছাত্ৰী নিজৰ সহনশীলতাৰ অভাৱৰ বাবে নতুন কেতবোৰ বিদেশী বস্তুৰ প্ৰতি , যেনে ঃ- সংস্কৃতি বা সাহিত্য ক্ষেত্ৰতেই হওক, জীৱন ধাৰণ, খোৱা-লোৱা, ইত্যাদিবোৰক অনুসৰণ কৰিবলৈ লৈছে।

দূৰদৰ্শনৰ জৰিয়তে বিভিন্ন টি. ভি. চেনেল সমূহ ক্ৰমাগত বৃদ্ধি পোৱাৰ ফলত অনুষ্ঠান সমূহৰ মান ক্ৰমাগত নিম্নগামী হবলৈ ধৰিছে। এই চেনেল বিলাকে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ গৈ কেতবোৰ অপ্ৰাসংগিক আৰু কৃত্ৰিম প্ৰথাত অৱতীৰ্ণ হৈছে। হিংস্ৰতা আৰু যৌনতাই হ'ল এই অনুষ্ঠান বিলাকৰ মূল দিশ। সেয়েহে এনে অনুষ্ঠানবোৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীক মগজুৰ যুক্তিপূৰ্ণ চিন্তাবোৰক ঢাকি থৈ এখন কাল্পনিক ৰাজ্যত সোমাই পৰিছে। এই মায়া জালত ভৰিদিয়েই বিশেষকৈ কিছুমান ছাত্ৰ অসামাজিক কামত লিপ্ত হয়। বিভিন্ন চহৰ অঞ্চলত বৃদ্ধি পোৱা কৈশোৰ অপৰাধবোৰৰ লগত যে বজকৰা ইংৰাজী-হিন্দী চিনেমাৰ উপৰিও টি. ভি. ৰো যে অৱদান নাই সেই কথাটো নুই কৰিব নোৱাৰি। এই নিম্ন মানদণ্ডৰ অনুষ্ঠানৰ বা চিনেমাৰ দ্বাৰা বহুতো ছাত্ৰ-ছাত্ৰী মই শুনামতে অসামাজিক কামত লিপ্ত হোৱা বুলি স্বীকাৰ কৰিছে।

দূৰদৰ্শনৰ ওপৰত সদ্যহতে প্ৰকাশ পোৱা এক সমীক্ষাত, দৰ্শকে দূৰদৰ্শনৰ ওপৰত দিয়া মতামত মতে, তেওঁলোকৰ ল'ৰা ছোৱালীৰ বাবে প্ৰয়োজনীয় শিক্ষামূলক অনুষ্ঠান অজিকালি প্ৰচলিত ব্যৱসায়িক চেনেলত পোৱা নাযায়। কিছু সংখ্যকে ভাবে যে দূৰদৰ্শন বা অন্যান্য চেনেল সমূহৰ কাৰ্য্যক্ৰমৰ ফলত তেওঁলোকৰ ল'ৰা ছোৱালী সমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। আকৌ কিছু সংখ্যক লোকে ভাবে যে দূৰদৰ্শনে তেওঁলোকৰ ল'ৰা ছোৱালীক খেলাধূলা বা অন্যান্য সামাজিক কাৰ্য্য ক্ষেত্ৰৰ পৰা আঁতৰ কৰি আনিছে।

গতিকে এই সমূহৰ পৰা যি বুজা যায় ভাৰতীয় দূৰদৰ্শনক যদিহে নিয়ন্ত্ৰণলৈ আনিব পৰা নাযায় তেন্তে ছাত্ৰী-ছাত্ৰীক শিক্ষাৰ ক্ষেত্ৰত বাধা ৰূপে থিয় দিব। তাৰউপৰিও ভাৰতীয় সংস্কৃতি, পশ্চিমীয়া সংস্কৃতিৰ মাজত সোমাই বিলুপ্তিৰ পথলৈ আগবাঢ়িছে।

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত )

* * *

## ঃ কুইজ ঃ

প্ৰশ্ন ঃ-

১। নীলীমত বিক্ৰী হোৱা সাম্ৰাজ্য খনৰ নাম কি?
২। পৃথিৱীৰ সৰ্বাধিক বোমা বৰ্ষন হোৱা ৰাষ্ট্ৰখনৰ নাম কি?
৩। ঘৰ জেউতি কি?
৪। কি পক্ষীয়ে পোৱালীক স্তনৰ গাখীৰ খুৱায়?
৫। ডিস্কো শব্দৰ অৰ্থ কি?

উত্তৰ ঃ-

১। ৰোম সাম্ৰাজ্য, ই বিক্ৰী হৈছিল ১৯৩ খৃঃত।
২। ইৰাক।
৩। অসমৰ প্ৰথম মহিলা আলোচনী।
৪। অষ্ট্ৰেলিয়াত "ডাকবিল" (DUCK BILL) নামেৰে এবিধ চৰায়ে কণী পাৰে। কিন্তু পোৱালীক স্তণৰ গাখীৰ খুৱায়।
৫। বেতিয়া, যেনেকুৱা।

সংগ্ৰাহক
ম. আমিৰউদ্দিন আহমেদ
স্নাতক ২য় বৰ্ষ

# "ছাত্ৰ-ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ"

বণি মহম্মদ
স্নাতক ১ম বৰ্ষ (কলা)

দু-আষাৰ কথা লিখাৰ আগতে মই এষাৰ প্ৰচলিত কথা লিখিব বিচাৰিছোঁ। "আপোন ভালেই জগত ভাল" এই কথাষাৰ পৃথিৱীত নজনা মানুহ বহুত কম।

দূৰদৰ্শনে আমাক কি দেখুৱাইছে সেইখিনি কথা আমি দুটা ভাগত ভাগ কৰিব পাৰোঁ, ভাল আৰু বেয়া; এতিয়া যদি আমি তাৰে ভালখিনি ল'ব পাৰোঁ তেনেহলে আমাৰ অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ ওপৰত বহুত ভাল প্ৰভাৱ পৰিব পাৰে। ইয়াৰ বাবে মাত্ৰ আমাক কিছু অভিজ্ঞতাৰ দৰকাৰ যাতে আমি ভাল বেয়া বিচাৰ কৰিব পাৰোঁ। প্ৰকৃত অভিজ্ঞতাই মানুহক সৎ আৰু সুন্দৰ জীৱন যাপন কৰাত সহায় কৰে। আৰু এই অভিজ্ঞতা আমি কিছু পৰিমাণে দূৰদৰ্শনৰ পৰা লাভ কৰিব পাৰোঁ। মহামানৱ চক্ৰেটিছৰ মতে জীৱনৰ অভিজ্ঞতাই হ'ল শিক্ষা আৰু অভিজ্ঞতাও আমি দূৰদৰ্শনৰ পৰাই পাম। ১৯২৬ চনত ইংলেণ্ডৰ জন এল বেয়াৰ্ডে টেলিভিচন আৱিষ্কাৰ কৰে। এতিয়া কথা হ'ল তেওঁ এই আচৰিত বস্তু এটা কি কাৰণে আৱিষ্কাৰ কৰিলে। আমি জানো সকলো বস্তুৰে এটা উদ্দেশ্য থাকে। তেওঁ টেলিভিচন আৱিষ্কাৰ কৰোঁতে কি উদ্দেশ্য লৈছিল? মনোৰঞ্জন নে ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া নে বেয়া কৰা? এতিয়া যদি আমি এই তিনিটা বিষয় অৰ্থাৎ মনোৰঞ্জন, ছাত্ৰ-ছাত্ৰীক ভাল জ্ঞান দিয়া আৰু বেয়া কৰা ইত্যাদি আলোচনা কৰোঁ তেনে হ'লে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কি প্ৰভাৱ পৰে সেই কথা কিছু হলেও উপলব্ধি উঠিব। টেলিভিচন পৃথিৱীৰ এটা গৌৰব। এই গৌৰব যিয়ে আৱিষ্কাৰ কৰিছে সিও এদিন নিশ্চয় ছাত্ৰ আছিল। সেই আৱিষ্কাৰৰ মনোৰঞ্জন যিয়ে উপভোগ কৰে সেইবোৰো ছাত্ৰ-ছাত্ৰীয়ে হয়। পাৰ্থক্য মাথো এয়ে যে কিছুৰে ছাত্ৰ জীৱন আৰম্ভ কৰিছে আৰু কিছুৰে ছাত্ৰ জীৱন এৰিছে। এই এৰা আৰু আৰম্ভ কৰা প্ৰত্যেকটো ব্যক্তিয়ে ভালবেয়াৰ জ্ঞান দূৰদৰ্শনৰ পৰা কিছু হলেও লৈছে। যি ভালে দেশৰ কিছু মানুহক উন্নতিৰ পথত নিছে আৰু কিছুক ধ্বংস কৰিছে।

কিন্তু প্ৰশ্ন উঠে যিয়ে উন্নতি কৰিছে কিয় কৰিছে। সিহঁতে দূৰদৰ্শনৰ পৰা কি লাভ কৰিছে। ফলত সেই ছাত্ৰ-ছাত্ৰীয়ে উন্নতি কৰিছে। আৰু যিয়ে ধ্বংস হৈছে কিয়। সিওটো দূৰদৰ্শনত একেটা বস্তুৱে চাইছে, কিন্তু সম্পূৰ্ণ বিপৰীত কিয়? ইয়াৰ বাবে আমি কাক দায়ী কৰিম। দূৰদৰ্শনক নে সেই বেয়াখিনি একত্ৰিত কৰা মানুহ জনক? যদি মানুহজনক তেনেহলে কিয় মানুহজনক আৰু যদি দূৰদৰ্শনক কিয় আমি দূৰদৰ্শনক ইয়াৰ দায়ী বুলি কম সেই প্ৰশ্ন আমাৰ মনত উঠে। কিন্তু উত্তৰ কি হব আমি কেতিয়াবা জানিব চেষ্টা কৰিছোঁ নে? ছাত্ৰানাং অধ্যয়নং তপঃ। কিন্তু সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন নামৰ অভ্যাসক দূৰতে বিদুৰ কৰি সাৱটি লৈছে অত্যাধুনিকতাক। ইয়াতে যে দূৰদৰ্শনৰ প্ৰভাৱ নাই সেইকথা নহয়, আছে কিছু পৰিমানে আছে কিন্তু যাৰ দায় আমি অকল দূৰদৰ্শনক নহয় অভিভাৱক, সমাজ, লগ বন্ধু সকলোকে কিছু পৰিমানে দায়ী কৰ পাৰি। কিন্তু আমি সেই বিপথে যোৱা ছাত্ৰক পাহৰিব নোৱাৰো কাৰণ আচল অৰ্থাৎ প্ৰধান দায়ীয়েই হ'ল ছাত্ৰজন নিজে। সমাজত উন্নতি লুপ্ত হোৱা নাই উন্নতি বাঢ়িছে। সমাজখন আজি নিজে সৰু হৈ পৰিছে যাক নেকি আমি ঘৰত বহিয়েই দূৰদৰ্শনত গোটেই পৃথিৱী খন দেখিছোঁ। দেশ বিদেশৰ জ্ঞান পাইছো। দেশত কি ঘটিছে ঘৰত বহি বহি দূৰদৰ্শনৰ দ্বাৰা জানিব পাৰিছোঁ। অকল জনাই নহয় দেখিছোঁ আৰু সেইবোৰৰ লগত নানা ধৰণৰ খেল ধেমালী, বিজ্ঞানৰ শিক্ষা, নানান ধৰণৰ মনোৰঞ্জন সমাজত আঁকোৱালী লৈ দূৰদৰ্শনে নিজৰ স্থান গঢ়ি আছে। এই স্থান দূৰদৰ্শনে কাৰ পৰা পাইছে। দেশৰ ছাত্ৰ-ছাত্ৰীৰ পৰা। যদি দূৰদৰ্শনে আমাৰ কাৰণে নিজৰ স্থান গঢ়িছে তেনেহ'লে আমি দূৰদৰ্শনৰ পৰা কিয় নোৱাৰো? দেশত বিষাক্ত সামাজিক, ৰাজনৈতিক অৱস্থা, অস্থিৰ বাতাবৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নতিৰ অন্তৰায়। আজি ৰাজনীতিয়ে দূৰদৰ্শনক কিছু আঁকোৱালী ৰাখিছে। দূৰদৰ্শনে কিছুমান এনে কাৰ্য্যসূচী দেখুৱায় য'ত ৰাজনীতিৰ হিংসাত্মক ঘটনাবোৰ দেখা যায়। যাৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ওপৰত বহু পৰিমানে পৰে। ৰাজনীতিত হোৱা নানা ধৰণৰ কু-নীতি দূৰদৰ্শনত দেখা যায় যি বোৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। বৰ্ত্তমান পৃথিৱীত প্ৰচলিত হোৱা চলচিত্ৰবোৰ নানান ধৰণৰ বিষয়ত ওলাইছে যাক চাবলৈ প্ৰাপ্ত বয়স্কৰ দৰকাৰ কিন্তু সেইবোৰ জানো কোনোবাই মানিছে? দূৰদৰ্শনতে হওক বা চিনেমা হ'লতে হওক বহু পৰিমানৰ ছাত্ৰ-ছাত্ৰীয়ে সেই বোৰ যে চায় তাক প্ৰমান নকৰিলেও হ'ব। ছাত্ৰ সমাজৰ যি নৈতিক অৱক্ষয় ঘটিছে তাক কোনেও অসত্য বুলি কব নোৱাৰে। অৱশ্যে সকলো ছাত্ৰ-ছাত্ৰীৰে নৈতিক অৱক্ষয়ৰ মূলতে হ'ল কৰ্ত্তব্যবোধৰ অজ্ঞতা। ইয়াৰ আনুসঙ্গিক সহায় হৈছে বৰ্ত্তমান প্ৰচলিত নিচাযুক্ত দ্ৰব্য, আৰু এই





নিচাযুক্ত দ্ৰব্য সেৱন নকৰিবলৈ আৰু দ্ৰব্য সেৱন কৰিলে কি অৱস্থা হয় সেই বিষয়ে দূৰদৰ্শনত স্পষ্টকৈ দেখুৱাই দিয়ে। যদি জ্ঞান থকা ছাত্ৰ-ছাত্ৰী হয় তেনেহলে সি এবাৰ চালে বুজিব। কিন্তু তাৰ বাবে আমাৰ জ্ঞানৰ দৰকাৰ। প্ৰথম উল্লেখ কৰিছো জীৱনৰ অভিজ্ঞতাই হ'ল শিক্ষাৰ মূল। আৰু এই অভিজ্ঞতা আমি কিছুপৰিমাণে যে দূৰদৰ্শনৰ পৰা পাম সেই কথাও বহুপৰিমানে সত্য যাক প্ৰমাণ কৰিব পাৰি।

আজিৰ সমাজত বহু ধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে দূৰদৰ্শনত দেখুওৱা নানা ধৰণৰ ব্যৱসায়, বিজ্ঞান সম্মত জ্ঞান আদি লাভ কৰি নিজৰ বাস্তৱ জীৱনৰ লগত সেই জ্ঞান ব্যৱহাৰ কৰিছে আৰু কোনো ফালৰ পৰা পিছ পৰি থকা নাই। সমাজত যি ছাত্ৰ-ছাত্ৰীয়ে চাকৰিমুখী জীৱন যাপন কৰাৰ বাবে অপেক্ষা কৰি থাকে সেই সকলৰ বাবে দূৰদৰ্শনে এটা বাতৰি প্ৰচাৰ কৰে যাৰ ফলত সেই সকল ছাত্ৰ-ছাত্ৰীয়ে চাকৰি পোৱাত সহায় পায়। কিন্তু সমাজত এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিয়ে মাথো কৰিব নলগীয়া কাম সেইটো কৰিছে। ফলস্বৰূপে অনিশ্চিত ভৱিষ্যতৰ হতাশাজনক ছবিখনে ছাত্ৰ-ছাত্ৰীক সমাজত বিপথে যোৱাত সহায় কৰিছে, আমি সেইখন চাবলৈ ব্যাকুল হৈ পৰিছোঁ দূৰদৰ্শনতে হওক বা চিনেমা হ'লতে হওক। তাৰ বিপৰীতে যদি এখন আদৰ্শবাদী চিনেমা দূৰদৰ্শনত প্ৰচাৰ কৰে তেনেহ'লে বহু ছাত্ৰ-ছাত্ৰীয়ে তাক "ব'ৰ" চিনেমা বুলি নাচায়। এই কথা সমাজৰ প্ৰত্যক ছাত্ৰ-ছাত্ৰীয়ে, অভিভাৱকে চিন্তা কৰি চাইছেনে? দূৰদৰ্শনে সমাজত ইমান ডাঙৰ কাৰ্য্য কৰি আছে, যদি দূৰদৰ্শনে আৰু এটা উপকাৰ কৰিলে হয় যদি দূৰদৰ্শনত প্ৰকাশ কৰা ভালবেয়াৰ মাজৰ পৰা বেয়া খিনি আঁতৰাই অকল ভাল খিনি প্ৰকাশ কৰিলেহেঁতেন তেনেহলে আমাৰ ছাত্ৰ সমাজৰ বহু খিনি উপকাৰ হ'লহেঁতেন। যাৰ ফলত সমাজৰ প্ৰত্যকটো ছাত্ৰ-ছাত্ৰীৰ ওপৰত ভাল প্ৰভাৱ পৰিলে হয়। বেয়া খিনি আঁতৰাই নিদিলে আমি জানো ভালখিনি চাই বেয়া খিনি বাদ দিব নোৱাৰো? যদি নোৱাৰো, কিয় আমি কেতিয়াবা ভাবি চাইছোনে?

মাক দেউতাকে ল'ৰা-ছোৱালীক সৰুতে কিছুমান সৰু সুৰা কথা শিকায় ঠিক সেইদৰে দূৰদৰ্শনে ছাত্ৰ-ছাত্ৰীক বহুটো নজনা কথা জনাবলৈ চেষ্টা কৰে। প্ৰত্যেক দিনেই দূৰদৰ্শনে কুইজ প্ৰচাৰ কৰে, তাত দেশৰ চুকে কোনে থকা ল'ৰা ছোৱালীবোৰে ভাগ লয় আৰু নিজৰ জ্ঞান প্ৰকাশ কৰে। আজি ছাত্ৰ-ছাত্ৰীয়ে দূৰদৰ্শনত হোৱা এখন চিনেমা যদি বেয়া দেখায় তেনেহ'লে নিশ্চয় তাৰ পৰিণামো দেখুৱাই। গতিকে ক'ব পাৰি যে দূৰদৰ্শনে আমাৰ ছাত্ৰ সমাজত ভাল বেয়া দুয়োটাই কিছু পৰিমানে প্ৰভাৱ পেলায় কিন্তু আজি ছাত্ৰ সমাজে তাক একত্ৰিত কৰিব জানিব লাগে যাতে আমি ভালখিনি আঁকোৱালী লব পাৰোঁ।

(মহাবিদ্যালয় সপ্তাহত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত)

"চৰিত্ৰ অন্তৰাত্মাৰ গুণ। অন্তৰৰ পৰা অন্যায়ৰ অভিলাষ, নুগুচিলে চৰিত্ৰ কেতিয়াও নিৰ্মল নহয়। অন্যায়লৈ আন্তৰিক ঘৃণা আৰু ন্যায়লৈ আন্তৰিক আগ্ৰহ জন্মিলেহে চৰিত্ৰ নিৰ্মল হয়"

# 'অৰুণ' ৰ সম্পাদনা সমিতি ঃ



বাওঁফালৰ পৰা ক্ৰমে ঃ সৰ্বশ্ৰী কুশল চন্দ্ৰ কলিতা (সম্পাদক), বীণা চৌধুৰী (অধ্যাপিকা সদস্য), বেৰকান্ত হাজৰিকা (সভাপতি ) ডঃ নমিতা ডেকা (তত্বাৱধায়িকা), জাকিৰ আলী (ছাত্ৰ সদস্য),
অনুপস্থিতঃ শ্ৰীযুতা নন্দিনী বৰুৱা (অধ্যাপিকা সদস্য)

# আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকল ঃ




প্ৰথমশাৰী, বহি (বাওঁফালৰ পৰা) - ডঃ প্ৰতিভা ঠাকুৰীয়া, শ্ৰীমতী চাৰণ কউৰ, শ্ৰীযুত ৰেৱকান্ত হাজৰিকা (অধ্যক্ষ), ডঃ ৰীতা শৰ্ম্মা, ডঃ নমিতা ডেকা, শ্ৰীমতী জয়জ্যোতি গোস্বামী।
দ্বিতীয়শাৰী, থিয় হৈ (বাওঁফালৰ পৰা) - শ্ৰীখগেন বড়ো, শ্ৰীমতী প্ৰণীতা শৰ্ম্মা, শ্ৰীমতী মঞ্জৰী শৰ্ম্মা, শ্ৰীমতী ৰীণা চৌধুৰী, শ্ৰীমতী ধৰিত্ৰী ঠাকুৰীয়া, শ্ৰীমতী ভাস্বতী বৰুৱা, শ্ৰীশশীমোহন দাস, শ্ৰীবাতুল বৰা, জেবিন আখটাৰ, শ্ৰীমতী সুনীতা আগৰৱালা, শ্ৰীমতী সুমিত্ৰা চৌধুৰী, শ্ৰীসুনীল তালুকদাৰ।
অনুপস্থিত ঃ ডঃ ৰাণী মুদিয়াৰ ডেকা, শ্ৰীমতী নন্দিনী বৰুৱা , শ্ৰীমতী অনুৰাধা শইকীয়া, শ্ৰীমতী ইন্দ্ৰানী চৌধুৰী, নাজ্নিনআৰা বেগম, শ্ৰীমতী ৰাবী বৰুৱা।

# কবিতা কানন



# হাঁহি

শ্ৰীপিনাকী কলিতা
প্ৰথম বাৰ্ষিক (কলা শাখা)



অন্য প্ৰাণীৰ কথা বাদেই, মানুহে কিন্তু হাঁহে।
শিশুৰ পৰা বুঢ়ালৈ বাধা নোপোৱাকৈ হাঁহে॥
হাঁহি হাঁহি মচগুল হয়, হাঁহি হাঁহি কান্দে।
পোৱা নোপোৱাৰ বেদনাতো— হাঁহি এবাৰ আহে॥
দুখীয়া,ধনী, ৰজা পাত্ৰ, সকলোৱেতো হাঁহে।
হাঁহিৰ কিন্তু লক্ষণ আছে, চৰিত্ৰত সোমাই আঁহে আঁহে
দাম্ভিক হাঁহি, কুটিল হাঁহি, হাঁহি মিচিকিয়া।
ঘন হাঁহি, পাতল হাঁহি, হাঁহিৰ সীমা নাইকিয়া॥
হো হোকৈ হাঁহিত কিন্তু দাম্ভিকৰ চিন পাওঁ।
হেহ্ হেহ্কৈ হাঁহিৰ ললিত অৱজ্ঞাৰ চিন পাওঁ॥
হাঃ হাঃ কৈ হাঁহিৰ কোলাত, খোলা মনৰ সাঁচ।
হিঃ হিঃ হিঃকৈ হহাঁজনৰ অন্তৰ খুলি নাচ॥
মৃদু হাঁহিৰ আঁৰত আছে দেৱলোকৰ চিন।
ফাচ ফুচকৈ হাঁহিত যায় অন্তৰ আত্মালীন॥
দুখীলোকৰ হাঁহিৰ লগত হুমুনিয়াহ আহে।
চকুলো এটোপা লগত লৈ সুখী লোকে হাঁহে॥
খোলা হাঁহি স্বাস্থ্যৰ বাবে বৰ উপকাৰী।
ফুটি নুঠা হাঁহিত কিন্তু লভে ব্ৰতচাৰী॥
হাঁহিৰ নজনা মানুহ ভাই বৰ কঠুৱা হয়।
অতিকৈ হঁহা ব্যক্তিও কিন্তু পাতল মনৰ হয়॥
হাঁহিৰ নজনা মানুহ ধৰ্ম্মত পৰে বাঁহি।
নাৰীক কৰিবা বৰ্জন যদি ঘনে থাকে হাঁহি॥
হহাঁ আৰু হহুওঁৱা পবিত্ৰ আত্মাৰ চিন।
খেক্ খেক্কৈ হঁহা শিশু স্বৰ্গৰ অমৃত॥
এনে হাঁহি দুখীলোকৰ কিয় মাৰ যায়?
হাঁহিৰ দিন নিয়াজনকো দেখোন কাল নিয়তিয়ে পায়!

# সংঘাত

শ্ৰীশিখা পাঠক
দ্বাদশ শ্ৰেণী (২য় বৰ্ষ)

উকা কাগজৰ জানো
আছে কিবা মূল্য
যদিহে তাত লিখা নাই
জীৱনৰ সংঘাত।



সংঘাতে যদি আনে মোৰ জীৱনলৈ
যুদ্ধৰ প্ৰত্যাহ্বান।
তেন্তে নিশ্চয় আদৰি লম
স্ব-ইচ্ছাই।

সংঘাতেই যদি আনে
জীৱনলৈ নব কিৰণ
নকৰোঁ মই ভয়
সেই জীৱন সংঘাতলৈ।





# কবিতা

শ্ৰীমানস জ্যোতি গগৈ
স্নাতক প্ৰথম বাৰ্ষিক (কলা শাখা)

ভাবিছিলোঁ এটি কবিতা লিখিম
কিন্তু আজিও কবিতা লিখা নহ'ল।
পৰ্ব্বতৰ গিৰি পথৰ দৰে একা বেঁকা
ভাৱৰ বুৰ বুৰণিৰ মাজত হেৰাই গ'ল
মোৰ কবিতাৰ ছন্দ,
শব্দৰ অপৰূপ মালাধাৰ
ফুলনিত ফুলে ফুলে উৰি ফুৰা
পখিলাজনীয়ে হৰি নিলে
মোৰ কবিতাৰ সুৰ, লয়।
আৰু - - - - - - - - -
হিমালয়ৰ শিখৰত থকা
চেঁচা বৰফৰ টুকুৰাৰ দৰে
বুকুৰ মাজতে আবদ্ধ হৈ ৰ'ল
অনাদৃত জীৱনৰ ছন্দহীন কবিতা।



***

# আল্লাৰ সৃষ্টি



মঃ জাকিৰ হুচেইন
স্নাতক ২য় বৰ্ষ

আল্লায়ো মনত ভাবিছিল বোধহয়
আদমৰ সৃষ্টিৰ কথা;
হঠাতে এদিন জিব্ৰাইলক কয়
লৈ আহা মাটি এটুকুৰা।
সেই মাটিৰে আদমে তৈয়াৰ
কৰিলে খোদা পাকে;
পৰ্ব্বত পাহাৰ নৈ,বিল,সাগৰ
আদিৰে পৃথিৱী পাতে।
পিয়াহত পানী নিশাহত বায়ু
ক্ষুধাত খাবলৈ খাদ্য;
সকলো বিলাক তৈয়াৰ কৰি
কৰিলে খেন্দাই ধন্য।
মানুহ গৰু কত জীৱ-জন্তু
পৃথিৱীত দিলে পঠিয়াই;
আল্লাৰ হুকুমত চলিলে সকলোৱে
সুখময় কৰিলে এই ঠাই

***

# সপোন

শ্রী ইবা জ্যোতি মেধি
উচ্চতৰ মাধ্যমিক
(১ম বৰ্ষ) কলা শাখা



" মে - - - - ও - - - - - ও" - - -
শব্দটো মোৰ নিচেই কাষত।
দোভাগ ৰাতি,
দুটি প্ৰহৰৰ সমাপ্তি।



লেপখন মূৰে গায়ে আজুৰি ললোঁ;
খৰ খেদাকৈ।
কাল ৰাত্ৰিৰ ক'লা মেকুৰী
নে আন কিবা?

টিক টিককৈ ৰঙা - - - - -
দুটা চকু। হিংস্ৰতাৰ তৰংগ কণা;
থিক মোৰ ফালেই নিক্ষেপিত।

কলিজাত,
কলঘৰৰ হিঁচ হিঁচ শব্দৰ কোলাহল;
লেপখন দাঙি চোৱাৰ সাহস কণো দুৰ্বাৰ;
কাণত আঙুলিৰে থিলা মাৰি,

চকু দুটা মুদি দিলোঁ।
হে ভগৱান!
বাৰে বাৰে মনলৈ আহে ককা দেউতাৰ সাধুকথাৰ
দাঁত নিকটোৱা ভূতবোৰ।

খন্তেক নীৰৱ।

মূৰটো উলিয়াই চাই পঠিয়ালোঁ।
খিৰিকিৰ কাষতে সৌটো কি!
সিচোন মোৰ ফালেই
আগুৱাই আহিছে;

ওঁঠত তেজৰ লেলৰতি;
হয়তো এই মাত্ৰ মৰিশালীত
কেঁচা মঙহ চোবাইছিল।
জোঙা নখ কেইটা
মোৰ ডিঙিত হেঁচি ধৰিবলৈ উদ্যত।
মৃত্যু মোৰ নিচেই সমীপত।

মা - - - - - আ - - - - আ - - - - - আ - - - -
চিঞৰিবও নোৱাৰোচোন!
মাতটো ক'ত হেৰাল বাৰু ?

হঠাৎ,
লাইটো জ্বলি উঠিল
চকুমেলি দেখিলোঁ
ৰঙা পৰ্দাখন বতাহতে হালি আছে।

(খিৰিকীখন ৰাতি বন্ধ কৰিবলৈ পাহৰিলোঁ।)

* * *





# মৃত্যু

শ্ৰীমনোজ কুমাৰ নাথ,
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)



মই নকৰোঁ, মৃত্যুলৈ ভয়
আহিছোঁ অকলে যামগৈ অকলে,
সেই সুন্দৰ, ধুনীয়া লগা
চিৰদিনীয়া ঘৰটোলৈ।
বহুতে মৃত্যু বৰণ কৰে
কু-ৰাজনীতিৰ পাশাত,
বহুতে মৃত্যু বৰণ কৰে
ধন-দৌলতৰ আশাত।
মৃত্যুক নালাগে মোৰ ভয়
কেনেকৈ কৰো বাৰু শোষণকাৰীক জয়,
নালাগে শোষণকাৰীক দমন কৰিবলৈ অস্ত্ৰ
ত্যাগ কৰিব লাগিব নিজ স্বাৰ্থ।
মৃত্যু যদি হয় মোৰ দেশৰ বাবে
আনন্দিত হম মই তাৰ বাবে।
মৃত্যুক কেতিয়াও নকৰিবা ভয়
ভাল কাম কৰিলে এদিন জয় আছে নিশ্চয়।
বেয়া কাম কৰে মানুহে যেতিয়া
দেশক শোষণ কৰা হয় তেতিয়া,
দেশৰ বাবে কাম কৰি মৃত্যু হয় যেতিয়া
শ্বহীদ বুলি কওঁ আমি তেতিয়া।
হে মাতৃভূমি "জয় আই অসম" বুলি আবেলি বেলাত
মৃত্যু বৰণ কৰিম তোমাৰ কোলাত,
তোমাৰ কোলাত।

। । ।

# হেৰোৱা সুবাস বিচাৰি

শ্ৰীতন্ময় কুমাৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ
কলা শাখা




সাৰে আছো উজাগৰী ৰাতি
মনৰ মাজত মোৰ হেজাৰ ভাবৰ উন্মেষ
বাহিৰত শেৱালীৰ সুবাস
হেমন্তৰ হীমে ধোৱা ৰাতি
তুমি জানো কাৰ প্ৰতীক্ষাত?
স্বৰ্ণালি মোৰ হৃদয় আকাশত
আঁকি দিলা তুমি
সপ্তৰঙৰ কামধেনু।
পদূলি মূৰত শিৰীষ জোপাত
আজিও বিনাই কপৌ হালিয়ে
প্ৰভাতি সুৰুযে তাতে জোৰে
বন্দনা গীতি,
ঢাকি থৈ হেজাৰ নিশাৰ
মধুময় স্মৃতি।
এবাবাটেৰে আজিও বাট বুলোঁ মই
যেন এটি পৰিচয়হীন যাযাবৰ
হেমন্তৰ হীমেধোৱা ৰাতি
মনৰ মাজত আজিও মোৰ
অযুত ভাৱৰ স্মৃতি।

* * *

# সকলো আমাৰ ভাই

এ-ইউ বৰভূঞা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ



অসমৰ সন্তান হিন্দু মুছলমান
সকলো আমাৰ ভাই,
নকৰো কদাপি খৰিয়াল আমি
হিংসাৰ কাৰণ নাই।
নেদেখো তফাৎ নাই ব্যৱধান
ধৰম মাথো ভিন,
খাওঁ একেভাত কওঁ একেভাষে
সবাতে মৰমৰ চিন।
এখনি আকাশ এখনি ধৰণী
তাতেই জীৱন ধৰোঁ,
একে পানীখাওঁ দিন মাহ পাওঁ
একে বেমাৰত মৰোঁ।
সাতাম পুৰুষীয়া এখনি লুইত
সেউজী পৰ্বত শাৰী,
থাকিমোঁ সমানে প্ৰীতি সম্ভাষণ
ভেদাভেদ গই পাহৰি।
অসমৰ আকাশ মুখৰিত কৰি
চৰাইয়ে গাইছে গান,
অসমৰ সন্তান হিন্দু মুছলমান
অভিন্ন আমাৰ প্ৰাণ।

* * *

# কিবা যেন নাই নাই

শ্ৰীডেইজী বৰা
দ্বিতীয় বাৰ্ষিক



ফুল ফুলা নাই ডাল ভৰি
শেৱালি জুপিত
অতীতৰ সেই সুন্দৰতা নাই,
তোলা নাই কুকি ভৰি ফুল
দেৱ পূজাৰ বাবে
দান যজ্ঞৰ প্ৰয়োজন নাই।
নাই সেই শাস্ত্ৰযজ্ঞ ধৰ্মযজ্ঞ অসমত
শঙ্কৰ মাধৱৰ দৰে
উজ্বল কিৰিতি ৰূপে,
গুজৰি গুমৰি উঠা নাই অন্তৰত
তাহানিৰ দৰে
ঘনে ঘনে আকাশৰ জোৱাৰ।
নাই মানুহৰ প্ৰেম-প্ৰীতি
সাম্য মৈত্ৰী নসয়
মানুহৰ অন্তৰে অন্তৰে,
পৰিবৰ্ত্তে আছে আজি
ঠগ প্ৰবঞ্চনা
হিংসা দ্বেষে আধিপত্য কৰে।
দুখীয়াৰ ওপৰত
ধনীৰ হেঁচা
সেয়ে হ'ল আধুনিক সভ্যতা,
প্ৰেম প্ৰীতিৰ সলনি
আছে কপটতা
নাই আজি সত্যৰ সন্ধান
নাই কৰ্মশক্তি, নাই দেশভক্তি
নাই লাচিতৰ দৰে
দেশতকৈ মোমাই ডাঙৰ নহয়,
বুলি কবলৈ
স্বাৰ্থই মূলমন্ত্ৰ শাস্ত্ৰৰ বিধি
দেশ ৰসাতলে যায়, এই কথা ভাবিবৰ
কাৰোৱেই যে সময় নাই।





# বসন্ত প্ৰতীক্ষা

শ্ৰীমালামনি হাজৰিকা
স্নাতক ২য় বৰ্ষ



ঋতু আহে ঋতু যায়
প্ৰতিটো ঋতুয়ে আকেঁ
কত বিবৰ্ত্তন, কত সম্মোহন আৰু
কত প্ৰেৰণাৰ ছবি।
গ্ৰীষ্মৰ অগ্নিবৰ্ষা তপত উত্তাপ,
নিদাঘ পীড়িত যন্ত্ৰণাৰ,
বৰষাৰ ক'লামেঘ
ধুমুহা-বতাহ-বৃষ্টি-বজ্ৰপাত
বলিয়া-বানৰ আৰু কত কি যে
প্ৰলয়ৰ, তাণ্ডৱৰ ভয়াল হুঙ্কাৰ।
শৰতৰ সুবিশাল সুনীল আকাশ
শুকুলা ডাৱৰবোৰে উৰি উৰি
চিত্ৰ আকেঁ বিচিত্ৰ ৰূপৰ
খেলি খেলি দি যায়
সঞ্জীৱনী মহামন্ত্ৰ জীয়াই থকাৰ।
তলসৰা কুমলীয়া শেৱালীয়ে পাৰে
সান্তনাৰ, বিশ্ৰামৰ সাৰদী দলিচা;
আকাশত হিমাংশুৰ হাঁহি।
হেমন্তৰ হিম-স্নাতা শুভ্ৰ চাদৰেৰে
ঢাক খাই প্ৰকৃতি স্থবিৰ তন্ময়।
শীতৰ মৃত্যু মৌন চেঁচা বেষ্টনীত
পত্ৰ-পুষ্প মায়া মোহ বিলাস বাসনা এৰি
যোগ সিদ্ধা নগ্না সন্যাসিনী প্ৰকৃতিৰ
আত্ম কুণ্ডয়ণ।
ফাগুণৰ পছোৱাত কামদেৱ-কামনাউৰি
কুণ্ডয়িণী প্ৰকৃতিৰ বাসনা জগাই তোলে,
যোগ ভঙ্গ হয়।
নিদ্ৰালু নয়ণ-পতাত কামনা। সুষমা ঢালি
চিত্ৰ আকেঁ অশৰীৰ চিত্ৰলেখা আহি;
গন্ধৰ্ব চাৰণ কুলি কেতেকীয়ে
পঞ্চমত বাই বৃন্দাবনী বাঁহী।
বসন্তৰ চৰণৰ নুপুৰ ধ্বনিত
প্ৰতীক্ষা কাতৰা প্ৰকৃতি কুঁৱৰী
বিশলয় নৱ পল্লৱৰ ওৰণি ঠেলি
আবেগ বিহ্বলা হে স্বৰ্গতোক্তি কৰে
— আহা হে বসন্ত কোঁৱৰ।
তুমি আহা! তুমি আহা।
নাতি শীতোৰত এয়া মধুৰবো সুমধুৰ ক্ষণ
গ্ৰীষ্মৰ উত্তাপহীন
বৰষাৰ আতঙ্ক বিহীন
হেমন্ত হিমৰ প্ৰবাহ আৰু
জাৰ শীতৰ সন্ন্যাসৰো অৱসান।
বসন্ত কোঁৱৰ তুমি আহা!
তুমি আহা!
স্বাগতম্
স্বাগতম্।

*( মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)*

* * *

# বহাগ

শ্রী দিলীপ কুমাৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ

বহাগ আহিল, আহিল বসন্ত
চৌদিশ আলোকিত হৈ,
প্ৰতিধ্বনিত হয় কুলি-কেতেকীৰ মাত;
প্ৰতিটো পুৱাই, প্ৰতিটো সন্ধিয়াই
কঢ়িয়াই আনে, প্ৰকৃতিৰ নতুন ৰূপ।
বহাগৰ পদুলি, উদুলি-মুদুলি,
ন, ন, সাজেৰে আমাৰে বিহুতলীত
যোৱা বেলিৰ কথাবোৰ, ভনিটিৰ লগতে;
আকৌচোন মেলিবৰ হ'ল
আমি নতুন দেশৰ, আমি নতুন মানুহ;
নৱ নৱ পুৰুষ নতুন আশাৰে
নতুনক আদৰি লবৰ হ'ল।



(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

* * *

# বসন্ত কালৰ আগমনত

শ্ৰীপ্ৰদীপ কুমাৰ দাস
স্নাতক প্ৰথম বৰ্ষ

কুলিৰ কুকু মাতত
বসন্তৰ আগমন,
সময়ৰ নিস্তেজ ৰূপ
সেউজীয়া দলিচা ৰূপে অভিভূত হয়।
জীৱনৰ ৰংবোৰ আগবাঢ়ি যায়,
আজিৰ সময়বোৰ।
বৰফ বগাৰ উচুপনিত
সাৰপোৱা নাই বগলীৰ জাক,
গুড়ি পৰুৱাৰ পাখি গজা
কণাবোৰ স্থিৰ শীতল।
প্ৰতিটো বসন্তই পাৰহৈ যায়
সময়ৰ সতে,
এটি আশাভৰা জীৱনলৈ
এটি মধুৰ স্বপ্ন হৈ - - - - -
কাল ধুমুহাৰ প্ৰতিটো সময়লৈ।



(মহাবিদ্যালয় সপ্তাহত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)

* * *



## আমাৰ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী সকল ঃ



চকীত বহি ( বাওঁফালৰ পৰা ক্ৰমে ) ঃ সৰ্বশ্ৰী মানিক ডেকা, বেৱকান্ত হাজৰিকা, বীৰেণ শৰ্মা।
থিয় হৈ (বাওঁফালৰ পৰা ক্ৰমে )ঃ সৰ্বশ্ৰী প্ৰদীপ হাজৰিকা, ধীৰেণ কোঁৱৰ, ইন্দিৰা গগৈ, ৰুক্মিণী দাস, ফুলেশ্বৰী ডেকা, খৰ্গেশ্বৰ শইকীয়া, ৰতন কোঁৱৰ।
অনুপস্থিতঃ শ্ৰীৰমেশ বৈশ্য।

## আমাৰ মহাবিদ্যালয়ৰ পুথি ভঁড়ালৰ কৰ্মচাৰী সকল ঃ



বাওঁফালৰ পৰা বহি ঃ সৰ্বশ্ৰী বেৱকান্ত হাজৰিকা, মিনু দেৱী
বাওঁফালৰ পৰা থিয়হৈ ঃ সৰ্বশ্ৰী বিনীতা বাভা, অজিত মালাকৰ

## আমাৰ মহাবিদ্যালয়ৰ বিশেষ চিহ্ন





পুৰণি ভৱনৰ একাংশ।

নতুন ভৱনৰ একাংশ।






প্ৰাচীৰ পত্ৰিকাৰ প্ৰস্তাৱনা সংখ্যা

মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰ।



# একাপ চাহত অতীত জীৱন

বৰ্ণালী গোস্বামী
উঃমাঃ প্ৰথম বৰ্ষ

"ভালকৈ চাহ একাপ বনাই আনা" ৰমেনে ঘৈণীয়েক সবিতাক আদেশৰ সুৰত কথাখিনি কৈ তাৰ অতি প্ৰিয় আৰামি চকীখনত সমস্ত দেহটো থেকেচা মাৰি থলে। কথা শুনি তাৰ ঘৈণীয়েক আচৰিত হ'ল। কলে "তুমি চোন আজি অত বছৰে চাহ বাদেই দিলা হঠাৎ আজি"

"এবা সকতে মই খুব চাহ খাইছিলোঁ" ৰমেনে গম্ভীৰ ভাবে উত্তৰ দিলে। সবিতাই ধেমেলিয়াকৈ পুনৰুক্তি কৰিলে "আজিৰ পৰা আকৌ সৰু কালিৰ স্বভাৱ ললা নেকি? মুঠেও হাঁহি নুঠিল ৰমেনৰ অথচ পুনৰ নিৰ্দেশ দি কলে "যি কৈছোঁ তাকে কৰা"। সচাঁকৈয়ে তাৰ আজি সৰু কালিৰ কথা মনত পৰিছে। আবেলি পৰত কৃষ্ণচূড়াৰ তলত বহি বালিঘৰ সজাৰ কথা। তাৰ জন্ম ঠাই কমাৰকুছি গাঁৱৰ বৰ পুখুৰীত সাতোঁৰাৰ কথা। অতীতৰ সমস্ত ঘটনাৱলী চিনেমাৰ ৰীলৰ দৰে বাগৰি গৈছে তাৰ মানসপটত। সবিতাই সমুখৰ সৰু টেবুল খনত চাহ একাপ দিলে। সৰু শব্দ এটা হোৱাত সি কোনো প্ৰতিক্ৰিয়া নকৰিলে। তাৰ আত্মবিভোৰ অৱস্থাক বাধা দিবলৈ "চাহ দিছোঁ খোৱা" বুলিও নকলে। গোমোঠা মুখেৰে তাই নিজৰ কামলৈ গুচি গ'ল।



চাৰিটা ভাই-ভনীৰ মাজত সিয়েই ডাঙৰ ল'ৰা আছিল। তাৰ আঠ বছৰ বয়সত দেউতাক মৃগী বেমাৰত পৰি ঢুকালে। তাৰ পিছৰ পৰা চাৰিটা ল'ৰা ছোৱালী ডাঙৰ কৰিবলৈ মাকে যিখন সংগ্ৰাম আৰম্ভ কৰিছিল মনত পৰি তাৰ অজ্ঞাতে দুধাৰি চকুলো বৈ আহিল। ৰমাকান্ত মহাজনৰ ঘৰত ধান বনা কাম কৰিছিল মাকে। কোলাত সৰু ভনীয়েক জনীক লৈ এহাতে লুৰীৰে ধান লৰাই ঢেঁকী দিছিল মাকে। গাৰ ঘাম গাতে শুকোৱাই মাকে মহাজনৰ ঘৰৰ পৰা চাউল আনি আখলত তুলি দিছিল। মাকে বাৰীৰ পিচফালে ঢেঁকীয়া, কলফুল, খুতুৰা বিচাৰি আনে, মানে আখলৰ ভাত চোৱা চিতা কৰিছিল ৰমেনেই। ৰমেনে পঢ়িছিল ওচৰৰে পাঠশালা খনত। ভদ্ৰ পণ্ডিতে তাক মৰম কৰিছিল এই বুলি যে দুখীয়াৰ ঘৰত ইমান চোকা ল'ৰা থাকে বুলি কোনে বিশ্বাস কৰিব। ঠিকেই অইনে নহলেও ৰমাকান্ত মহাজনে বিশ্বাস নকৰিলে কাৰণে ৰমাকান্ত মহাজনৰ সৰু পুতেকে চাৰিটা বিষয়ত ফেইল কৰে। অথচ প্ৰতি বছৰে ৰমেনে প্ৰথম হৈ পাছ কৰে। ৰমাকান্তই কাৰণটো নিজেই বিচাৰি উলিয়ালে। ৰমেনৰ মাক তেওঁলোকৰ ঘৰলৈ যাওঁতে তৰ্জন গৰ্জন কৰি উঠিল, "ৰমেনক প্ৰথম স্থান দিয়াৰ বাবে ভদ্ৰ পণ্ডিতক তোৰ ঘৰত সোমাবলৈ দিছ নহয়? ভদ্ৰ পণ্ডিতে তোৰ ঘৰত কিহৰ লোভত যায় মানুহ বোৰে নজনাকৈ আছে নেকি; কুলক্ষণী তিৰোতাৰ ল'ৰাই কোনোদিন উন্নতি কৰিব নোৱাৰে, চাই থাক।"

ৰমাকান্তৰ লেকাম নোহোৱা কথাত অসহ্য হৈ ৰমেনৰ মাকে বাউলী হৈ কথামপিহে ঘৰৰ বিচনাখন পালে। ৰমেনে মাকৰ ওচৰলৈ গৈ দেখে মাকৰ জ্ঞান হেৰুৱাইছে। ৰমেনে একেবাৰে ভদ্ৰ পণ্ডিতৰ ঘৰ পালে। ৰমেনৰ মন বুজি ভদ্ৰ পণ্ডিতে দেৰি নকৰাকৈ ডাক্তৰক লৈ আহিল। ডাক্তৰে ঔষধ বেজী দি প্ৰয়োজনীয় চিকিৎসা কৰিলে। ডাক্তৰে ভদ্ৰ পণ্ডিতক কলে, "বিশেষ চিন্তাৰ কাৰণ নাই" জ্ঞান ঘূৰাই পোৱাত হয়তো দেৰি লাগিব পাৰে। দৰকাৰ হলে মোক খবৰ দিব। সময় গধূলী, পণ্ডিতে ডাক্তৰক ফিজটো দি বিদায় দিলে। ৰমেন আৰু ভায়েক ভনীয়েক তিনিটাই পণ্ডিতৰ মুখলৈ নিৰ্বাক দৃষ্টিৰে চাই আছে। পণ্ডিতে সৰু ছোৱালী জনীক কোলাত বহুৱাই মূৰটো পিহি দি কিছুসময় চিন্তা কৰিলে। ৰমেনে কলে – "চাৰ আপুনি নাযাব আমাৰ ভয় লাগে"। ভদ্ৰ পণ্ডিতৰ তিনিজনী ছোৱালী ডাঙৰ জনীক বিয়া দিছে। মাজুজনী কলেজত বি. এচ.চি পঢ়ি আছে। সৰু জনীৰ বয়স মাত্ৰ সাত বছৰ। পণ্ডিতে ভাবিলে ঘৈণীয়েক আৰু জীয়েক অকলে এৰাতিৰ বাবে থাকিব পাৰিব। গতিকে ৰাতিটো ইয়াত কটালে বিশেষ অসুবিধা নহয়।

পণ্ডিত ৰমেনৰ ঘৰতে থাকিব লগা হ'ল সেইদিনা। অৱশ্যে বাকী কেইজনক শুৱলৈ দি ৰাতি ৰমেন আৰু পণ্ডিতে উজাগৰে থাকিল। মাকৰ জ্ঞান ঘূৰি আহিল ৰাতি তিনি বজাত। ডাক্তৰৰ কথা মতে থিক মতে ঔষধ খুৱালে। ৰাতিপুৱাহে মাক সুস্থ হৈ উঠিল। ইফালে ৰমাকান্তৰ অংকও ঠিকেই মিলিছিল। ভদ্ৰ পণ্ডিতক শিক্ষা দিয়াৰ এয়াই সুযোগ। গতিকে ৰমাকান্তই ৰাতি পুৱাই নাম ঘৰত বাইজ গোটালে। ৰমেনহঁতৰ ঘৰৰ পৰা দুজন মানুহৰ দ্বাৰা মেললৈ





মাতি পঠিয়ালে ভদ্ৰ পণ্ডিতক। ৰমাকান্ত মহাজন গাঁৱৰ সৰ্বেসৰ্বা। প্ৰায় বোৰ মানুহে তেওঁৰ ঘৰত কাম কৰে। কিছুমানে মহাজনৰ মাটিবাৰী খাই খেতি কৰে। গতিকে, মহাজনৰ কথাৰ ওপৰত মাত মাতিব পৰা মানুহ সেই গাঁৱত কোনো নাই। আছে এজন, কিন্তু তেওঁ আজিৰ বিচাৰৰ আচামী। পণ্ডিতক দোষী কৰাৰ বিচাৰ বহিল আৰু দোষী চৰিত্ৰহীন পণ্ডিতক আৰু ৰমেনহঁতক সমাজৰ পৰা এঘৰীয়া কৰিলে। ৰমেৰ কিন্তু ঘটনাৰ আঁতি গুৰি ধৰিব পৰা বয়স হোৱা নাছিল। এঘৰীয়া হোৱা ৰমেনৰ মাকৰ ৰমাকান্তহঁতৰ ঘৰলৈ যোৱা বন্ধ হোৱাত পেটৰ ভাত মুঠিৰ বাবে চিন্তা লাগিল। মাকে আহ যাহ বন্ধ হোৱাত পেটৰ ভাত মুঠিৰ বাবে চিন্তা লাগিল। মাকে ল'ৰা ছোৱালী কেইটাক ৰখাবৰ বাবে থিকাদাৰৰ তলত শিলভঙা কাম কৰিবলৈ ললে। ৰমেন একো নুবুজিলেও ৰাতি যেতিয়া মাকে আখলত ভাত ৰান্ধি থাকোতে আঙুলিৰ ফাঁট মেলা ঘাঁবোৰত গৰম মিঠাতেল দি সেকি থাকে, সেয়া দেখি তাৰ অকমানি কলিজাটো কঁপি উঠে।

মাকৰ শোকাৱহ দুৰ্দিন চাই থাকিব নোৱাৰি এদিন কোনেও নজনাকৈ পলাই আহিল। তাৰ নবছৰ বয়সত গুৱাহাটীলৈ পলাই আহিল কাম বিচাৰি। ৰমেনে গৈ গৈ সন্ধিয়া সময়ত আশ্ৰয় ললে উলুবাৰীৰ এঘৰ মানুহৰ বাৰান্দাত। নিৰাশ্ৰয় ল'ৰাৰ উচুপনি শুনি ভদ্ৰ মহিলা এগৰাকীয়ে ভিতৰলৈ লৈ গ'ল। এই ভদ্ৰমহিলা গৰাকী হৈছে প্ৰফেচাৰ বিনন্দ শইকীয়াৰ ঘৈণীয়েক। য'ত আৰম্ভ হৈছিল ৰমেনৰ নতুন জীৱন, মৃদু মধুৰ জীৱন। বিনন্দ শইকীয়াই ৰমেনক নিজৰ ল'ৰা জ্ঞান কৰি পঢ়োৱা শুনোৱাৰ দায়িত্ব ললে। উপযুক্ত শস্য ক্ষেত্ৰত যেনেকৈ শস্য নদন-বদন হয়, ঠিক তেনেদৰে ৰমেনেও উন্নতিৰ জখলাত দোপত দোপে আৰোহণ কৰিলে এই ঘৰখনত উপযুক্ত পৰিৱেশত। সময়ৰ চকৰি ঘূৰি থাকে, ৰমেনে কলেজ বিশ্ববিদ্যালয়ৰ প্ৰতিটো পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। বাতৰি কাগজত ৰমেনৰ এম.এ পৰীক্ষাৰ খবৰ ওলাল। ৰমেনে প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰিলে ইতিহাস বিভাগত। পিতৃ বিনন্দ শইকীয়া নহয় ˇহলিৰাম বৰুৱাহে খব ৰ পালে কমাৰকুছিৰ ভদ্ৰ পণ্ডিতে, ৰমাকান্ত ৰমেনৰ ভায়েক ভনীয়েক হতেওঁ। তেতিয়া কিন্তু ৰমেনৰ ভায়েকটোৱে ঠিকাদাৰৰ মহৰিৰ কাম কৰি ঘৰ খন চলাইছে। মাক ঘৰতেই বুঢ়ী হৈ কেঁকাই গেঠাই আছে। বহু দিন পিছত ৰমেন ঘূৰি আহিছিল মাকৰ ওচৰলৈ। মাকে অত বছৰৰ মূৰত সৰগ চুকি পোৱাদি পাইছিল ৰমেনক পাই। ৰমেনে মাকৰ উখহি পৰা মুখ খন দেখি দুখ দমাব পৰা নাছিল। তথাপি মাকৰ দেহৰ উম্মপাই আবেগত বিহ্বল হৈ পৰিছিল।

"ও আই চাহ খোৱাই নাই? সবিতাই ভূত দেখা মানুহৰ দৰে চিঞৰি উঠিল। তেতিয়াহে ৰমেনে অতীতৰ কল্পনা ৰাজ্যৰ পৰা উভতি আহি বৰ্তমানত ভৰি দিলে। সি সবিতাৰ ফালে চাই এটি ম্লান হাঁহি মাৰিলে। এক নতুনত্ব বিচাৰি তাইৰ চকুৰ ফালে এপলক চালে। এই সবিতা বৰুৱাক সি এক করুণ ৰূপৰ পৰা উদ্ধাৰ কৰি আনিছিল। বিয়াৰ আগৰ নাম সবিতা শৰ্ম্মা আছিল। ভদ্ৰ পণ্ডিতৰ ঘৰ শুৱনি কৰা সৰু জনী ছোৱালী যি গৰাকী ছোৱালী পিছলৈ হৈ পৰিছিল ভদ্ৰ পণ্ডিতৰ ঘৰৰ নিৰ্মম বোজা স্বৰূপ। ভদ্ৰ পণ্ডিতৰ মাজুজনী ছোৱালী বিয়া দিছিল এজন শিক্ষকৰ লগত। এঘৰীয়া হোৱাৰ পিছত ভদ্ৰ পণ্ডিতৰ ঘৰৰ সুখৰ সূৰ্য্য অস্তমিত হৈছিল। সবিতাৰ বয়স যৌৱন মৰহা ফুলৰ নিচিনা হৈ পৰিছিল। চাকৰি বিচাৰিও হাৰাশাস্তি হৈছিল। অৰ্থ সামাজিক দিশটোত অন্ধকাৰ দেখিছিল তাইৰ পৰিয়ালে। তাইৰ এই অনাকাংশিত দুৰ্বলতাৰ পূৰ্ণ সুযোগ লৈছিল ৰমাকান্তৰ সৰু পুতেকে। অত্যাবস্ত পুঁজিবাদী মানুহৰ ভুৱা স্নেহৰ অগ্নিশিখাই তাইৰ জীৱনটোক জ্বলাই পেলোৱাৰ উপক্ৰম কৰিলে। তাইৰ ৰঙীন স্বপ্নই পূৰ্ণতা নৌ পাওঁতেই নিজৰ স্বাৰ্থ পূৰণ কৰি মহাজনৰ অমানুহ পুতেক আঁতৰি গৈছিল তাইৰ ভৱিষ্যত জীৱন ধূলিস্যাত কৰি। মহাজনৰ ঘৰৰ অট্টহাস্যত শিয়ঁৰি উঠিছিল ভদ্ৰপণ্ডিত। এদিনাখন সবিতাও পিতৃমাতৃৰ জীয়া মৰম নেওচি নিজৰ জীৱনক ধিক্কাৰ দি উধাও হৈছিল গুৱাহাটী মুখী বাছত। কঠিন ৰাতিৰ পিছৰ মধুৰ প্ৰভাত নামি অহাৰ দৰে সবিতাৰ জীৱনতো সেয়েই ঘটিল। সিদিনা ৰমেনে তাৰ দিনটোৰ চাকৰি শেষ কৰি অফিচৰ পৰা ওলাই আহিলি। চিটি বাছত উঠিব খুজিছিলহে, এনেতে বাছষ্টপেজত পকী বেঞ্চত বিমৰ্ষ মনেৰে সবিতাক বহি থকা দেখিলে। ৰমেনে ঘৰলৈ মাতি নি তাইক সোধপোচ কৰিলে। ভদ্ৰ পণ্ডিত আৰু তেওঁৰ ছোৱালী যিয়ে তাৰ ঘৰখনত দেউতাক মৰাৰ পিছত দেৱতাৰ ৰূপ ধৰিছিল। যিয়ে সিহঁতৰ বাবেই সুখৰ সংসাৰ এখন ত্যাগ কৰি সৰ্বস্বান্ত হৈছিল। এতিয়া ৰমেনে তেওঁলোকৰ দুখৰ দিনত সহায়ৰ হাত আগনবঢ়ালে মহাপাপ কৰা হব। তাৰ পিছতেই সকলোৰে সন্মতিত সবিতাক নিজৰ জীৱন সংগীনি কৰি ললে। এইজনী নিস্পাপ অন্তৰৰ সবিতা শৰ্মাক সবিতা বৰুৱা কৰি আনিছিল সমাজৰ গোড়ামীক বুঢ়াআঙুলী দেখুৱাই – মহাজনৰ বিকৃত হাঁহিক উদঙাই দেখুৱায়।

"মোৰ ফালে একেথৰে কি চাই আছা?" সবিতাই শংকাৰে প্ৰশ্ন কৰিলে?

"মোৰ কথাবোৰ ভাবিলে তোমাৰ কথাৰ ভাববোৰ আহি যায়, বুজিছা"। সি স্বাভাৱিক হৈ উত্তৰ দিলে, আৰু কলে, "চাহ কাপ আজি মন গৈছে বাবেই খাব খুজিছোঁ। কিন্তু আজিৰ পৰা আকৌ বাদ"। দুয়ো উচ্চস্বৰে হাঁহিলে।

* * *

# পংগুৰ হৃদয়

অঞ্জলি বৰ্মন
স্নাতক, ৩য় বৰ্ষ

অভিনৱ চলিহা মহানগৰীৰ এজন প্ৰতিপত্তিশীল লোক। 'জলসিঞ্চন বিভাগৰ মুখ্য অভিযন্তা' চলিহাই মহানগৰীৰ প্ৰতিটো জনকল্যাণমূলক কামত আগভাগ পায়। সাধাৰণ মানুহৰ উন্নতিৰ হকে আয়োজিত সভা সমিতি আদিত মূখ্য ভূমিকাৰ আসনখন চলিহাৰ কাৰণে নিৰ্দিষ্ট হেতুকে চলিহাৰ বাহ্যিক ভাৱমূৰ্ত্তি সমাজখনত যথেষ্ট উজ্জল।

মই নিজেও এজন জলসিঞ্চন বিভাগৰে নিম্নবৰ্গৰ কৰ্মচাৰী। সেয়া হ'লেও চলিহাৰে সৈতে মোৰ এটা বেছ সুমধুৰ সম্পৰ্ক আছে। প্ৰকৃততে চলিহাৰ প্ৰতিটো কথা অথবা আদেশ মই আখৰে আখৰে পালন ক'ৰো হেতুকে অথবা চাটুকাৰৰ নিচিনাকৈ চলিহাক সন্মুখতে প্ৰশংসাৰ পাত্ৰ হিচাপে স্বীকৃতি দিয়া বাবে চলিহাই মোক অন্ততঃ ঈৰ্ষাৰ চকুৰে নাচায়।

অভিনৱ চলিহাৰ একমাত্ৰ সন্তান অৰ্নিবান এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰ। অৰ্নিবানে সুখ্যাতিৰে প্ৰতিটো পৰীক্ষা অতিক্ৰম কৰি বোম্বাই চহৰত ইন্‌জিনিয়াৰিং পঢ়ি আছে। অৰ্নিবানক ল'ৰালি কালৰে পৰা প্ৰতিটো পদক্ষেপতে সহায় সহযোগিতা আগবঢ়াইছিল চলিহাৰ ঘৰৰ এসময়ত কাম বন কৰা ল'ৰা সৰ্ব্বেশ্বৰে। যদিওবা সৰ্ব্বেশ্বৰ অৰ্নিবানতকৈ বয়সত দহ বছৰে ডাঙৰ, সি সদায়ে অৰ্নিবানৰ লগতে উমলি ফুৰিছিল। খেলা ধূলা, বং বহইচ, সাতোঁৰা ব্যায়াম কৰা সকলোবোৰতেই সৰ্ব্বেশ্বৰৰ অবিহনে অৰ্নিবানে এখোজো আগনাবাঢ়িছিল।


যিদিনাখন অৰ্নিবান হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত অসমৰ ভিতৰতে পঞ্চম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল, সেইদিনা অভিনৱ চলিহাতকৈ সৰ্ব্বেশ্বৰকহে বেছিকৈ আনন্দত আত্মহাৰা দেখা গৈছিল। অৰ্নিবানৰ উচ্চপ্ৰশংসাত চলিহাৰ লগতে সৰ্ব্বেশ্বৰো নিমজ্জিত হৈছিল। বোকোচাত তুলি তুলি প্ৰতিটো পদক্ষেপতে অৰ্নিবানক সহায় কৰা সৰ্ব্বেশ্বৰে তাক তাৰ নিজৰ পুত্ৰ হিচাপে গণ্য কৰিছিল – হয়তোবা একমাত্ৰ অৰ্নিবানৰ স্বাৰ্থতেই সি নিজকে অবিবাহিত কৰি ৰাখিবলৈও কুণ্ঠাবোধ কৰা নাছিল। ইয়াৰ কিছুদিন পিছতে অৰ্নিবানে বোম্বাইৰ ইনজিনিয়াৰিং কলেজত পঢ়াৰ বাবে দক্ষতা অৰ্জন কৰিছিল।

এটা শীতৰ সেমেকা ৰাতি। চলিহাৰ একমাত্ৰ সন্তান অৰ্নিবান যাবলৈ ওলাইছে বোম্বৈলৈ – অধ্যয়নৰ বাবে। সন্ধিয়াৰে পৰা আৰম্ভ হোৱা কিন্‌কিনিয়া বৰষুণজাকে শীতৰ প্ৰকোপ দুগুণ চৰাইছে। চলিহাৰ ঘৰত সন্ধিয়াটো যথেষ্ট ব্যস্ততাপূৰ্ণ। পুত্ৰৰ কৃতিত্বৰ বাবে যদিওবা চলিহা ভিতৰি ভিতৰি গৌৰৱান্বিত তথাপিও ঘৰৰ বাহ্মোনৰ পৰা সুদূৰলৈ যাবলৈ ওলোৱা বাবে বাহ্যিকভাৱে চলিহাক চিন্তান্বিত যেন দেখা গৈছে– অৰ্নিবানক আৰু ওচৰতে নাপাব বুলি। সি চলিহাক এবাৰ প্ৰস্তাৱ দিছিল— অৰ্নিবানক স্থানীয় কলেজতে পঢ়ুৱাবৰ বাবে। হয়তো তাৰ সৰল হৃদয়ে চুকি পোৱা নাছিল পৃথিৱীৰ বিশালতাৰ কথা। কিন্তু সেয়া জানো যুক্তিসংগত আছিল। প্ৰকৃততে সৰ্ব্বেশ্বৰে যথেষ্ট ভয় খাইছিল – তাৰ ভৱিষ্যতৰ কথা ভাবি। চলিহাৰ অহংকাৰ ভাৱপ্ৰৱনে তাক ক্ৰিয়া কৰিব পৰা নাছিল একমাত্ৰ অৰ্নিবানৰ বাবে। সেই অৰ্নিবানে আজি তাক নিঠকৰা কৰি যাবলৈ ওলাইছে। সি বাৰু কাক লৈ জীয়াই থাকিব। এইবিলাক চিন্তাৰ খেলি মেলিৰ মাজতেই আহি পৰিল অৰ্নিবান বোম্বে যোৱাৰ প্ৰাকমুহূৰ্তটো। চলিহাৰ পৰিয়ালৰ প্ৰতিটো প্ৰাণীৰ কাৰণে এইটো আছিল এটা অতি দুখজনক আৰু ভয়ংকৰ মুহূৰ্ত। সেয়ে স্বাভাৱিকতেই পৰিয়ালৰ আটাইকেইজনৰেই মুখত এটি হতাশাৰ ভাৱ ফুটি ওলোৱাটো দৃষ্টিগোচৰ হৈছিল। চলিহাৰ পৰিয়ালৰ সৈতে ঘৰৰ বন কৰা ল'ৰা সৰ্ব্বেশ্বৰো আগবাঢ়িল ষ্টেচন আভিমুখে।

ষ্টেচনত আহি পৰিল সেই নিষ্ঠুৰ অভিশপ্ত সন্ধিয়াটো। অৰ্নিবানক লৈ ভাৱত আত্মবিভোৰ হৈ থকা সৰ্ব্বেশ্বৰে গমকেই পোৱা নাছিল সি অৰ্নিবানৰ বেডিং লৈ পাৰ হ'ব খোজা ৰেল লাইনতে আহি থকা ট্ৰেইনখনৰ কথা। মুহূৰ্ততে সি গম পালে ট্ৰেইনখন তাৰ পিনেই আহি আছে — কিন্তু তেতিয়া বহুত দেৰি হৈ গৈছিল। সৰ্ব্বেশ্বৰে জাপ দিছিল লাইনৰ বাহিৰলৈ – কিন্তু কি হ'ব, লাইনৰ ভিতৰত ইতিমধ্যে ৰৈ গৈছিল তাক পংগু কৰি পেলোৱা কটা ভৰি দুখন।

সৰ্ব্বেশ্বৰ জীৱনৰ বাবে নিখোজ হোৱা আজি প্ৰায় তিনিবছৰ অতিক্ৰম হ'ল। চলিহাৰ পুতেক অৰ্নিবানেও ইনজিনিয়াৰিংৰ অন্তিম বৰ্ষত ভৰি দিছে। যোৱা তিনিটা বছৰ সৰ্ব্বেশ্বৰে অশেষ দুখ-কষ্ট, যন্ত্ৰনাৰ সন্মুখীন হৈছে। তথাপি সি জীৱনক হাঁহিমুখে আকোঁৱালি লৈছে। অৰ্নিবান যোৱাৰ দিন ধৰি সি আৰু চলিহাৰ ঘৰত নাই - চলিহাঁইতেও লাহ-বিলাসিত জীৱনৰ মাজত নিজকে পাহৰি গৈছে সৰ্ব্বেশ্বৰৰ কথা। আচলতে চলিহাই জানিবলৈ বিচৰাও নাই পংগু মানুহ এজনৰ কথা। কিন্তু সৰ্ব্বেশ্বৰে ভিক্ষা মাগি মাগিও জীয়াই আছে অতি সুখেৰে, আনন্দেৰে নিজৰ কৰ্মৰ মহানতাৰ উপলব্ধিত। সৰ্ব্বেশ্বৰৰ পংগু জীৱন আজি অকল ৰেল লাইনতেই আবদ্ধ। ভিক্ষাৰী হ'লেও তাৰ যেন কোনো আক্ষেপ নাই — যাৰ কাৰণে সি আজি হাঁহি হাঁহি সকলোকে ভিক্ষা মাগে। অৰ্নিবানক লৈ সি এতিয়াও গৌৰৱ অনুভৱ কৰে। নিজৰ পংগুতাৰ প্ৰতি তাৰ অকনো কাণসাৰ নাই — সহস্ৰজনৰ ওচৰত অৰ্নিবানৰ গুণ গাই খা-খবৰ লয়। দিন ৰাতিৰ প্ৰভেদ নাৰাখি ভিক্ষাৰ পাত্ৰ হাতত লৈ চুচৰি চুচৰি যায় ৰেলৰ ডবাৰ ইমূৰৰ পৰা সিমূৰলৈ। এয়াই হৈছে তাৰ জীৱন।

আজি অভিনৱ চলিহা যাবলৈ ওলাইছে বোম্বৈলৈ — পুতেকৰ খবৰ ল'বলৈ। যোৱাকালি অফিচতে চলিহাই মোকো তেওঁৰ সংগী হিচাবে যাবলৈ লগ ধৰিছে। মই চলিহাৰ কথাত সন্মতি প্ৰদান কৰিছিলোঁ। নিশা দহ বজাত ট্ৰেইন ধাবমান হ'ল বোম্বৈলৈ। আমি ট্ৰেইনত উঠি ভালদৰে শুই ল'লোঁ। পিছদিনাখন ৰাতিপুৱা আমি আমাৰ দৈনন্দিন কাম কাজ সমাপ্ত কৰি গল্প কৰাত ব্যস্ত হ'লোঁ। চলিহাই ডাঙৰ ডাঙৰ বক্তৃতা মোৰ আগত দাঙি ধৰিলে। সমাজত নিম্নশ্ৰেণীৰ মানুহৰ উন্নতিৰ কাৰনে তেওঁ যে গভীৰভাৱে চিন্তাকৰে, তেওঁ যে সেই আদৰ্শৰে অনুগামিত তাক তেওঁ অকল বক্তৃতাৰ মাজেৰেই প্ৰস্ফুটিত কৰিব বিচাৰিছে। কথাৰ মাজে মাজে তেওঁ পুতেকৰ প্ৰশংসাত পঞ্চমুখ হয়। আন বহুতো কথাৰ মাজত আহি পৰিল সেই অভিশপ্ত নিশাটোৰ কথা। মই অৱশ্যে তেখেতৰ বেছি বন্ধু হ'লেও সৰ্ব্বেশ্বৰৰ কথা, সেই অভিশপ্ত নিশাটোৰ ঘটনাটোৰ বিষয়ে সমূলি অজ্ঞ আছিলোঁ। চলিহাই মোক সেই ঘটনাটোৰ বিষয়ে থুলমূলভাৱে ট্ৰেইনতে কৈ আছিল। ইতিমধ্যে ট্ৰেইনৰ ভিতৰতে শাৰীৰিক ভাৱে অক্ষম মানুহৰ ভিৰ। ভিক্ষাৰ পাত্ৰ হাতত লৈ কিছুমানে গান গাইছে, কিছুমানে আকৌ মিউজিক বজাইছে। এইফালেতো মুৰি মচলা, পান তামোলৰ দোকানীৰ ভিৰ আছেই। অভিনৱ চলিহাই বিৰক্তি পাই এই মানুহবিলাকৰ ওপৰত এটা বক্তৃতা দিবলৈ আৰম্ভ কৰিলে। তেখেতে ক'লে যে এইসকল মানুহ আচলতে সমাজৰ, দেশৰ বোজা। এই প্ৰকাৰৰ মানুহৰ জীৱনৰ কোনো লক্ষ্য নাই। অকল মাত্ৰ খাবলৈ সিহঁত জীয়াই আছে। সমাজত এই জলন্ত বোজাটো আৰ্তবাবলৈ সিহঁতক মাৰি পেলাব লাগে। মই চলিহাৰ বক্তৃতা বিলাক শুনি আছোঁ যদিওবা নিজকে পতিয়ন নিয়াব পৰা নাই – এই ভিক্ষাৰ পাত্ৰ হাতত লোৱা



মানুহবোৰৰ কিছুমানক লৈ হয়তো স্বয়ং ভগৱানেই দেহৰ একোটা অংগ দিয়া নাই। কিছুমানে আকৌ পৰিস্থিতিৰ পাকচক্ৰত পৰি ভিক্ষা মাগিছে – আৰু কিছুমানে আনৰ স্বাৰ্থৰ হকে নিজকে আত্মনিয়োজিত কৰি – অকৰ্মন্যতাৰ পৰিস্থিতিত পৰিছে। তথাপিও মই চলিহাৰ কথাৰ প্ৰতিবাদ কৰা নাই।

চলিহাই আকৌ আৰম্ভ কৰিছিল প্ৰথম দিনা অৰ্নিবানক বোম্বৈলৈ থব যোৱাৰ কথা। মই চলিহাক সুধিছিলো সৰ্ব্বেশ্বৰ জীয়াই থাকিল নে মৰিল। তেখেতে জীয়াই থকাৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নাই বুলি ক'লে। আমাৰ কথাবতৰাৰ মাজতে ভিক্ষাৰ পাত্ৰ হাতত লৈ চুচৰি চুচৰি মানুহ এজন আমাৰ নিচেই ওচৰত ৰ'লহি। হাঁহি হাঁহি সি একান্তমনে ভিক্ষা পাত্ৰটো আগবঢ়াই ক'লে – - "দিয়ক দাদাসকল, দিয়ক দহ বিশ পইচা দি পংগু মানুহক জীৱন দান কৰক"। চলিহাৰ এইবোৰলৈ কাণসাৰ নাই। হঠাতে মই লক্ষ্য কৰিলো মানুহজনৰ মুখখন বেছিকৈ উজলি উঠিছে। সি একান্তমনে চলিহাৰ পিনে চাই চাই ভিক্ষাৰ পাত্ৰটো মজিয়াত ৰাখিলে। তাৰ পিছত অতি আবেগিক ভাৱে চলিহাক উদ্দেশি ক'লে — "ছাৰ ছাৰ অৰ্নিবান বহুত ডাঙৰ মানুহ হৈ গ'ল নহয়; সি আজিকালি গাড়ীত ঘূৰি ফুৰে নহয় ছাৰ", মোৰ কথা সুধিছিল নেকি অৰ্নিবানে — ছাৰ? অভিনৱ চলিহাৰ পিনে মোৰ লগতে আমাৰ কম্পাৰ্টমেন্টৰ আটাইবোৰ মানুহে ঘূৰি চালে। চলিহাই ভীষন অস্বস্তি অনুভৱ কৰিলে আৰু পৰিস্থিতি চম্ভালিবৰ বাবে পকেটত খুচুৰা পইচা বিচৰাত লাগিল। বিচাৰি বিচাৰি ৫০ পইচাৰ মুদ্ৰা এটা ভিক্ষাৰ পাত্ৰটোত দলিয়াই দিলে আৰু চিএৰি উঠিল – যা-যা-যা বুলি কৈছোঁ নহয় ইয়াৰ পৰা যা। পংগুজনে আকৌ দুগুণ উৎসাহত আৰম্ভ কৰিলে – "ছাৰ, মই সৰ্ব্বেশ্বৰ ছাৰ, অৰ্নিবান.......... ধমকনিত পংগুৰ কথা আধাতে শেষ হ'ল। আকৌ চুচৰি চুচৰি যাবলৈ ওলাল সি। মোৰ আৰু বুজিবলৈ বাকী নাথাকিল সেয়া চলিহাৰ ঘৰত থকা সৰ্ব্বেশ্বৰ বুলি। কৰনোৱাৰাকৈয়ে মোৰ সোঁহাতখন মোৰ পেন্টৰ পকেটৰ ভিতৰত সোমাল। এখন দহটকীয়া নোট উলিয়াই পংগুৰ ভিক্ষাৰ পাত্ৰত দি দিলোঁ। ক্ষোভত চলিহাই মোৰ পিনে কেৰাহিকৈ চালে। লাজত বঙা পৰি যোৱা মুখখন তলমুৱা কৰি টোপনিৰ ভাও জুৰিলে।

***

# অপ্ৰত্যাশিত

মিনু গগৈ
স্নাতক,২য় বৰ্ষ

প্ৰকৃতি দেৱীৰ শান্ত পৰিবেশ। যোৱাকালি ধুমুহা বৰষুণ জাকৰ পিছত বৰ্তমান আকাশ নিৰ্মল নিস্তব্ধ। কিন্তু স্নিগ্ধাৰ মনত প্ৰকৃতি দেৱীৰ শান্ত পৰিবেশটো ভাল লগা নাই। যোৱাকালি ডি. এচ. পি. পৰাগ চলিহাৰ ফোন পোৱাৰ পিছত তাইৰ একমাত্ৰ ককায়েক অফিচলৈ গৈছিল কিন্তু এতিয়াও ঘূৰি অহানাই। স্নিগ্ধাৰ ককায়েক ইন্সপেক্টৰ বীৰেণ দাস এজন কৰ্তব্যপৰায়ণ সাহসী আৰু নিষ্ঠাবান ইন্সপেক্টৰ লোক। সেয়েহে খোজে পতি বিপদৰ সম্ভাৱনা।

স্নিগ্ধা পিতৃহাৰা,মাতৃহাৰা, যদি ককায়েকো--- ।নাই এইবোৰ কি ভাবিছে তাই? সিহঁতেতো কোনো পাপ কৰা নাই। তাইৰ অজ্ঞাতে দুধাৰী তপত চকুলো বৈ আহে। নিজকে চম্ভালি কাম কৰা লগুৱাটোক মাতে ৰামুকাকা, অ' ৰামুকাকা ফোন আহিলে অলপো পলম নকৰাকৈ মোক মাতিবা। তাৰ ৰহস্য ৰামুৱে একো নুবুজিলে যদিও পালন কৰাৰ প্ৰতিশ্ৰুতিৰে মাত্ৰ এটা সঁহাৰি জনালে। মানুহৰ মন যে ৰহস্যময়। সেয়েহে হয়তো স্নি গ্ধাই কি ভাবিছে তাৰ অজ্ঞাত কিন্তু সিও ভাবিবলৈ ধৰিছে বীৰেণ নহাৰ বাবেই হয়তো স্নিগ্ধাৰ মনটো নিৰাশ।

এনেতে ভায়েক প্ৰদীপে ক'লে " বাইদেউ মই কলেজলৈ যাওঁ। মোৰ সময় হৈছে।" কিবা তাই কব খুজিছিল কিন্তু ধমকি বৈ মাথো কলে "সোনকালে আহিবি, পলম নকৰিবি"। ভায়েক যোৱাৰ পিছত তাই এখন চকীত বহি পৰিল। তাইৰ মনটোৱে কিবা কিবি বোৰ ভাবিবলৈ ধৰিলে।....

এনেকুৱা দিন এটাতে স্নিগ্ধাৰ দেউতাকো ওলাই গৈছিল নিজ কৰ্তব্যত। দেউতাকো এজন উচ্চ পদস্থ পুলিচ বিষয়া আছিল। সাহসী কৰ্তব্যপৰায়ণ আৰু দেশ-প্ৰেমিক আছিল দেউতাক। স্নিগ্ধা তেতিয়া দহ এঘাৰ বছৰ বয়সীয়া আছিল। তিনিটা ল'ৰা ছোৱালীৰ সৈতে সিহঁতৰ এখন সুখৰ সংসাৰ আছিল। এদিন কেইটামান গুণ্ডাক ধৰিবলৈ দেউতাক উঠি পৰি লাগিছিল। যি কেইটা ড্ৰাগচ আৰু মদৰ ব্যৱসায়ী আছিল। সেয়েহে হয়তো সিহঁতৰ জীৱনলৈ অভিশপ্ত দিন এটাৰ অচিৰেই আগমন হৈছিল। সেই অভিশপ্ত দিনটোতে আছিল তাইৰ জন্মদিন। ৰাতিপুৱা অফিচৰ দুৱাৰ দলিত ভৰি দিওঁতেই তাইৰ অতি মৰমৰ দেউতাক ডি, এচ, পি প্ৰমোদ দাসৰ দেহটো বন্দুক গুলীৰে ধকা সৰকা কৰি অজ্ঞাত বন্দুকধাৰীহঁত গুচি গৈছিল। কেইঘন্টামানৰ পাছত তেজেৰে ৰাঙলী হৈ থকা দেহটো তাই জন্মদিনৰ উপহাৰ স্বৰূপে পাইছিল। হায়! দেউতাক ঘৰৰ পৰা ওলাই গৈছিল সশৰীৰে আৰু ঘূৰি আহিছিল .....

বহুতে বহুত ধৰণৰ সান্ত্বনা বাণী শুনাইছিল সিহঁতক। কেইদিন মানৰ বাবে ঘৰ মানুহে নধৰা হৈছিল। লাহে লাহে সেই মানুহবোৰে পাহৰি গৈছিল এই মৃত্যুক। কেইদিন মানৰ পিছত স্নিগ্ধাৰ দেউতাকক মৰোনোত্তৰ ভাৱে সাহসৰ বঁটা প্ৰদানৰ কথা চৰকাৰে ঘোষণা কৰিলে। তাকে বিস্তৰ ভাৱে বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ কৰিলে। এটা দিনত মাকে এযোৰ বগা সাজ পিন্ধি সম্পূৰ্ণ বিধবাৰ ৰূপত এখন জন সমাবেশৰ মাজৰ পৰা সেই বঁটা গ্ৰহণ কৰিলে। কেইজন মান ৰাজনৈতিক নেতাই উচ্চস্তৰৰ ভাষণ দিলে "প্ৰমোদ দাস এজন সমাজৰ দায়বদ্ধ লোক আছিল। তেওঁক গুলীওৱা লোকক অতি সোনকালে ধৰা হ'ব।" ইত্যাদি .... কিন্তু সেইদিনা হয়তো স্নিগ্ধাৰ মাকে যি অনুভৱ কৰিছিল কোনেও গম পোৱা নাছিল। মাকৰ সেমেকি থকা চকুহালত হয়তো কিমান প্ৰশ্ন জাগিছিল কোনেও উপলব্ধি কৰা নাছিল।

দেউতাক মৰাৰ পিছত এই সমাজৰ পৰা সিহঁতে একো পোৱা নাছিল।

এই আকস্মিক ঘটনাটোৰ পিছৰ পৰাই অৰ্থনৈতিক ভাৱে সিহঁতৰ ঘৰখন দুৰ্বল হৈ আহিছিল। দেউতাকে সিহঁতলৈ থাকিবৰ বাবে এটা ঘৰৰ বাহিৰে একো থৈ যাব পৰা নাছিল, কাৰণ তেওঁ যে চাকৰিটোৰ টকাৰ বাহিৰে কাৰোৰে একোৱে পোৱা নাছিল। মাকে অশেষ কষ্ট স্বীকাৰ কৰি সিহঁতক পঢ়ুৱালে, ডাঙৰ কৰিলে। অকাল বৈধব্যজীৱন অসহ্য মানসিক আঘাত আৰু তিনিটা সন্তানৰ ভৰণ পোষণৰ দায়িত্বই মাকক অতি সোনকালে অসুখীয়া কৰি পেলালে। আৰু এটা দিনত সিহঁতে গম পালে মাক কেন্সাৰ ৰোগত আক্ৰান্ত। মাকে অসুস্থতাৰ কথা লুকুৱাই থৈছিল। এটা দিন আহিল যিটো দিনত সিহঁত মাতৃত্বৰ ছত্ৰছায়াৰ পৰা বঞ্চিত হ'ল। মাক মৃত্যুৰ কৰালগ্ৰাসলৈ তিল তিলকৈ গুচি গ'ল। মাকে মৃত্যুক আকোঁৱালিলে।





মৃত্যুৰ আগতে কোৱা কথা কেইষাৰ তাইৰ এতিয়াও মনত পৰে .....। তহঁতে নাকান্দিবি, কান্দি একো লাভ নাই, জীৱনত সংগ্ৰাম কৰিব লগীয়া হৈছে কৰ; তাক নিয়ন্ত্ৰণ কৰাৰ মোৰ কোনো উপায় নাই"।

অ' বাইদেউ ..... অ' বাইদেউ ..... ফোন আহিছে। ৰামুৰ মাত শুনি তাই উচপ খাই উঠিল। তাই দৌৰি গৈ ফোনটো ধৰিলে। হেল্ল, ..... আপুনি কোনে কৈছে? মই বীৰেণ দাসৰ ভনী স্নিগ্ধাই কৈছোঁ, কিন্তু আপুনি কোনে কৈছে? উত্তৰত "মই থানাৰ অ'চি পৰাগ চলিহাই কৈছোঁ, আপোনাৰ দাদা বীৰেণ দাস হস্পিটালত আছে। আপুনি অতি সোনকালে হস্পিটেললৈ আহক।"



হস্পিটেলত উপস্থিত হৈ যি শুনিলে ......হায় তাইৰ ককায়েকক এক মিনিটতে কোনো কাপুৰুষে বন্দুকেৰে নিষ্ঠুৰ ভাৱে ধকা সৰকা কৰি গুচি গ'ল। তাইৰ এক মাত্ৰ ককায়েকে সিহঁতক এৰি চিৰজীৱনৰ বাবে গুচি গ'ল এক অজান দেশলৈ। আকৌ এবাৰ সত্যৰ যোদ্ধা এজনে চিৰজীৱনৰ বাবে চকু মুদিবলগীয়া হ'ল।

মৰাশটোক আঁকোৱালি লৈ তাই কান্দিলে। তাই ভীষণ আৰ্তনাদ কৰিলে। তাইৰ আৰ্তনাদত হয়তো গছ লতায়ো এবাৰ হলেও চমকিত হৈছিল। কিন্তু দুৰ্বোধ্য মানৱৰ হৃদয় হয়তো এবাৰৰ বাবে হলেও কম্পিত হোৱা নাছিল। তাই কান্দিছিল মাথো কান্দিছিল, কোনেও ৰখাব পৰা নাছিল তাইক সেইদিনা। যি খন আইনৰ ৰক্ষাৰ বাবে তাইৰ পিতৃ-ভাতৃয়ে মৃত্যুক আকোঁৱালি ধৰিলে, সিহঁতৰ সেই আইনে কি দিলে? একে ঘটনাৰ পুনাবাবৃত্তি হ'ল সিহঁতৰ ঘৰত। বহুতৰ সান্তনাবাণী "জন্মিলে মৃত্যু হ'ব লাগে" কিন্তু এই মৃত্যুটো মৃত্যু নহয় অপমৃত্যুহে। কাৰো মুখত এষাৰো প্ৰশ্ন নাছিল কিয় এই মৃত্যু হ'বলৈ পালে? ইয়াৰ প্ৰতিকাৰৰ উপায় কি? তথাপিও মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে পূজা – অৰ্চনা কৰা হ'ল, নাম গোৱা হ'ল । কিন্তু স্নিগ্ধা আৰু প্ৰদীপৰ হৃদয়ৰ জ্বলা যন্ত্ৰণা কোনেও উপলব্ধি কৰিবলৈ সক্ষম নহ'ল।

ব্যস্ততাপূৰ্ণ মানুহ নিজৰ নিজৰ ব্যস্ততালৈ উভতি গ'ল। পূজা পাঠ শেষ হোৱাৰ পৰা প্ৰদীপ উধাতু খাই লৰি আহি ৰামুক কলে "ৰামুকাকা মোক একাপ চাহ দিয়া মই এফালে যাব লাগে। বাইদেউ ক'ত?" ৰামুৰ উত্তৰ " পিছফালে বহি আছে"। সি বায়েকৰ ওচৰলৈ গৈ ক'বলৈ ধৰিলে "বাইদেউ মনমাৰি থাকি লাভ নাই, কি পাবা? একো নোপোৱা, মৰাজন কেতিয়াও ঘূৰি নাহে বাইদেউ। মই এফালে যাওঁ অলপ দিনৰ পিছত ঘূৰি আহিম। তাৰ কথাষাৰ শুনি স্নিগ্ধাই তাক প্ৰশ্ন কৰিলে "ক'লৈ যাব বাজু"? ক'লৈ যাওঁ? কিয় যাওঁ? সবিশেষ ক'ব নোৱাৰিম বাইদেউ। মোৰ আৰু ধৈৰ্য্য নাই, একো নাপালোঁ। সকতে সিহঁতে আমাক মাউৰা সজালে, মাৰ টকাৰ অভাৱত মৃত্যুক হ'ল,দাদাক লৈ আমি মা – দেউতাৰ অপূৰ্ণতা পূৰণ কৰিছিলোঁ। কিন্তু আজি কাপুৰুষভাৱে দাদাকো সিহঁতে আমাৰ পৰা কাঢ়ি নিলে। ঠিক আছে গুণ্ডাক ধৰিবলৈ গৈ তোমাৰ দেউতাৰ মৃত্যু হ'ল। কিন্তু পৰিয়ালটোৰ ৰক্ষণা বেক্ষনৰ দায়িত্ব সেই ডাঙৰ ডাঙৰ ভাষণ দিয়া কেইজনৰ আছিল নে নাই? দেউতাৰ মৃত্যু কেনেকৈ হ'ল। কোনে কৰিলে? কিয় ফাইলবোৰ বন্ধ কৰিলে। দেউতাৰ মৃত্যুৰ বিচাৰ ইমান দিনে কৰা নহ'ল"? সি উত্তেজিত কণ্ঠেৰে কথাবোৰ কৈ গ'ল। সি যেন এটা প্ৰচণ্ড জ্বালামুখীৰ ৰূপ ধৰিছে যাৰ বিস্ফোৰণ হওঁ হওঁ।

স্নিগ্ধা নিস্তব্ধ। তাইৰ কোনো উত্তৰ নাছিল। যিটো প্ৰদীপে তাইৰ কোনো কথাৰ প্ৰতিবাদ নকৰে, সেই প্ৰদীপক যেন আজি তাইৰ কোনো কথাই তলাব নোৱাৰে। তাৰ কথাকইটাত সত্যতা আছে। "তাৰ মানে তাই ........।"অ ...... বাইদেউ ....। বাইদেউ দাদা আৰু দেউতা যি ৰাস্তাত গৈছিল মই নাযাওঁ , মোৰ মৃত্যু হ'ব। কাৰণ মই দোষীক দেখি মনে মনে বহি থাকিব নোৱাৰোঁ। মোৰ মৃত্যুৰ পাছৰ ফাইল বোৰ বন্ধ কৰা হ'ব। টকাই মোৰ মৃত্যুক ঢাকি পেলাব। বাতৰি কাকতে কেইদিন মান ধঁহাই পিহাই লিখি তাৰ সামৰণি পেলাব। তুমি তাৰ বাহিৰে একো নোপোৱা"।

"যা বাজু যা মই তোক যোৱাত বাধা নিদিওঁ"।

অলপ সময়ৰ পিছতে ৰামুৱে একাপ চাহ আনি প্ৰদীপক দিয়ে। প্ৰদীপে কয় "ৰামুকাকা এইকেইদিন বাইদেউ আৰু ঘৰখন চাবা"। ৰামুৱে অলপ নিৰ্বিকাৰ চাৱনিৰে প্ৰদীপলৈ চাই থাকি হঠাৎ নীৰৱতা ভংগ কৰি কয় "সকবোপা মই তোমাৰ কথাবোৰ শুনি আছিলোঁ, মই তোমাক কোলাত তুলি ডাঙৰ কৰিছোঁ। গতিকে বেয়া নোপোৱা

যদি কথা কেইটামান কওঁ। ডাঙৰ বাপু আৰু দেউতাৰ আত্মাই কষ্ট পাব তুমি যদি কোনো বেয়া পথে যোৱা। মই দেখি আহিছোঁ আজি বিশ বছৰে এই ঘৰখনৰ অৱস্থা। মোৰ দুখ আছে। তুমি বেয়া পথে যোৱাটো মই সহ্য কৰিব নোৱাৰিম। আমাৰ এইবোৰ ভাগ্যৰ দোষ, কি কৰিবা আৰু"।

প্ৰদীপে কৈ উঠে "শুনা ৰামুকাকা ভাগ্যৰ বলত এইবোৰ হোৱা নাই। হৈছে কিছুমান দেশদ্ৰোহী, বস্তুবাদী লোকৰ বাবে। মই এশিকনী সিঁইতক দিহে এৰিম। এনেকৈ সহি থাকিলে তোমালোকক আমাৰ নিচিনা মানুহবোৰৰ অৱস্থা নাইকিয়া হৈ যাব। মোক বাধা নিদিবা ৰামু কাকা, মোৰ আৰু সহ্য নহয়। ইহঁতক শুদাই নেৰো।" উত্তেজিত কণ্ঠেৰে সি কৈ যায়।

স্নিগ্ধাই কয় – ৰামুকাকা তাক যাবলৈ দিয়া বাধা নিদিবা।"

" আইদেউ - - - -।"

"অ' ৰামুকাকা জুইক কাপোৰেৰে ঢাকিবলৈ প্ৰয়াস কৰিলে সেই প্ৰয়াস বিফল হয়। তাক যাবলৈ দিয়া"। "আইদেউ সিঁইত মানুহ নহয়, মানুহৰূপী ৰাক্ষস। সিঁইতে সৰু বাপুকো হত্যা কৰিব।" ৰামুৱে কান্দি উঠে

"নহয় ৰামুকাকা প্ৰহ্লাদে এদিন হিৰণ্যকশিপুক বধ কৰিছিল, ভয় নকৰিবা যাবলৈ দিয়া তাক।"

প্ৰদীপে এবাৰ ৰামু আৰু স্নিগ্ধালৈ চাই দপ দপাই ওলাই যায়।

স্নিগ্ধাই বাজু যোৱাৰ পিনে একেথৰে চাই থাকে। মাত্ৰ এষাৰ কথাই তাইৰ মুখৰ পৰা ওলাই আহিল "প্ৰদীপ - - - - তোক - - - - ভগৱানে সহায় কৰক। মই তোৰ বাবে অপেক্ষা কৰিম।"

* * *

১। অসমীয়া ভাষা মোৰ বৰ মৰমৰ
জলন্ত সাধনা মোৰ কত জনমৰ — জ্যোতিপ্ৰসাদ আগৰৱালা।

২। সঁচা দোষখিনি দেখুৱাই দিলেই যদি মানুহ শত্ৰু হব লগীয়াত পৰে, তেনেহলে মিত্ৰ হৈ থকাতকৈ শত্ৰু হৈ থকা ব ৰ ং উপকাৰহে। অসমীয়াৰ পাতৰ ভাত আনক খাবলৈ নিদি যদি অসমীয়াই নিজে ৰাখিব পাৰে, তেনেহলে ইয়াতকৈ পুৰুষালি কথা আৰু কি আছে? হায়! অসমীয়া মানুহেনো কেতিয়া এক হবলৈ শিকিব।

— কমলা কান্ত ভট্টাচাৰ্য্য

৩। ভালকৈ অসমীয়া কবা। আচৰণবোৰো সেইদৰে। ভুলকৈ অসমীয়া কলে মই বৰ বেয়া শুনো। প্ৰতিটো অসমীয়া শব্দ শুৱলা আৰু অৰ্থপূৰ্ণ। নিজৰ ভাষা ভালকৈ নেজানি আনৰ ভাষা অখে ফুটাদি কলেও আমি হ'লে সোৱাদ নাপাওঁ। নিজৰ ভাষাক আদৰ কৰিবা

— জ্ঞানদাভিৰাম বৰুৱা

৪। ছাত্ৰ শক্তি যদিও প্ৰবল শক্তি, সি সংযত হলেহে হিতকৰ হ'ব; নতুবা সি অনৰ্থ উৎপাদন কৰে।

— লক্ষ্মীনাথ বেজবৰুৱা

৫। আৱশ্যকীয় ব্যৱহাৰ, উচিত তৎপৰ পৰিচালনা আৰু অনুশীলন নহলে সকলো বস্তুতে মামৰ ধৰে

— অম্বিকাগিৰি ৰায় চৌধুৰী।







# প্ৰহেলিকাৰ অন্তত



মৃণাল দাস
স্নাতক প্ৰথম বাৰ্ষিক (দিবা-কলা শাখা)

মৃন্ময়ে শোৱনি কোঠাত শুই আপোন মনে হাঁহি আছিল, নিতান্তই অকলশৰে। তেওঁক তেনে অৱস্থাত আবিস্কাৰ কৰি আগ্ৰহাতিশয্যাত যেতিয়া চন্দামিতায়ো হাঁহিব বিচাৰিলে তেতিয়া তেওঁ আশ্বৰ্য্যজনক ভাবে কান্দিব ধৰিছিল। শোকত অভিভূতা তাই ক্ৰন্দসী ৰূপ লৈছিল, তেতিয়া তেওঁ নিশ্চুপ হৈ শুই পৰিছিল। সন্মুখত থকা সত্বেও এনে লাগিছিল যেন মৃন্ময় তাইৰ ওচৰৰ পৰা ক্ৰমান্বয়ে আঁতৰি গৈ আছে দুৰৰ পৰা আৰু দূৰলৈ আৰু তেওঁৰ অপসৃয়মান শৰীৰটোলৈ চাই তাই সহায়হীনা বেচেৰীৰ দৰে মজিয়াত বহি চকুলো টুকিছে, নীৰৱে।

কিছুসময় পিছত জীৱনৰ প্ৰথম দৰ্শনৰ দৰেই অবাক বিস্মৃত নয়নে চাই আছিল তেওঁ, ভ্ৰান্তিবিহীন হৈ।

নিজম -নিস্তব্ধ কোঠাৰ কোমল চকীত এটা বেদনা গধুৰ মনলৈ বহি আছে চন্দামিতা। তেওঁলোকৰ পৰিপাটি সংসাৰ খনত নিজৰ সামান্য অসাৱধানতাৰ বাবেই কেতিয়াযে কেণা লাগিল তাই তলকিবই নোৱাৰিলে। হৃদয়ৰ সৈতে হৃদয়ৰ বুজা বুজিৰ পথটো তেওঁলোকৰ নতুন নহয়। কলেজীয়া জীৱনৰ প্ৰেমক পূৰ্ণাঙ্গ ৰূপদি বুজা বুজিৰ মজবুত বান্ধেৰে বান্ধ খাইছিল তেওঁলোক। তেওঁলোকৰ মিলন কাহিনীওতো বহুখিনি বাস্তবিকতাৰ সফল নায়ক নায়িকাৰ দৰেই। জাত পাতৰ ভিন্নতাকলৈ কঠোৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে যুঁজ দিছে তেওঁলোকে।

দুখন পবিত্ৰ হৃদয়ৰ বান্ধোনক ক্ষণভঙ্গুৰ আবেগিক প্ৰেমৰ কালিমা সানি মলয়াৰ মৃদু জোকাৰণিত স্থানচ্যুত হোৱা কপাহৰ সৈতে তুলনা কৰা পৰিয়াল দুটাৰ পৰা আঁতৰি এখন নতুন সমাজ গঢ়াৰ কল্পনা মানসপটত লৈ ইয়ালৈ আহিছিল তেওঁলোক, প্ৰায় দুবছৰ আগতে। নিজৰ দৃঢ় আত্মবিশ্বাস আৰু পৰস্পৰৰ অপ্ৰতিম ভালপোৱাই আছিল তেওঁলোকৰ সম্বল

ভাড়া ঘৰতেই তেওঁলোকে যুগ্ম জীৱনৰ পাতনি মেলিছিল। যদিও কিছু বাধ্য-বাধকতাত থাকিবলগীয়া হৈছিল তেওঁলোক যেন বেছ সুখী আছিল তেতিয়া।

চন্দামিতাৰ তাগিদাতে কিছু দিনৰ ভিতৰতেই এই ঘৰটো সাজে মৃন্ময়ে। নিজে সজা ঘৰটিত ভৰি দি চন্দামিতা যে কিমান উৎফুল্লিত হৈ পৰিছিল! সৰ্ব্বশৰীৰত দেহ-মন উতলা কৰা এক অপৰিচিত শিহৰণ বৈছিল তৰিৎ বেগে। আনন্দতে তাই মৃন্ময়ক সাবটি ধৰিছিল। ভাবাবেগ প্ৰকাশৰ সকলো শব্দই তেতিয়া পাহৰণিৰ অতল বক্ষত লুকাই পৰিছিল।

কিছুদিন আগলৈকেতো সকলো ঠিকেই আছিল। মৃন্ময়ে তাইৰ ইচ্ছা-অনিচ্ছাৰ প্ৰতিও গুৰুত্ব দি আহিছে। ইয়ালৈ আহিয়েই তেওঁলোকে কালাৰ টি.ভি. টো কিনিছিল। আৰু, কিছুদিন আগতেইতো ভিডিও কেচেট প্লেয়াৰটো আনে তেওঁ। ছবি ঘৰত গৈ ছবি উপভোগ কৰাৰ পৰিবেশ নাথাকে। যিহে মানুহৰ চিঞৰ বাখৰ; সামান্য এটা দৃশ্যতেই কিৰীলি। সব থাৰ্ডক্লাচ।

কিছুদিন আগতে চাহৰ আমন্ত্ৰণ ৰক্ষাৰ্থে বৰুৱানীৰ তালৈ গৈছিল তাই। বৰুৱানীয়ে নতুনকৈ গঢ়োৱা সোণৰ হাৰডাল যে ইমান ধুনীয়া! নতুন ধৰণৰ ৰূপাঙ্কন কৰা। চালে চকুৰোৱা। যথেষ্ট দামীও। হাৰডাল তাইৰ পছন্দ হোৱা বুলি জানি মৃন্ময়ে ইয়াতকৈ ভাল হাৰ এডাল তাইক গঢ়াই দিম বুলিছিল

প্ৰতিবেশী মিচেছ দাস আৰু নেওগহঁতৰ মাৰুতী আছে। মৃন্ময়েও বাইকখন বেচি এখন নতুন মাৰুতী লম বুলিছিল। চন্দামিতাই এবাৰ মাত্ৰ কৈছিল হে, তেওঁৱো যেন সেই কথাৰাবেই ভাবি আছিল। প্ৰতিবেশীৰ কান্ধৰ সৈতে কান্ধ, হাতৰ সৈতে হাত আৰু খোজৰ সৈতে খোজ মিলাই চলাবোতো এটা কথা আছে। মৃন্ময়ে এইবোৰ ভালদৰেই বুজে।

নন্দিতাহঁতৰ ৱাশ্বিং মেচিন আছে। সেওবাবে কাপোৰ ধুই থাকেতে ৱাশ্বিং মেচিন এটা হোৱা হলেই ভাল আছিল বুলি পৰোক্ষ ভাবে তাই কথাটো মৃন্ময়ৰ কাণ চোৱাই থৈছিল। দুদিনমান পিছত আকৌ এবাৰ কলেই হয়তো তেওঁ মেচিনটো কিনি আনিলেহেঁতেন।

যোৱাবেলি জুন-জুলাইত যে কিমান গৰম পৰিছিল! কেনৰ বতাহো তেনেই গৰম। এইবেলি এয়াৰ কুলাৰ লোৱাৰ পৰিকল্পনা তেওঁলোকে তেতিয়াই কৰি থৈছে। এতিয়ালৈ গৰম পৰা নাই যদিও কিছু আগতিয়াকৈয়ে কথাটো তাই মৃন্ময়ক সোঁৱৰাই দিছিল। লগতে ফ্ৰীজ এটাৰ কথাও কৈছিল তাই। তেওঁৰো 'ওঁ' বুলি সঁহাৰিছিল। তেওঁলোকৰ সকলোবোৰ কামেই সঠিক ভাৱেই আগবাঢ়ি থকা সময়তে সুখ স্বপ্নৰ ৰেল গাড়ীখন অকস্মাতে চিৰিৰ পৰা বিচ্যুত হৈ অপ্ৰত্যাশিত ভাৱেই যেন সকলো উলট পালট হৈ গ'ল। মৃন্ময়ৰ এই অকল্পনীয় পৰিবৰ্তন, অসাধাৰণ আচৰণ সকলোবোৰ যেন আগজাননী বিহীন প্ৰমত্ত ধুমুহাৰ দৰেই আহি তাইৰ জীৱনত তোলপাৰ লগালে। কুঁৱলীৰ দৰে ঈষৎ পোহৰৰ আভাৰ পিছতেই যেন তেওঁলোকৰ জীৱনত নিৰন্ত্ৰ অন্ধকাৰ নামি আহিল।

ৰাতিপুৱা অফিচলৈ যাব বুলি মৃন্ময়ে গা-পা ধুই লৈছিল। চন্দামিতাই তেওঁৰ কাৰণে ভাত সজাই ডাইনিং ৰুমত অপেক্ষা কৰিছিল। ভিতৰৰ কোঠাত দেৰি কৰি থকা বাবে "কপোৰ যোৰ পিন্ধোতেই তোমাৰ ইমান দেৰি লাগেনে? বুলি তাই এবাৰ চিঞৰিলে। ভিতৰৰ পৰা কোনো সঁহাৰি নহাত বিৰক্তিৰে তাই গৈ ভিতৰ কোঠা পালে।

— এয়া কি! তুমি এতিয়াও কাপোৰ যোৰেই পিন্ধা নাই? তোমাৰ গা বেয়া নেকি? বিচনাত শুই থকা মৃন্ময়ৰ বাহুত ধৰি জোকাৰিলে তাই। তেওঁ নিৰুত্তৰ। দৃষ্টিস্থিৰ। চন্দামিতাই এইবাৰ তেওঁক সজোৰে জোকাৰিলে। — এই কি হ'ল তোমাৰ, এতিয়াও শুই আছা যে? মৃন্ময়ৰ কোনো সঁহাৰি নাই। নিশ্চুপ হৈ তেওঁ যেন গভীৰ নিদ্ৰাত। তেওঁ একেবাৰে আকৌ কেইবাৰাবো চিঞৰিলে - — হেৰা, নুঠা কিয়? উঠা। ...... তুমি একো নোকোৱা কিয়? তাইৰ চিঞৰ শব্দতৰঙ্গ হৈ বহু দূৰলৈ ধ্বনিত হ'ল যদিও মৃন্ময়ৰ কাণত যেন একেবাৰেই নোসোমাল। তেওঁ আগৰ অৱস্থানতে নিশ্চল হৈ ৰ'ল। ইয়াৰ পিছত তাইৰ মাতটো ক্ৰমান্বয়ে থোকা থুকি হৈছিল।

ডাক্তাৰ দেৱ গুপ্তাই চন্দমিতাৰ কথাখিনি শুনি আৰু দুটা মান প্ৰশ্ন কৰিছিল। — তেওঁৰ আগতেও এনেকুৱা হৈছিল নেকি? কিমান দিনৰ পৰা এনেকুৱা হৈছে? আগতে তাই ডাক্তৰক জনোৱা নাই কিয়? .... আগতেও মৃন্ময়ৰ দুবাৰ এনেকুৱা হৈছিল যদিও ইমান সময়লৈ তেনেদৰে থকা নাছিল। কিছু সময় পিছতেই সাধাৰণ অৱস্থালৈ আহিছিল। প্ৰথম বাৰতো তেওঁ ধেমালি কৰি থকা যেনহে ভাব হৈছিল।

ডাক্তাৰ দেৱ গুপ্তা যোৱাৰ সময়ত কৈ গ'ল যে মৃন্ময় আচলতে হিষ্টিৰিয়াত ভুগিছে। অতিপাত ভয়, চিন্তা, হতাশা বা মৰ্মান্তিক বেদনাত এনেকুৱা হব পাৰে। এই ক্ষেত্ৰত এজন ডাক্তাৰতকৈ



যোনো তাইৰ ওপৰতেই মৃন্ময়ৰ বহুখিনি নিৰ্ভৰ কৰিছে।

ডাক্তাৰ দেৱ গুপ্তাৰ কথাখিনি শুনি বিপন্ন প্ৰতীতিত চন্দামিতা নিথৰ হৈ গ'ল। তেওঁ বাৰু এনে কি দুঃচিন্তা আৰু হতাশাত ভুগিছে যাৰ বাবে সিঁহঁতৰ তন্দ্ৰানিকুম নিদ্ৰামগ্ন নৈশৰ অন্ত পৰিল। তেওঁৰ জীৱনত এনে কি ঘটিল যাৰ বিন্দুমাত্ৰাও উমান তাই নাপালে। তেওঁ এই একমাত্ৰ কথাটোৰেইবা তাইৰ ওচৰত গোপনে ৰাখি কিয় বাৰু নিজকে এনেদৰে নিঃশেষ কৰি দিব বিচাৰিছে? এই সকলোবোৰ প্ৰশ্নই ডাঙৰ প্ৰহেলিকা হৈ তাইৰ ওচৰত থিয় দিলে।

ইয়াৰ পিছত আৰু দুটা দিন পাৰ হৈ গ'ল যদিও এই বিষয়ে তাই মৃন্ময়ক কোনো প্ৰশ্নই কৰা নাই। তেৰোঁ চন্দামিতাক একো সোধা নাই। যেন তেওঁৰ কোনো বেমাৰেই হোৱা নাই। নতুবা তেওঁৰ বেমাৰৰ বিষয়ে যেন সকলো অৱগত। নিয়মিত যোৱাৰ দৰে আজিও তেওঁ অফিচলৈ গুচি গৈছে আৰু চন্দামিতা নিজম নিস্তব্ধ কোঠাৰ কোমল চকীত বিষন্ন মনেৰে বহি আছে।

ৱাল ক্লকটোৱে ইতিমধ্যে তিনি বজাৰ সংকেত দিলে। কিছু সময় পিছতে মৃন্ময় আহি পাব আৰু আৰম্ভ হব আৰু এটা বিষন্ন প্ৰহৰ। নাই, এনেদৰে আৰু নোৱাৰি আজি সকলো প্ৰহেলিকাৰ অন্ত পেলাব লাগিব। দৃঢ় সিদ্ধান্তত উপনীত হৈ চন্দামিতা চকীৰ পৰা উঠি গৈ মৃন্ময়ে বিবাহ বাৰ্ষিকত উপহাৰ দিয়া সাজযোৰ উলিয়ালে। বেঙুনীয়া ৰঙৰ শাৰীৰ সৈতে একে ৰঙৰ ব্ৰাউজ। এইটো মৃন্ময়ৰ প্ৰিয় ৰং।

শাৰীখন পিন্ধি আপাদ-মস্তক চাব পৰা আইনাখনৰ সন্মুখত থিয় হৈ আঁচল ঠিক কৰি ললে তাই। শিৰৰ সেন্দুৰীয়া বাটটো কিছু অস্পষ্ট হোৱাত ৰঙ সানি ডাঠ কৰি থকা সময়তে বাহিৰত বাইকৰ শব্দ শুনা গ'ল।

মৃন্ময়ে কলিং বেলৰ বুতামত হাত দিয়াৰ আগতেই তাই দুৱাৰখন খুলি দিলে। তাইৰ সু-সজ্জিত সাজোন কাচোন দেখি এক পলক উদাস উদভ্ৰান্ত নেত্ৰে চাই কলে — "কৰবালৈ যোৱা"? তাই মুখ জোকাৰি না কৰিলে। তেওঁ ভিতৰলৈ সোমাই অহাত তাই দুৱাৰখন পুনৰ বন্ধ কৰি দিলে।

আগতে এইযোৰ সাজ পিন্ধিলে তেওঁ চন্দমিতাৰ ৰূপ বখানি কৈছিল — "এই শাৰীখনে তোমাক ইমান শুৱায়! চাবা আকৌ; কাৰোবাৰ চকু লাগিব"। আজি কিন্তু তেওঁ এনে কোনো মন্তব্যই নকৰিলে।

চন্দামিতাই টাইৰ নটটো খুলি দি কলে — " তুমি অলপ ফ্ৰেচ হৈ আহা,মই তোমাৰ বাবে চাহ কৰোঁ। মৃন্ময় বাথৰুমৰ ফালে যোৱাত তাই গৈ ৰন্ধনশালাত সোমাল।



মৃন্ময়ৰ হাত-মুখ ধোৱা হয় মানে চন্দমিতাৰ চাহ হৈছিলেই। চাহ পিয়লা তেওঁৰ হাতত দি তাইয়ো ওচৰতে বহিল।

— দুপৰীয়াৰ টেব্‌লেটটো খাইছিলানে?

— খালোঁ,

— মৃন্ময়ে সংক্ষিপ্ত উত্তৰ দি একান্ত মনে পিয়লাত ওঁঠ স্পৰ্শ কৰালে। চন্দামিতাই কথাষাৰ কেনেদৰে আৰম্ভ কৰিব তাকেই চিন্তা কৰি আছিল। চাহ পিয়লাত অন্তিম শোহাটো মাৰি মেজত থোৱাত মৃন্ময়ৰ এখন হাত তাইৰ আবেষ্টনীলৈ আনি আঙুলি কেইটাৰ সৈতে খেলা কৰিবলৈ ধৰিলে। তেওঁ সেই পিনে তেনেই উদাস ভাব দেখুৱাই প্ৰায় জোৰ কৰিয়েই হাতখন আবেষ্টনীৰ পৰা মুক্ত কৰি চকীৰ পৰা উঠি গৈ বিচনাত বহিল। চন্দামিতা ক্ষন্তেকৰ বাবে — মই অপ্ৰতিভ হ'ল। তাৰ পিছত তেওঁক অনুসৰণ কৰি কলে — মই জানো, তুমি এই কেইদিন সাংঘাতিক দুঃচিন্তাত ভুগিছা। নিয়মিত খোৱা বোৱাও নকৰা। মোৰ সৈতে ভালদৰে কথাও নাপাতা। মৃন্ময়ে একো নকলে। তাই আৰু অলপ ওচৰ চাপি বহিল।

— এই, কি হৈছে, একো নকলা যে? শান্ত গম্ভীৰ স্বৰে তেওঁক জয় কৰিব বিচাৰিলে। — মৃন্ময়, নাৰী সকল জানো কেৱল পুৰুষৰ পত্নী হৈয়ে বয়? সুখ, দুখ, সংসাৰ জটিলতাৰ সমভাগীওতো হয় পত্নী। মৃন্ময়, আমি গোটেই জীৱন একে লগে জীয়াই থকাৰ শপত খাইছোঁ। আমাৰ মাজত কোনো প্ৰাচীৰ থকাটো ঠিক নহয়। পতি পত্নীৰ শৰীৰ ভিন্ন হলেও মন-প্ৰাণ এক হয়। তেনে ক্ষেত্ৰত মোৰ ওচৰত তুমি কোনো কথাই লুকোৱা উচিত নহয়। ইয়াৰ পৰা আমাৰ মাজত ভুল বুজা বুজি হ'ব পাৰে। তুমি যদি খোলা খুলিকৈ কথাবোৰ কোৱা তোমাৰো মনটো পাতলিব। মৃন্ময় মৌন হৈ থকা দেখি কলে — পত্নী হিচাপে জানো তোমাৰ ওচৰত ইমান খিনি আশা কৰিব নোৱাৰোঁ ? নে, তুমি মোক যোগ্য বুলি নাভাবা? - শেষৰ ফালে চন্দামিতাৰ মাতটো সেমেকি উঠিছিল। তাই কথাৰ মাজেৰে এনে এটা মুহূৰ্তলৈ আগুৱাই যাব বুলি মৃন্ময়ে কেতিয়াও ভবা নাছিল। আজি প্ৰথম বাৰৰ বাবে তেওঁৰ সন্মুখত তাই উচুপিছে। তেওঁৰ নিজৰেই বেয়া লাগিল। তাইতো কোনো দোষ কৰা নাই। আলফুলকৈ চন্দামিতাৰ এখন হাত তেওঁৰ দুহাতৰ বন্ধনত আনি কলে,

— কিয় তেনেকৈ ভাবিছা? তোমালৈ মোৰ বহুত মৰম আছে। যাৰ কোনো তুলনা নাই।

— তুমি মোৰ মন ভুলাবলৈ কৈছা। — অভিমান ভৰা চন্দামিতাৰ কণ্ঠ।

— নহয় চন্দা, সঁচা কৈছোঁ। তোমাক দেখাৰ পূৰ্বে কোনো নাৰীয়েই মোক তেনেদৰে আকৰ্ষণ কৰিব পৰা নাছিল। তোমাৰ চাগে মনত নাই — সেই দিনাও তুমি বেঙুনীয়া ৰঙৰে শাৰী পিন্ধি আহিছিলা। তোমাৰ ওঁঠ, চকু, চুলি, সাজ-সজ্জা সকলোৰেই এক অপূৰ্ব সৌন্দৰ্য্য মোৰ চকুত পৰিছিল। যিটো আগতে অইন ক'তো মই বিচাৰি পোৱা নাছিলোঁ। যেতিয়াৰ পৰাই তোমাক দেখিছিলোঁ কেৱল এটাই চিন্তা হৈছিল, কেনেদৰে মই তোমাক কথাবোৰ জনাম? ইয়াৰ পিছত যেতিয়া তোমাক পালো মোৰ এটাই দুঃচিন্তা হ'ল তোমাক যাতে হেৰুৱাই নেপেলাওঁ।

— মইতো সদায়েই তোমাৰ, তাতে দুঃচিন্তাৰ কিটো আছে? — চন্দামিতাৰ তেনেই সৰল কথা। মৃন্ময়ে এক পলক তাইলৈ চাই কলে —

— চন্দা, আমি দুয়ো জনেই সকৰে পৰা লাহ বিলাহ আৰু যান্ত্ৰিকতাৰ মাজত ডাঙৰ দীঘল হৈছোঁ। আমাৰ পৰস্পৰৰ প্ৰতি থকা অপ্ৰতিম ভালপোৱাই মা-দেউতাৰ মৰম, ধন, সম্পত্তি আৰু যান্ত্ৰিকতাৰ পৰা বিচ্ছিন্ন কৰি আমাক ইয়ালৈ লৈ আহিছে। লাহ-বিলাহৰ মাজত ডাঙৰ হৈ আহি যুগ্ম জীৱনত অৰ্থভাৱ আমাৰ দুয়োৰে ভালপোৱাৰ অন্তৰায় হব পাৰে বুলি ভাবি মোৰ ভয় হৈছিল। কাৰণ, আমাৰ ঘৰখনে যে আমাৰ দুয়োৰে মিলনক কেতিয়াও সহজ ভাবে গ্ৰহণ নকৰে সেয়া মই আগতেই জানিছিলোঁ। সেয়ে ঘৰৰ পৰা বিচ্ছিন্ন হৈ হ'ব পৰা অৰ্থাভাৱৰ কথাও বাৰুকৈয়ে চিন্তা কৰিছিলোঁ। বিচ্ছিন্ন হৈ হ'ব পৰা অৰ্থাভাৱৰ কথাও বাৰুকৈয়ে চিন্তা কৰিছিলোঁ।

— আচলতে মই তোমাক কেতিয়াও হেৰুৱাব বিচৰা নাছিলোঁ। তোমাৰ কথা চিন্তা কৰিয়েই মই শ্বেয়াৰ বিজিনেচ আৰম্ভ কৰিছিলোঁ। দেউতাৰ বন্ধু দুজনৰ পৰা সেই টকা আনিছিলোঁ। মৃন্ময় টকা ঋণ লৈ। দেউতাৰ বন্ধু দুজনৰ পৰা সেই টকা আনিছিলোঁ। মৃন্ময় ক্ষন্তেকৰ বাবে বৈ গ'ল। বোধহয় কথাষাৰ অত দিন চন্দামিতাৰ ওচৰত লুকুৱাই ৰখাৰ অপৰাধ প্ৰৱণতাই তেওঁৰ ওঁঠৰ শব্দবোৰত জড়তা সানি দিছে। কথাবোৰে প্ৰাণ পোৱাত আকৌ যেন লাহে লাহে তেওঁৰ ওঁঠৰ পৰা নিগৰি আহিল। — কেৱল দেউতাৰ বিশ্বাসতেই তেওঁলোকে মোক টকা দিছিল। যেতিয়াই দেউতাই মোক ত্যাজ্যপুত্ৰ কৰিলে ততালিকে তেওঁলোকে চুক্তিৰ কথা বাদ দি টকা উভতাই বিচাৰিলে। কিন্তু, তেতিয়াই মই তেওঁলোকৰ টকা উভতাই দিব নোৱাৰোঁ বুলি কলো। মোৰ হাতত জমা টকাও নাছিল। যিখিনি আছিল তাৰে এই মাটি খিনি কিনি পেলাইছিলোঁ। কাৰণ দৰ্শাই তেওঁলোকক সোনকালেই টকা উভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিলোঁ।

কথাবোৰ তেতিয়া তোমাক বহু বাৰ কম বুলি ভাবিও কব পৰা নাছিলোঁ। কাৰণ, ভাড়া ঘৰত থাকি তুমি তেতিয়া এখন নিজৰ ঘৰৰ সপোন দেখি আছিলা, আৰু তোমাৰ এই সপোনটো ভাঙিদিয়াৰ ইচ্ছা মোৰ নহ'ল।

তেওঁলোকৰ টকা পৰিশোধ কৰাৰ পৰিৱৰ্তে যেতিয়া মই এই ঘৰটো সাজিলোঁ। তেওঁলোক অগ্নিশৰ্মা হৈ মোক জীৱনৰ ভয় দেখুৱালে। উপায়ন্তৰ হৈ মই বিজিনেচ সম্পূৰ্ণ ৰূপে বাদ দি তেওঁলোকৰ অৰ্দ্ধাংশ টকা পৰিশোধ কৰি বাকীখিনি পিছত দিম বুলি কলোঁ। কিন্তু, তেওঁলোক মান্তি নহ'ল। মই তেতিয়া বন্ধু এজনৰ পৰা টকা ধাৰলৈ আনি তেওঁলোকৰ সম্পূৰ্ণ টকা ঘূৰাই দিলো। তেতিয়া মা জীৱিত। দেউতাই ত্যাজ্যপুত্ৰ কৰিলেও মোৰ প্ৰতি মাৰ ভালপোৱা সদায় অক্ষুন্ন আছিল। আমাৰ কোনো অসুবিধা নহওক বুলিয়েই মায়ে নিজৰ প্ৰপাটিৰ পৰা কিছু টকা প্ৰতিমাহে পঠিয়াইছিল। আৰু সেই টকাৰে ক্ৰমানুয়ে বন্ধু জনৰ ঋণ পৰিশোধ কৰি গৈছিলোঁ। কিন্তু, হঠাতে হৃদক্ৰিয়া বন্ধ হৈ মা মৰি থাকিল। আৰু সকলো পৰিকল্পনা শেষ হৈ গ'ল।

এখন মাৰুতী, ফ্ৰীজ, এয়াৰ কুলাৰ, ৱাছিং মেচিন এটা তোমাক উপহাৰ দিয়াৰ দুৰ্দ্ধাৰ ইচ্ছা মোৰো হয়। তোমাক সকলো ফালৰ পৰাই সুখদি জীৱন মধুৰ কৰাৰ স্পৃহা মোৰ জাগে। কিন্তু কি হব? এই সুখ শব্দটোৰ সৈতে অৰ্থ ইমান অঙ্গাঙ্গী ভাবে জড়িত যে এটাৰ অবিহনে অইনটো কেবল আভিধানীক শব্দ হৈয়ে বয়। — নিতাল নিস্তব্ধ কোঠাত মৃন্ময়ৰ কথা কেইটা টেপৰেকৰ্ডাৰত বাজি থকাৰ দৰে লাগিছিল। তেওঁ হিয়া উজাৰি শূণ্য হোৱাত কোঠাটোত তেনেহ নিশব্দতাই বিৰাজ কৰিলে। কথাৰ মাজতেই তেওঁ চন্দামিতাৰ হাতখন মুক্ত কৰি দিছিল। মুহূৰ্তবোৰ পাতলাৰলৈ তাইৰ মনে উপায় এটা খেপিয়াই থাকোঁতেই মৃন্ময় গৈ খিৰিকিখনৰ ওচৰত থিয় হ'ল। তাই উদ্বিগ্নভাৱে তেওঁৰ কাষ চাপি ধীৰ কণ্ঠৰে কলে

— তুমি সেই বন্ধুজনৰ টকা সম্পূৰ্ণ ঘূৰাই দিলানে? তেওঁ মূৰ জোকাৰাত তাই পুনৰ কলে — মৃন্ময়, মাৰুতী-ফ্ৰীজ-এয়াৰ কুলাৰ-ৱাশিং মেচিন এইবোৰ নহলেও আমি চলিব পাৰিম। তুমি আগতে বন্ধুজনৰ টকাখিনি উভতাই দিয়া, যি জনে আমাৰ প্ৰতি ইমানখিনি সহানুভূতি দেখুৱাই শ্ৰেষ্ঠ সুহৃদৰ পৰিচয় দিছে। মই ঘৰৰ পৰা অনা সোণৰ হাৰ ডালেই বেচি দিওঁ। পিছত যেতিয়াই ইচ্ছা তুমি গঢ়াই দিবা। নিদিলেও হব, ৰূপৰ ডালেৰেই চলিব। মৃন্ময়ে কিবা কোৱাৰ পূৰ্বেই তাই আকৌ কলে — আৰু এটা কথা কওঁ? মৃন্ময়ৰ সহাঁৰি পাই তাই ক'লে — মই আগতে নাচ শিকিছিলোঁ, এতিয়া যদি অকণিহঁতক নাচ শিকাও তোমাৰ একো আপত্তি নাইতো?— চন্দামিতাৰ ফুল কুমলীয়া কথা কেইটাই মৃন্ময়ৰ মন পাতলাই তুলিলে। তেওঁ ওঁঠেৰে তাইৰ কপাল স্পৰ্শ কৰি ক'লে—

— সোণজনী, তুমি ইমানখিনি কষ্ট নকৰিলেও হ'ব। কেৱল আমাৰ ভালপোৱাৰ গোলাপ পাহি মৰহি নোযোৱাকৈ সদায় সজীৱ কৰি ৰাখিবা। চাবা, মোৰ আৰু কোনো বেমাৰ নহয়।

— অ' মৃন্ময়, তোমাৰ সেই বেমাৰটো আৰু কোনো দিনেই নহওঁক চন্দামিতাই তেওঁক সাৱটি ধৰি অস্ফুট স্বৰে কলে। মৃন্ময়ে খিৰিকিৰে দূৰলৈ চালে। বাহিৰত উন্মুক্ত আকাশ। যোৰ পাতি নীড় মুখী বলাকা উৰতিছে। সিহঁতেও বোধহয় নীড়ৰ সোৱাদ পাইছে। তেওঁ ঈষৎ হাঁহিলে। চন্দামিতাই লাজতে ৰঙা চিঙা পৰি তেওঁৰ বুকুৰ মাজত লীন হৈ গ'ল।

* * *

-ঃ শ্যায়েৰী ঃ-

"জো আগ লগাই থী তুমনে উস্‌কো তো বঝায়া অস্কোনে, জো অস্কোনে ভৰকাই হয়ে উস্ আগকো ঠান্দা কোন কৰে?

"যি অগনি তুমি লগাইছিলা তাক নুমালা চকুলোৱে; কিন্তু চকুলোৱে যি অগনি জ্বলায় তাক নুমাব কোনে?"

"এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হবলৈ পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ, সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।

— বিষ্ণুপ্ৰসাদ ৰাভা







# অনাকাংক্ষিত সময়

শ্ৰী নবীন বুঢ়াগোহাঁই
স্নাতক, ১ম বৰ্ষ (কলা)

গাওঁখনৰ সিমূৰে দক্ষিণলৈ বৈ যোৱা নদীখনৰ নাম পগলা নদী। ইয়াৰ পাৰতে কত স্বপ্ন, জীৱন-যৌৱনৰ স্নেহ প্ৰীতিৰ এই পগলা নদীৰ পাৰৰ নলনী ডৰা মোহনে মেচি দাখনেৰে নলচটিকানিবোৰ কতো যেন নলৰ মূড়া এডালো বাচি যাব নিদিয়ে, তেনেদৰে কাটিব লাগিছে। তাৰ সমান পৰিশ্ৰম কৰা গাৱঁখনতে দ্বিতীয় এটা নাই বুলিবই পাৰি। সি এই পগলা নদী পগলা বানপানী দেখা। কত এই নদীকলৈ কৰা অলৌকিক সাধুও শুনিছে। আকৌ এই নদীৰ মহিমাও সি দেখিছে

মোহনে এইবাৰ ৰবিশস্যৰ খেতি কৰিব পগলা নদীৰ পাৰৰ এই মাটি ডোখৰত। মাটিবোৰ বেছ উৰ্বৰ। সি খন্তেক পৰ বৈ মাটিবোৰ



চুই চালে তাৰ পাছত নিজৰ ওপৰতে নিজে সন্তোষ লভি আকৌ নিজৰ কামত ধৰে। সি পাৰ্যমানে শক্তি প্ৰয়োগ কৰি জোকক্ জোৰক্ শব্দ সৃষ্টি কৰি গা-হিলাই হিলাই নল কাটি গৈছে। তাৰ হাতৰ মুঠিৰ পৰা, কপালৰ পৰা আৰু দেহৰ অন্যান্য অঙ্গৰ পৰা ঘাম,ৰবমুণ সৰাৰ দৰে জৰজৰকৈ সৰিব লাগিছে। কেনে ফুটুকাৰে বাঢ়ি অহা বানপানীত পৰি পুলিমেটেকা ছেদেলি-ভেদেলি হোৱাৰ দৰে, তাৰ মনটোও ছেদেলি-ভেদেলি হবলৈ ধৰিলে। তাৰ মনৰ ভাববোৰ আউল লাগিব ধৰিলে, মনটো শাওনীয়া বতৰ যেন হৈ পৰিল খন্তেক তন্ময়তাৰে ব'ল সমান্তৰাল ভাৱে একে সময়তে মনে দুটা কামত লাগি থাকিল। তাৰ মনৰ অন্তৰ্দ্বন্দ্ব কেতিয়াৰ পৰা বেছি হ'ল বাৰু? সি ভাবিলে

তাৰ ঠিক মনত পৰিল। যেতিয়াই মহাজনৰ শালিতলিত আধিখেতি কৰিছিল তেতিয়াৰে পৰা তাৰ এই জীৱনৰ আদাবয়সতে সংসাৰ ফাট মেলিছিল।

যোৱাবাৰ তাৰ শালি খেতি নহপহকৈ ফেহঁ ধৰোতে ভাদ মহীয়া বানে ডমাডমে মেটেকা উঠাই বোৱাবোৰ চেপেটা কৰি থৈ গৈছিল। বানৰ পানীয়ে ৰ'দ পাই শুকালে। তাৰ লগে লগে সেউজীয়া বোৱা মেটেকাৰ তলত পৰি গাপখাই গেলি পচি গ'ল। দুই এডাল ওপৰলৈ মুখ কৰি উঠিছিল,হলেও সেই কেইডাল বোৱা বুলিবতো নোৱাৰি? ইফালে পুনৰ নোৱাৰ বাবে সময়ো নাই। বোলে মেটেকা সাৰ বৰ ভাল। আলুৰ গুৰিত দিলে আলু বৰ বৰ হয়। মোহনৰ বোৱা গুৰিত আপোনা আপুনি মেটেকা উঠিছিল; কিন্তু তাৰ বোৱা বোৰ পানী আৰু গেলা মেটেকা লগ লাগি পেটেকা কৰি থৈ গ'ল। ফলত সি আযোনত কাচি লগাবলৈকো নাপালে। "কাচি"? তাৰ মনত এই শব্দটোৱে অনবৰতে খেদি ফুৰে। স্মৃতি তাৰ চিৰ লগৰীয়া হৈছে। গভীৰ বিষাদ। হৃদয় তিয়াই থৈছে বেদনাভূতিয়ে।

কাচিৰ কথা মনলৈ অহাৰ লগে লগে তাৰ আৰু মনটো বেছি গভীৰ হৈ গ'ল। তাৰ চেংকৈ গোলাপীৰ কথা মনলৈ আহিল। মানুহে অকণমানি মৰমৰে মানুহক কিমান সুখানুভূতি আৰু উৎসাহ প্ৰেৰণা, সাহস যোগায়! গভীৰ মমতাৰ তাৰ সৰল হৃদয়খনে বাৰে বাৰে গোলাপীৰ মধুৰ বাৰ্তালাপ কামনা কৰে মাজে মাজে। সি আৰু ভাবিলে গোলাপীয়েই তাৰ অৰ্দ্ধখন সমূলে আৱৰি আছে। গোলাপীয়েই তাৰ কিমান আপোন আছিল, আৰু তাইৰ সতে ইমানবোৰ সপোনৰ ঘৰ সাজিছিল সি। তাইৰ কথা মনত পৰিলে তাৰ বুকু ধপধপায়। এতিয়াও গোলাপীৰ মৰমবোৰ তাৰ বুকুত সঞ্চিত হৈ আছে। তাই থকা হলে তাৰ ইমান কষ্ট নহলহেঁতেন। অন্ততঃ গধূলি গৈ সি ঘৰ পোৱাৰ লগে লগে এবাৰ মৰমৰ মাত পালেহেঁতেন! তাৰ দিনটোৰ দুখ পাতলি গলেহেঁতেন। মনটো খঙত, ক্ষোভত, ঘৃণাত জ্বলি উঠিছিল। সেই উতনুৱা স্বভাৱৰ ৰবলা মহাজনে বুদ্ধি কৰি অসমত সত্তেও তাৰ ওচৰৰ পৰা আতঁৰাই নিলে। তাইৰ বাবেইতো সি ঘৰৰ ত্যাজ্যপুত্ৰ হৈছিল। তাইৰ সাহসত, তাইৰ মৰমত এক অনিশ্চিত ভৱিষ্যতত আত্মবিশ্বাসেৰে ভৰি থৈছিল। কিন্তু এইয়া তাৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। এতিয়া পগলা নদীৰ পাৰত এনে সংগ্ৰাম কৰিছেহি। হাড়-ভগা কাম কৰি এটা মাত্ৰ পেট ভৰাবলৈ সি আজি এনে পৰিশ্ৰম কৰিছে। খাবৰ বাবে সি জীয়াই থকা নাই, খাই বৈহে জীয়াই আছে।

"এই কুকুৰ মহাজনটো কতা থুই" — বুলি ভয়ংকৰ ঘৃণাত সি থু-পেলালে।

প্ৰথম আহি সি এই গাৰঁত সোমায়ে মহাজনৰ মানুহৰ প্ৰয়োজন বুলি জানি সি তাঁলৈ গৈ তাতে ন-ঘৈনীয়েকক লৈ থাকিছিল মহাজনৰ ঘৰৰ পাছফালে এটি সৰু জুপুৰিত। তাতে থকা বাবেই সেই মহাজনৰ মুখত পৰি গোলাপীয়ে কামোৰ খালে। আৰু প্ৰথমে সি এই ঘটনাৰ হৈ যোৱাৰ পাছত মহাজনৰ প্ৰাণ ধুলিত মিলাই দিও বুলি হাতত দা লৈ গৈয়ো থমকি ৰ'ল। গোলাপীৰ মুখলৈ চাই। সি নিজকে প্ৰবোধ দিলে হয়তো তাৰ লগত গোলাপীয়ে বৰ কষ্ট পাইহে এনে প্ৰতাৰণা কৰিছে। তথাপি তাৰ মনে নসহে। সকলো হেৰুৱাই জীৱনটোক জীয়াই ৰাখিবলৈ সংগ্ৰাম কৰিছে। সি জীৱনটোক ভাল পায়। হাজাৰ বাৰ ভুল কৰিলেও গোলাপীৰ মৰমবোৰ তাৰ বুকুৰ একোণত এতিয়াও সেমেকাই ৰাখিছে। কত কল্পনা কৰিছিল গোলাপী আৰু সি! 'ধেৎতেৰি' বুলি অকলে চিঞৰিলে; মাত্ৰ তাৰ কথা গছ বননি বিলাকে শুনিলে নীৰৱ শ্ৰোতা হৈ ৰ'ল গছবননি।

তাৰ এতিয়া ঘৰ বুলিবলৈ নাই। ৰাতিটো থাকিবৰ কাৰনে সি পথৰ দাঁতিত খালৰ ওপৰতে এটি চাঙৰ জুপুৰি বান্ধি আছে। তাত তাৰ গোলাপীৰ কাচিখন খুউব সযতনে থৈ দিছে। সেই কাচিখনেই তাৰ এতিয়া শেষ সংগী। কাচিখন মামৰে ধৰিবৰ উপক্ৰম হল। কাচিখন বাহঁৰ কামিৰ কেপতে গুজি থৈ দিছে। কোনো কোনো সময়ত সি কাচিখন মোহাৰি জোকাৰি থয়। সেই সময় কণতে তাৰ অন্তৰত এটি অবুজ বেদনা আৰ্তনাদ কৰি উঠে আৰু বুকুৰ মাজেদি এডাল শৰ আহি বুকু ভেদ কৰি যোৱা যেন পায়। কিন্তু মামৰ ধৰাত সি বাধা দিব পৰা নাই। কাচি কি দু-ৰ্গতি! আঘোণ মাহত কাচি তত নাইকিয়া হোৱাৰ বিপৰীতে আজিৰ বেৰৰ কেপত চেপেতা হৈ আছেগৈ।

সি ইমানবোৰ কথা ভাবিলে যে নল কাটি ক'ত পালেহি এবাৰ বৈ চালে। পগলা নদীত জালোৱা এজনে জাল মাৰি থকা সি অনুমান কৰিলে। অলপ পাছত সি মনৰ স্ফুৰ্তিত নে বেদনাত তেনে এক অবুজ ভাষাৰে এবাৰি বনবীয় ঘোষা নাম গাইছে। তেনেসময়তে মোহনে বিং এটা মাৰি মাতিলে "অ ককাই মাছ পাইছানে?"

"হয়। পাইছোঁ। পিছে কোনে মাতিছ বুজিব পৰা নাই অ?"

মাছমৰীয়াজনে খুব কৰ্কশ মাত উলিয়ালে

"মই - মোহন।"

"অ পিছে তই নলনি কাটিছ নেকি"?

"হয় ককাই এইবাৰ ছাই সৰিয়হ কৰিম বুলিয়ে, ভাবিছো। নলবোৰ কটাৰ পাছত দেখিলো ছাই সৰিয়হ কৰিব পৰা যাব। নলবোৰ সব জুই লগাই দিম শুকুৱাৰ পাছত। সব জুই লগাই দিম..... পৰা হলে গোটেই ......

"কৰ মোহন মইয়ো এসময়ত এনে পৰিশ্ৰম কৰিছিলোঁ তোৰ দৰে অৱস্থাত পৰি। এতিয়া মাছৰ বেপাৰত ধৰিছো এনেকৈয়ে পেট প্ৰবৰ্তাইছোঁ। সকলোকে জাল পেলাই মাছ ধৰা দৰে ধৰিব পৰা হলে মই .....

জালোৱাই আৰু কি কৈ গ'ল, মোহনে নুশুনিলে। ইতিমধ্যে জালোৱাকাই বহু দূৰ আগবাঢ়ি গৈছিল। তথাপি আবু কি জানো এখোপা ........ কৈ গৈয়ে আছে।

মোহনে নদী পাৰৰ নলী ডোখৰ এনেদৰে মেচি দাৰে কাটিলে আৰু কিমান দিন লাগিব তাকে ভাবি ভাবি জিৰাই লোৱা চলেৰে অকৰা ধপাতৰ হাচটি খুলি ধপাত বিলাক টুকুৰা টুকুৰ কৰি হাতৰ তলোৱাত চূণ লগাই হাতৰ তলিতে মোহাৰিবলৈ ধৰিলে। অকৰা ধপাত বৰ ভালকৈ মিহি নকৰিলে চোক নোলাই বুলি ৰবখৰকৈ বুঢ়া আঙুলিৰে হেঁচুকিলে আৰু সি ইখন হাতৰ পৰা সিখন হাতলৈ সাতপাঁচ কৰি মুখত ভৰালে। সি মহাতৃপ্তি পাবলৈ ধৰিলে। অৱশ্যে অলপ জিভাত উঁকা যেন তাৰ অনুমান হ'ল।

ইতিমধ্যে বেলি লহিয়াইছিল।

সি নলকে কাটিছেনে বাহঁ গছ কাটিছে ধৰিব নোৱাৰা হ'ল। কাৰণ নলবো পাৰ আছে বাহঁৰো পাৰ আছে। সি তাৰ পিঠিফালে আকাশখনিক ৰঙা কমলা ৰং দেখা পাইছে। বেলি ওলাইছেনে সোমাইছে ধৰিব পৰা নাই। তথাপিও সি বুজিব পাৰিছে কাম কৰি কৰি তাৰ দেহাই ভাগকৰা হৈছে এনে নলকে বাহঁ যেন পাইছে। কি যে হ'ল তাৰ দেহ। তাৰ পাছত খন্তেক পৰ ৰ লাগি ৰ'ল।

মোহনে মন স্থিৰ কৰি দেখিলে সি আচলতে নলৰ চিটিকানিহে মেচি দাৰে কাটিছে। নল আৰু বাহঁ দেখিবলৈ একে যদিও বাহঁবোৰ ওখ নলবিলাক চাপৰ। মোহনৰ চকুত পাৰ্থক্য মূলতে সেইটিয়ে। আকৌ পিঠি ফালে সি ৰঙা যেন দেখা সেই ৰং দপদপকৈ জ্বলি বেলিটোৱেই ছাই ৰঙৰ দৰে হৰৰ উপক্ৰম হৈছে। মোহনে ভাবিলে "তাৰ মানে মোৰ জীৱনৰ পৰা আৰু এটা দিন পাৰহৈ গ'ল।

মোহনে ভাগকৰা দেহাৰে মূৰ তুলি দেখে পগলা নদীৰ পাৰ গোটেইখন কাঁহ পৰি জিনযোৱা যেন। সি আৰু কেইবাদিনো আহিব লাগিব নলকাটি মাটি ডৰা পৰিষ্কাৰ কৰিবলৈ। সুদুৰত দেখা পালে কেইটামান চৰাই উভতি আহিছে বাসস্থানৰ কোনো এজোপা গছত আশ্ৰয়ৰ বাবে।

পগলা নদী পাৰহবলৈ সি চুৰিয়া কোচাই ললে আঠুঁলৈকে, এহাতত মেচিদা, যেন সি তাৰ ঘৰলৈ অহা নাই; এখন যুদ্ধ ক্ষেত্ৰলৈহে ৰণংদেহি মনোভাৱ লৈ খোজ দিছে।

(মহাবিদ্যালয় সপ্তাহত প্ৰশংসিত)



## আমাৰ গৌৰৱ




মৃগাংকজিৎ গোস্বামী, শ্ৰেষ্ঠ পাঞ্জা খেলুৱৈ।



মিচ অৰ্চনা দেৱী, ছোৱালীৰ শ্ৰেষ্ঠ খেলুৱৈ।



শ্ৰীনবীন বৰদলৈ, ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীসত্যজিৎ ৰাজবংশী, তৰ্কবিভাগৰ ,শ্ৰেষ্ঠ প্ৰতিযোগী।



শ্ৰীকুশল চন্দ্ৰ কলিতা , সদৌ অসম ভিত্তিত আয়োজিত ৰচনা প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ।



আধেশ কুমাৰ সিং, আন্তঃ মহা বিদ্যালয় মাৰাথান দৌৰ প্ৰতিযোগী।



শ্ৰীধীৰেন ডেকা, শ্ৰেষ্ঠ সমাজ সেৱক



কাবাদীৰ শ্ৰেষ্ঠ দল, সৰ্বশ্ৰী প্ৰফুল্ল কুমাৰ, নয়নজ্যোতি মজুমদাৰ, কুশল চন্দ্ৰ কলিতা, গণেশ চন্দ্ৰ ৰায়, নবীন বৰদলৈ, মুনিন্দ্ৰজিৎ গোস্বামী, নিৰঞ্জন শৰ্ম্মা।

# দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ১৯৯৫-৯৬ বৰ্ষ


সভাপতি : শ্ৰীযুত বেদকান্ত হাজৰিকা


সম্পাদক : মঃ জাকিৰ আলী


সহ সম্পাদক : শ্ৰী ইন্দ্ৰ কুমাৰ গগৈ


আলোচনী সম্পাদক : শ্ৰীকুশল চন্দ্ৰ কলিতা


তৰ্ক আৰু আলোচনা সম্পাদক :
শ্ৰীপ্ৰিয় মোহন কলিতা


গুৰু ক্ৰীড়া সম্পাদক : শ্ৰীমুকুট কাকতি


লঘু ক্ৰীড়া সম্পাদক : শ্ৰীদীপক হীৰা


ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক :
শ্ৰীঅঙ্কুৰ বৈশ্য


ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা
শ্ৰীৰূপাঞ্জলী দেৱী


সমাজ সেৱা সম্পাদক : শ্ৰীমুকুল

সাংস্কৃতিক সম্পাদক : শ্ৰীপল্লৱ প্ৰাণ বৰুৱা
(ফটো পোৱা নগ'ল)



# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৯৫- ৯৬ চন

## সাধাৰণ সম্পাদক

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ সেইসকল বীৰ সন্তানলৈ মোৰ প্ৰণাম নিবেদন কৰিছোঁ, যি সকল বীৰে অসমী আইৰ কাৰণে অকালতে মৃত্যুবৰণ কৰি স্বহীদ হৈছিল। ১৯৯৫-১৯৯৬ বৰ্ষৰ দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দিচিনা এটা গধুৰ দায়িত্ব লবলৈ মোক নিৰ্বাচিত কৰা বাবে সমূহ দিশপুৰীয়ান বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। কাৰ্যকালৰ ভিতৰত বিভিন্ন দিশত দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ৰেবকান্ত হাজৰিকা আৰু মোৰ বন্ধু-বান্ধৱী কমল, হেমন্ত, মুকুট, দীপাঙ্কৰ, নুৰহাচান, পৃথ্বিৰাজ, দিলীপ,প্ৰদীপ, জুপিতৰা, বিশ্বজিৎ, শিখা, বিৰাজ, আৰু মৃদুলৰ ওচৰত মই চিৰকৃতজ্ঞ আৰু তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

কাৰ্যকালৰ চমু বিৱৰণ :- ১৯৯৫-৯৬ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে মোৰা ১১-২-৯৫ ইং তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰগতিৰ হকে কৰিবলগীয়া কাম যথেষ্ট থাকে, কিন্তু সীমিত মূলধনেৰে আটাইবোৰ কাম সুচাৰুৰূপে কৰা সম্ভৱ নহয়। তথাপি ঘাট-প্ৰতিঘাট বা ভুল-ভ্ৰান্তিৰ মাজেৰে অতিবাহিত কৰি অহা কাৰ্যকালৰ চমু আভাষ দাঙি ধৰিলোঁ।

মহাবিদ্যালয়ৰ খেলা-ধুলা, সঙ্গীত, কুইজ আদিত প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে আৰু মানসিক তথা শাৰীৰিক উৎকৰ্ষ সাধনাৰ্থে চলি অহা ''মহাবিদ্যালয় সপ্তাহ'' এইবেলিও ১৪-২-৯৫ ইং তাৰিখে আৰম্ভ কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা ১৮-২-৯৫ ইং তাৰিখে ''বটা বিতৰণী সভা'' আৰু ''সাংস্কৃতিক সন্ধিয়া'' পতা হয়। বটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে শ্ৰীযুত কেশৱ মহন্ত দেৱে আৰু বিশিষ্ট অতিথি হিচাপে শ্ৰীযুত অতুলা নন্দ গোস্বামীদেৱে যোগদান কৰে। মহাবিদ্যালয় সপ্তাহত নতুনত্বৰ সৃষ্টিৰ প্ৰচেষ্টাত কিমান দূৰ সফল হব পাৰিছোঁ তাৰ বিচাৰৰ ভাৰ দিশপুৰীয়ান বন্ধু-বান্ধৱীৰ হাততেই তুলি দিলোঁ।

নবাগত আদৰণি সভা আৰু সৰস্বতী পূজাও মোৰ কাৰ্যকালৰ ভিতৰতেই সুকলমে হৈ যায়।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন ধনৰ অভাৱত নিয়মীয়াভাৱে প্ৰকাশ নহয়। সেইবাবে এইবাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আলোচনী খন প্ৰকাশ কৰাত গুৰুত্ব দিয়া হৈছে।

অভাৱ অভিযোগ :- আমাৰ মহাবিদ্যালয়ত অসমীয়া, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু শিক্ষা বিষয়ত মেজৰ (Major) পাঠ্যক্ৰম খোলা হৈছে যদিও আৰু বহু কেইটা বিষয়ৰ মেজৰ (Major) পাঠ্যক্ৰমৰ অভাৱ ছাত্ৰ-ছাত্ৰী সকলে অনুভৱ কৰে। মোৰ কাৰ্যকালতে দিশপুৰ মহাবিদ্যালয় আছু (A.A.S.U.) গোটে আমাৰ মহাবিদ্যালয়লৈ দুটি পানী ফিল্টাৰ দিয়ে।

আমাৰ মহাবিদ্যালয়ত বৰ্তমানেও অসীম অভাৱ জুমুৰি দি আছে। মই ইয়াৰ সমাধানৰ কাৰণে চেষ্টাৰ ক্ৰটি কৰা নাই। আমাৰ মহাবিদ্যালয়ৰ এখন খেলপথাৰ নাই। খেল ধেমালিৰ কাৰণে গোপাল বড়ো উমাঃ বিদ্যালয়ৰ খেলপথাৰখন ব্যৱহাৰ কৰা হয় যদিও খেলপথাৰখন সকলো খেলৰ কাৰণে উপযুক্ত নহয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত ছাত্ৰ-জিৰণি কোঠা আৰু ছাত্ৰী-জিৰণি কোঠা দুটা যথেষ্ট সৰু। বেছিভাগ সময়তে দেখা যায় ছাত্ৰ-ছাত্ৰী সকলৰ বহতে জিৰণি কোঠাত বহিবলৈ নাপাই য'তে ত'তে থিয় হৈ থাকিবলগীয়া হয়। মহাবিদ্যালয় পুথিভঁৰালটোও যথেষ্ট থেক আৰু ডেস্ক-বেঞ্চৰ সংখ্যাও কম। ছাত্ৰ-ছাত্ৰী সকলৰ চাইকেল, স্কুটাৰ আদি থোৱা আস্থান নাই। মহাবিদ্যালয়খনত সোমালেই চকুত পৰে অৰ্ধনিৰ্মিত তোৰণখন। তোৰণ খনৰ কাম সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিছিলোঁ যদিও আৰ্থিক অভাৱৰ কাৰণে সেয়া সফল নহ'ল। মহাবিদ্যালয় খনত এটা স্থায়ী শ্বহীদ বেদী নাই। আৱশ্যক হলে কাঠেৰে অস্থায়ী ভাৱে সজা হয়। মহাবিদ্যালয় খনৰ কাৰণে এইটো এটা দুখৰ বিষয়।

বৰ্তমান বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মাজতেই দলীয় ৰাজনীতিৰ প্ৰভাৱ দেখা যায়। ই মহাবিদ্যালয়ৰ বাবে শুভ লক্ষণ নহয়। এই দলীয় ৰাজনীতিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ভেদাভেদৰ ভাব জগাই তোলে। প্ৰথমতে আমি দিশপুৰীয়ান হৈ মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰা উচিত।

সামৰণি :- সদৌ শেষত দিশপুৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ লগতে বিগত কাৰ্যকালৰ সময়ছোৱাত আপোনালোকৰ ওচৰত কৰা ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি মোৰ বছৰেকীয়া প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদ

মঃ জাকিৰ আলী





## সহকাৰী সাধাৰণ সম্পাদক

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



জয় জয়তে শত শত শ্বহীদৰ কেঁচা তেজৰ প্ৰতি আৰু যুগে যুগে যি সকলে দেশৰ শিক্ষা-সংস্কৃতি আৰু অস্তিত্বৰ বিপন্ন মুহূৰ্তত আত্মবলিদান দিয়ে সইসকলৰ স্মৃতিত মোৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ। দিশপুৰ মহাবিদ্যালয় ১৯৯৪-৯৫ চনৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা-প্ৰতিদ্বন্দিতাৰে এই অভাজনক সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিক তথা আপোনালোকক সেৱা কৰাৰ যি সুবিধাকণ দিলে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

সহকাৰী সাধাৰণ সম্পাদক হিচাপে ছাত্ৰ-একতা সভাৰ দায়িত্ব গ্ৰহণ কৰিয়েই মনতে কল্পনা কৰিছিলোঁ, মহাবিদ্যালয়খনি পূৰ্বৰ শোচনীয় অৱস্থাৰ পৰা যৎকিঞ্চিত হলেও সুস্থ কৰিম। কিন্তু মহাবিদ্যালয়খন পাৰিপাৰ্শ্বিক, অৰ্থনৈতিক আদি কৰি বিভিন্ন সমস্যাৰে জৰ্জৰিত। তথাপিতো মোৰ কাৰ্যকালত মহাবিদ্যালয়খনিৰ প্ৰতি কি কৰিব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

বৰ্তমান অসমৰ প্ৰতিটো দিশতেই দিনে দিনে অৱক্ষয় ঘটিছে। অসমৰ আকাশে-বতাহে, বাহিৰে-ভিতৰে মাথো হিংসা, দুন্দ-খৰিয়াল, হত্যা, শোষণ-নিস্পেষণ আদিৰ আহযাহ। মানুহে মানুহক চিনি নোপোৱা হৈছে। বৰ্তমান অসমৰ বুকুত সাম্প্ৰদায়িক সংঘৰ্ষ বিৰাজমান। যাৰ ফলত অসমৰ ঐক্য ভাঙি চুৰমাৰ হৈছে। বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত ইতিমধ্যে কিছুমান ক্ষুদ্ৰ স্বাৰ্থক লৈ অৰিয়া অৰিৰ সৃষ্টি হৈছে। যাৰফলত জাতীয় সংকটে দেখা দিছে। অসমীয়াৰ জাতীয় সত্বা আজি বিপন্ন।

এনে এক মুহূৰ্তত ভৱিষ্যতৰ দেশৰ কৰ্ণধাৰ ছাত্ৰ-ছাত্ৰী সকলৰ দায়িত্ব আৰু কাৰ্য্য অতি গধুৰ। ছাত্ৰ সমাজৰ সচেতনতাইহে দেশ তথা জাতিক বচাব পাৰিব।

'দিশপুৰীয়ান' সকল, সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাৰ্যকালত সম্পাদন কৰা বিভিন্ন কাম কাজৰ খতিয়ান দাঙি ধৰাৰ প্ৰয়োজনবোধ এই অভাজনে নকৰিলোঁ। কিয়নো সহকাৰী সম্পাদকৰ তেনে-কোনো স্বতন্ত্ৰীয়া দায়িত্ব নাছিল। যি কাম কৰিছিলো সকলোবোৰ সাধাৰণ সম্পাদক ডাঙৰীয়াৰ সৈতে যুগ্ম ভাবে কৰিছিলোঁ। অৱশ্যে অন্যান্য বিষয়-ববীয়াসকলকৰ কাৰ্যসূচীসমূহতো সম্পূৰ্ণ সহযোগীতা আগবঢ়াইছিলোঁ।

মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ সভাপতি তথা অধ্যক্ষ শ্ৰীযুত ৰেবকান্ত হাজৰিকাদেৱে যি সহায়-সহযোগ আৰু গঠনমূলক দিহা পৰামৰ্শ আগবঢ়ালে তাৰবাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। বিভিন্ন বিভাগৰ উপদেষ্টা, অধ্যাপক, অধ্যাপিকা আৰু সতীৰ্থবৃন্দই সকলো ক্ষেত্ৰতে কাৰ্য্য সম্পাদনাৰ ক্ষেত্ৰও দিহা-পৰামৰ্শ, সহায়-সহযোগ কৰি যি সহানুভূতি প্ৰকাশ কৰিলে তাৰবাবে সকলোকৰ ওচৰত আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ ।

সৰ্বশেষত মহাবিদ্যালয়ৰ ভৱিষ্যৎ সুন্দৰ হোৱাৰ কামনাৰে সহকাৰী সম্পাদকৰ কলম সামৰিলোঁ ।

'জয় আই অসম'

শ্ৰী ইন্দ্ৰ নাথ গঁগৈ

চিকিৎসাধীন আৰু সহঃ সাঃ সম্পাদকৰ অনুপস্থিতিত ২৩ অক্টোবৰ ৯৬ তাৰিখে অনুষ্ঠিত নবাগত আদৰণি সভাখনৰ গধুৰ দায়িত্ব মূৰ পাতি লৈ সম্পাদনা কৰিব লগা হয়। ১৯৯৫-৯৬ চনৰ ছাত্ৰ একতা সভাখন সমস্যাৰ মাজেৰে জন্ম হৈ সমস্যাৰ মাজতেই শেষ হৈ আহিছে, যদিও সমস্যাৰ অৱসান ঘটাবলৈ ত্ৰুটি কৰা নাই। শৈক্ষিক পৰিবেশৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিয়ে বিভাজন আৰু প্ৰলোভনেৰে স্বাৰ্থ পূৰণ কৰা ৰাজনৈতিক নেতাৰ মহাবিদ্যালয় প্ৰৱেশ দুৱাৰত হেঙাৰ স্বৰূপে আছিলো। তাৰ বাবে অৰ্থৰ সমস্যা অৱসান ঘটাবলৈ কিছু কঠিন হ'ল। কিন্তু শান্তি একতাৰ নাঠিডাল আমাৰ চিৰ লগৰী হৈ থাকিল ....

এই খিনিতে ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া স্বাৰ্থৰ অনুকূলেহে সদায়েই মাত মাতি আহিছিলো তাক ন-দি কৰ পাৰো। যাৰ বাবে সময়ত মহাবিদ্যালয়ৰ লগত জড়িত কেইজনমান ব্যক্তিৰ সৈতে বাক-বিতৰ্কৰ মুখা-মুখি হব লগা হৈছিল। এই বিতৰ্কত উপজা অঁসোৱা যদি কোনোবাই মনতে পুহি ৰাখিছে, সেইবোৰ আতৰাই দিবলৈ অনুৰোধ জনালো। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই এই বৰ্ষত যিবোৰ কাৰ্যসূচী লৈছিল, সেই কাৰ্যসূচীসমূহ পালন কৰাত দিশপুৰ মহাবিদ্যালয়ৰ কাৰ্যনিৰ্বাহক হিচাপে সামৰ্থ্য অনুযায়ী নেতৃত্বৰে সহায় সহযোগ কৰিছিলো। নৱ-নিৰ্বাচিত অসম সাহিত্য সভাৰ সভাপতি ড০ লক্ষীনন্দন বৰাদেৱক আৰু গোটৰ সম্পাদক বিপুল দাসৰ সৈতে কহিনুৰ নাট্য মঞ্চত আমি নিজে অভিনন্দন জনাইছো। এই খিনিতে, ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকৰ পৰা 'সদৌ গুৱাহাটী' ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহিকলৈ প্ৰতিনিধি হিচাপে মোক পঠোৱাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত, মোৰ কাৰ্যকালত যিসকল সুহৃদ শিক্ষাগুৰু বন্ধু-বান্ধৱীয়ে তেখেত সকলৰ বিভিন্ন সহায় সহযোগ, দিহা-পৰামৰ্শ দি মোক উৎসাহী কৰিলে তেখেতসকলক মই গলবস্ত্ৰে চিৰ কৃতজ্ঞতাৰ শৰাই যাছিলোঁ। পৰিশেষত, বিদায়ৰ ক্ষণবোৰ সদায়ে বেদনা দায়ক। নিষ্ঠুৰ বেদনাবোৰে নিৰ্মম ভাবে অত্যাচাৰ কৰে মোৰ হৃদয়ত। অজ্ঞাত ভুলৰ বাবে ক্ষমা ভিক্ষাৰ পাত্ৰ লৈছো। আশা ৰাখিলোঁ আগন্তুক সকলে এই দিশপুৰ মহাবিদ্যালয় আলোচনী 'অৰুণ' আৰু 'প্ৰাচীন পত্ৰিকা'খনৰ অধিক উন্নতি কৰি ধাৰাবাহিকতা অক্ষুন্ন ৰাখিব। তাৰ বাবে আগন্তুক সকলৰ ওচৰত মোৰ শতবাৰ বিনম্ৰ অনুৰোধ। অনাগত দিনত পুনৰ চিনাকী ঘাতত লগ পোৱাৰ আশাত শুভ কামনাৰে।

জয় আই অসম।

শ্ৰদ্ধাসহ
কুশল চন্দ্ৰ কলিতা

* * *

# সাংস্কৃতিক সম্পাদক

## দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰতিবেদনৰ আৰম্ভনিতে দিশপুৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক মৰম চেনেহ ও শ্ৰদ্ধা যাচিছোঁ।

যোৱা ১৯৯৫-৯৬ ইং বৰ্ষৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ ওপৰত অশেষ আস্থা স্থাপন কৰি অপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত মোক মহাবিদ্যালয়ৰ সেৱা কৰাৰ বাবে আগবঢ়াই দিলে। তাৰ বাবে মই তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ চিৰ নমস্য অধ্যক্ষদেৱ, সন্মানিত অধ্যাপক-অধ্যাপিকা বৃন্দ আৰু সমূহ কৰ্মচাৰীলৈ মোৰ অন্তৰভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল।

এইবাৰ ১৯৯৫-৯৬ বৰ্ষৰ আমাৰ মহাবিদ্যালয়ত সাত দিনিয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগত ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰতিযোগিতাৰ সংখ্যা নগণ্য আছিল। সংগীতত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা যে নাই এনে নহয়, আছে। তেওঁলোকে মুকলিমুৰীয়াকৈ ওলাই আহি প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰি লগতে মহাবিদ্যালয়ৰ গৌৰৱ বঢ়োৱাত সহায় কৰে যেন। এইবাৰ মহাবিদ্যালয় সপ্তাহত সংগীত প্ৰতিযোগীতাত ১৯৯৫-৯৬ চনৰ শ্ৰেষ্ঠ গায়িকা খিতাপ অৰ্জন কৰিব নোৱাৰিলে।

সংগীতৰ ওপৰিও এইবাৰ মহাবিদ্যালয় সপ্তাহত বহুকেইটা নতুন প্ৰতিযোগিতা পতাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও প্ৰতিযোগীৰ সংখ্যা সীমিত হোৱাৰ বাবে বাদ দিবলগীয়া হয়। মহাবিদ্যালয় সপ্তাহত ভেশচন আৰু একক অভিনয় প্ৰতিযোগিতা যথেষ্ট আকৰ্ষনীয় হৈছিল। গজল আৰু ভজন প্ৰতিযোগীয়ে প্ৰতিযোগিতাৰ বাবে নাম অন্তৰভুক্ত কৰিছিল যদিও সময়ত প্ৰতিযোগীৰ সংখ্যা নগন্য হোৱা বাবে বাদ দিব লগা হয়। অনুপৰি বৰগীত, লোকগীত, জ্যোতি সংগীত, আধুনিক গীত, জিকিৰ, কৌতুক আদি ভালেমান প্ৰতিযোগিতা ভালদৰে হৈ যায়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উৎসাহ উদ্দীপনা বঢ়াবলৈ কলেজৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ নিয়াৰ ইচ্ছা কৰিছিলোঁ, কিন্তু মহাবিদ্যালয়ৰ সীমিত পুঁজিৰ বাবে এই ইচ্ছা কাৰ্যকৰি কৰাৰ পৰা বিৰত থাকিবলগীয়া হয়।

সাংস্কৃতিক বিভাগৰ কাম সুকলমে চলাই নিবলৈ সহায় সহযোগ আগবঢ়োৱা বন্ধু বান্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা জয়জ্যোতি গোস্বামী বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ সমূহ কামত সহায় কৰা বাবে একতা সভাৰ প্ৰতিগৰাকী সদস্য আৰু অগ্ৰজ প্ৰতিম, দিপ কুমাৰ তামুলী, ৰঞ্জীত হাজৰিকা, যুপিতৰা চৌধুৰী, ইবানী শইকীয়া, মণিকা শৰ্মা, নিজুমণি বৰ্মন, বিশ্ব বড়া, নব কুমাৰ বৰ্মন, হেমন্ত বড়া, দিপঙ্কৰ বৰ্মন, নিজু মনি বড়া, ছাহেনচাহ গগৈ, লক্ষী ৰয়, সঞ্জীৱ কুমাৰ সিনহা, জ্যোতি প্ৰকাশ পাটগিৰি, চন্দনা কলিতা, ডেইজী বড়া, ধীৰেশ্বৰ দাস, অনুপম বড়া, এই সকলো বন্ধু-বান্ধৱীলৈ বিশেষভাৱে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত পৰৱৰ্তী ছাত্ৰ একতা সভালৈ মই কেইটিমান অভাৱ বিষয় উনুকীয়াই থৈ যাব খুজিছোঁ যাতে তেওঁলোকে এই অভাৱ সমূহ পূৰণ কৰিবলৈ যত্নপৰ হয়।

১ - আমাৰ শিক্ষা জীৱনৰ প্ৰধান আহিলা হৈছে পুথি ভঁৰালটো ইয়াতকৈও আৰু উচ্চ মানদণ্ডৰ কৰি ছাত্ৰ-ছাত্ৰীৰ অভাৱ আঁতৰাই পেলাব লাগে।

২ - মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন উচ্চমানৰ চাহ দোকান (কেন্টীন)ৰ সুব্যৱস্থা কৰিব লাগে, যাতে ছাত্ৰ-ছাত্ৰীয়ে বহুদূৰলৈ চাহ খাবলৈ যাব লগীয়া নহয়।

৩ - ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে।

৪ - মহাবিদ্যালয়ত এতিয়াও স্থায়ী শ্বহীদবেদী স্থাপিত নোহোৱাটো বৰ পৰিতাপৰ বিষয়।

এই ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক কৰযোৰে অনুৰোধ জনালোঁ।

সৰ্বশেষত সমূহ বন্ধু-বান্ধৱীক অনুৰোধ জনাইছোঁ, তেওঁলোকে যেন হাতে হাতে ধৰি ঐক্যবদ্ধভাৱে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়নৰ বাবে কামত ব্ৰতী হৈ আমাৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ কল্পনা বাস্তৱত ৰূপায়িত কৰাৰ প্ৰয়াস কৰে। ইয়াকে কামনা কৰি মই মোৰ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন অশেষ ধন্যবাদেৰে সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে

**শ্ৰী পল্লৱ প্ৰৱন বৰুৱা**



সম্পাদক

## ছাত্ৰ জিৱণি কোঠা

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

পোন-প্ৰথমে মই অসমী আইৰ বাবে নিজৰ মূল্যবান মানৱী জীৱন উছৰ্গা কৰা শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ
আৰু লগতে সেই মাতৃ সকলক মোৰ আন্তৰিক ধন্যবাদ যাচিছো যি সকল মাতৃয়ে নিজৰ বুকুৰ তেজক অসমী আইৰ বাবে উছৰ্গা
কৰিছিল। হে বীৰ শ্বহীদ তোমালোকৰ আত্মাই চিৰশান্তি লাভ কৰক।

মহাবিদ্যালয়ৰ ১৯৯৫-৯৬ বৰ্ষৰ বাবে অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত যি সকল বন্ধু-বান্ধৱীৰ সহযোগত মই ছাত্ৰ জিৱণী কোঠাৰ
সম্পাদকৰ বাবে নিৰ্বাচিত হওঁ সেই সকলোলৈও মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালৰ গুৰুত্বপূৰ্ণ সময়খিনি আছিল মহাবিদ্যালয় সপ্তাহৰ অন্তৰ্গত কেৰম, চেছ্ আদি খেল সমূহ। এই খেলসমূহত
যথেষ্ঠ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল আৰু মই দৃঢ় ভাৱে কব পাৰোঁ যে আমাৰ মহাবিদ্যালয়ত ভালে সংখ্যক
প্ৰতিভাৱান খেলুৱৈ আছে। মোৰ তত্বাৱধায়কৰ দায়িত্বত আছিল শ্ৰীযুত শান্তনু চক্ৰবৰ্তী ছাৰ। কিন্তু দুৰ্ভাগ্যবশতঃ শ্ৰীচক্ৰবৰ্তী
চাৰে মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাই আমাৰ মহাবিদ্যালয়ৰ পৰা গৈ কটন মহাবিদ্যালয়ত চাকৰিত নিযুক্ত হয়। সেই সময়ত
মই উপায় বিহীন হৈ পৰিছিলোঁ যদিও মাননীয় অধ্যক্ষ মহোদয়ে দিয়া উপদেশৰ সহায়ত মই মোৰ কাৰ্য্য সম্পাদন কৰিব
পাৰিছিলো। বহুদিনৰ পৰা মনত এটা আশা পুহি ৰাখিছিলোঁ মহাবিদ্যালয়ৰ উন্নয়নমূলক কামত নিজকে জড়িত কৰাৰ বাবে আৰু
সেই আশা ফলৱতী হব বুলি ভাবিছিলোঁ; কিন্তু মোৰ এই আশা পূৰণ কৰিব নোৱাৰিলোঁ। ইয়াৰ মূল কাৰণ হিচাপে ছাত্ৰ-ছাত্ৰী
সকলক জনাঁও যে আমাৰ জিৱণী কোঠাৰ বাবে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা পোন্ধৰ (১৫.০০) টকাকৈ ৰবঙনি সংগ্ৰহ কৰা হয়
যদিও জিৱণী কোঠাটোত এতিয়াও বহিব পৰাকৈ বেঞ্চৰ অভাৱ। আমাৰ মহাবিদ্যালয়ত প্ৰায় ১৮০০ মান ছাত্ৰ-ছাত্ৰী আছে। এই
বৃজন পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা পুজিৰে জিৱণী কোঠাটোৰ ভালেখিনি উন্নতি সাধন কৰিব পৰা যায়। এই কথা
বিবেচনা কৰি চাবৰ বাবে মই মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা অধ্যক্ষ মহোদয় আৰু অধ্যাপক অধ্যাপিকাসকলক অনুৰোধ
কৰিলো।

প্ৰতিবেদনৰ সামৰণিত মই কেইটামান কথা অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক জনাব বিচাৰিছোঁ।

১। আমাৰ মহাবিদ্যালয়ৰ বৰ্তমান ছাত্ৰ জিৱণী কোঠাটো যি ঠাইত আছে তাৰ পৰা ইয়াক স্থানান্তৰ কৰি কোঠাটো আহল-
বহল কৰা।

২। জিৱণী কোঠাটোৰ প্ৰসাৰ বৃদ্ধি কৰি তাত টেবুল টেনিছ আৰু শৰীৰ চৰ্চাৰ ব্যৱস্থা কৰা।

৩। জিৱণী কোঠাত বৰ্তমানে থকা কেৰম বৰ্ড কেইখনৰ অৱস্থা শোচনীয়। তাৰ ঠাইত নতুন কেৰম বৰ্ডৰ যোগান ধৰা।

আশাকৰে কৰ্তৃপক্ষৰ লগতে অধ্যক্ষ মহোদয়েও উক্ত বিষয়কেইটাত চকু দিব। এই ক্ষেত্ৰত মই মোৰ পৰৱৰ্তী সম্পাদকজনক
জনাব বিচাৰিছোঁ তেওঁ যেন এই বিষয় কেইটা মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দৃঢ়ভাৱে উত্থাপন কৰে।

শেষত মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনাৰে।

শ্ৰী অংকুৰ বৈশ্য









সম্পাদিকা

## ছাত্ৰী জিৱণি কোঠা

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

১৯৯৫-৯৬ চনৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৱণি কোঠাৰ সম্পাদিকা হিচাপে নিযুক্ত হবলৈ যি সকল ছাত্ৰ-ছাত্ৰীয়ে অনুগ্ৰহ
কৰি তেওঁলোকৰ বহুমূলীয়া ভোটেৰে মোক জয়যুক্ত কৰি আমাৰ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিলে তেওঁলোক
সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা থাকিল। লগতে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা
জ্ঞাপন কৰিলোঁ।

কাৰ্য্যভাৰ লোৱাৰ কিছুদিনৰ পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ উদ্‌যাপনৰ দায়িত্ব আহি পৰে। ছাত্ৰী জিৱণি কোঠাৰ
প্ৰতিযোগিতাসমূহ উন্মোচন কৰে শ্বহীদ মতিউৰ ৰহমানৰ মাতৃদেৱীয়ে। নন শিতানেৰে পৰিপুষ্ট বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰী
সকলৰ সহাৰি, আছিল আশাব্যঞ্জক। ছাত্ৰী সকলৰ এই স্বতঃস্ফূৰ্ত সহাৰিক যথাযথভাৱে সন্মানিত কৰিবপৰাটো মোৰ বাবে আছিল
এক সাফল্য আৰু ছাত্ৰী সকলৰ বাবে নিশ্চয় অনুপ্ৰেৰণাৰ উৎস।

বিভিন্ন অভাৱৰ নিদৰ্শন আমাৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৱণি কোঠাটো। বৰ্দ্ধিত ছাত্ৰী সকলৰ তুলনাত মুঠেও অনুকুল
নহয়। ছাত্ৰী বান্ধৱী সকলৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰি সেইমতে কাম কৰিবলৈ চেষ্টা কৰিছিলোঁ। নিৰ্বাচনৰ সময়ত ছাত্ৰী
জিৱণি কোঠাৰ বাবে বান্ধৱীসকলে কিছুমান প্ৰয়োজনীয় বস্তু দিয়াৰ দায়িত্ব দিছিল। কিন্তু টকাৰ অভাৱত সকলোবোৰ প্ৰয়োজন
পূৰণ কৰিব পৰা নগ'ল।

মোৰ কাৰ্য্যকালত আমাৰ মহাবিদ্যালয়ত হোৱা "মহাবিদ্যালয় সপ্তাহ" ভালদৰে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। মোৰ
বিভাগত ৰন্ধন প্ৰতিযোগিতা, পুষ্প সজ্জা, এক্সইভাৰী প্ৰতিযোগিতা আৰু কাটিং প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহত
ছাত্ৰী সকলে যোগদান কৰি যথেষ্ট উৎসাহ যোগাইছিল। কিন্তু বেছি সংখ্যক প্ৰতিযোগীয়ে যোগদান নকৰাত বৰ দুখ পাইছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰী জিৱণি কোঠাৰ উন্নতিৰ লগতে মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰিলোঁ।
কাৰ্য্যকালত দিহা-পৰামৰ্শ দি সহায় কৰা বিভিন্নজনলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। দিশপুৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ
উন্নতি কামনাৰে।

ধন্যবাদেৰে

শ্ৰীৰূপাঞ্জলী দেৱী

## সমাজসেৱা সম্পাদক

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



প্ৰতিবেদনৰ আৰম্ভনিতে জাতীয় জীৱনৰ অৰ্থে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত অসমৰ সৰ্বকালৰ মহাপ্ৰাণসকলৰ পুণ্যাত্মালৈ মোৰ অশ্ৰুতাঞ্জলি যাচিলোঁ। এখন সভ্য সমাজ গঠন হবলৈ উৎকৃষ্ট শিক্ষাৰ দৰকাৰ। কিয়নো প্ৰাচীন কালৰ পৰা বৰ্তমান দিনলৈ সমাজ সেৱাক শিক্ষাৰ এটা এৰাব নোৱাৰা অংগ হিচাবে মহা মহা পণ্ডিত সকলে স্বীকাৰ কৰি আহিছে। সাম্প্ৰতিক কালতো প্ৰচলিত শিক্ষা, পাৰম্পৰিক শিক্ষা, সামাজিক শিক্ষা, ৰাজনৈতিক আধ্যাত্মিক আদি বিকাশ সমাজ সেৱাৰ মাজেৰেহে সম্ভৱ হয়। সেয়েহে মই সমাজ সেৱা বিভাগৰ সম্পাদক পদটি বাচি লৈছিলোঁ।

ইং ১১-২-৯৫ চনত দিশপুৰ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক পদ গ্ৰহণ কৰি নিজকে এজন সামান্য কৰ্মী বুলি গৌৰব অনুভৱ কৰিছোঁ। বিগত দিন কেইটাত শৈক্ষিক পৰিবেশনৰ ওপৰত মই গুৰুত্ব আৰোপ কৰিছিলোঁ। মোৰ কাৰ্য্যকালৰ সময়ত কলেজৰ চাৰিওফাল চাফ চিকুন কৰি ৰাখি, তাৰ চাৰিওফালে চূণ, তেল ৰঁহি তাত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, খেল-ধেমালি লগতে সাংস্কৃতিক অনুষ্ঠান আদিও অনুষ্ঠিত কৰা হৈছিল। আৰু বহুতো কাম আছিল যদিও অতি কম বাজেট তথা সময়ৰ অভাৱত কৰিব পৰা নহ'ল। তাৰ বাবে মই দুঃখিত। কিন্তু যি বোৰ কাম মোৰ দিনত হ'ল সকলোবোৰেই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত অৰিহণা যোগাইছে বুলি মই অনুভৱ কৰোঁ।

সহায়-সহযোগিতা তথা অনুপ্ৰেৰণাৰ অবিহনে কোনো কামেই সম্ভৱ নহয়। সেয়েহে এই সুযোগতে মনোজ, তনময়, গজেন, সঞ্জীৱ, ফাৰাহ, জুপি, ৰীতা, ভানু, মুকুট, হেমন্ত, আৰু সকলো ছাত্ৰ বন্ধু-বান্ধৱীক আদি কৰি যি সকলে সহায় সহযোগিতা আগবঢ়াই মোক উৎসাহ দিছিল তেওঁলোকৰ শলাগ লৈছোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ কাৰ্য্যকালত হোৱা অবাঞ্চিত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

ধন্যবাদ

**শ্ৰী মুকুল ডেকা**



সম্পাদক

## লঘু ক্ৰীড়া বিভাগ

দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



প্ৰতিবেদনৰ লেখনী হাতত তুলি লোৱাৰ আগতে ঐতিহ্য মণ্ডিত বিদ্যা তথা জ্ঞানৰ মন্দিৰ দিশপুৰ মহাবিদ্যালয়লৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও ভক্তিৰ শৰাই আগবঢ়াইছোঁ।

১৯৯৫-৯৬ চনৰ বছৰটোৰ বাবে মোক লঘু ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি আপোনালোকক সেৱা কৰাৰ সুবিধা দিয়াৰ বাবে আপোনালোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

আজিৰ বিশ্বত ক্ৰীড়া প্ৰায়ভাগ ক্ষেত্ৰতে লাগতিয়াল। প্ৰতিযোগিতামূলক খেল হিচাপে বৰ্তমান কালত ইয়াৰ ন ন ক্ৰীড়া পদ্ধতি আৱিষ্কৃত হৈছে। গতিকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে যথোপযুক্ত সুবিধা দিয়াটো মহাবিদ্যালয় তথা অভিভাৱকৰ প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা দিয়া সীমিত অনুদানেৰে সিমানখিনি সুবিধা দিয়াটো সম্ভৱ নহয়। তথাপি মই মোৰ কাৰ্য্যকালত যথাসম্ভৱ সুবিধা দিয়াৰ প্ৰয়াস কৰিছিলোঁ। এই ক্ষেত্ৰত কিমান দূৰ সফল হৈছিলোঁ তাৰ বিচাৰৰ ভাৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ন্যস্ত কৰিলোঁ।

অতি পৰিতাপৰ বিষয় এই যে অসমৰ ৰাজধানী খ্যাত দিশপুৰ'ৰ কেন্দ্ৰবিন্দুত অৱস্থিত "দিশপুৰ মহাবিদ্যালয়'ৰ এখন নিজা খেল পথাৰৰ অভাৱেই মহাবিদ্যালয়খন উন্নতিৰ পথত হেঙাৰ হিচাপে থিয় দি আছে তাক পুনৰ দোহৰাৰ প্ৰয়োজন নিশ্চয় নহব। মোৰ এজন খেল সম্পাদক হিচাপে যিখিনি খেল ধেমালি পাতিবলৈ ইচ্ছা আছিল সিমানখিনি পাতিব নোৱাৰি ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকালত বিশেষ অসুবিধাৰ মাজেৰে যিখিনি খেল-ধেমালি অনুষ্ঠিত কৰা হৈছিল সিখিনিত ছাত্ৰ-ছাত্ৰীয়ে ভাল পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত অৰ্চনা দেৱী আৰু নবীন বৰদলৈয়ে ভাল পাৰদৰ্শিতা দেখুৱাইছে। দুয়োজনে 'লঘু খেল বিভাগত' শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ অৰ্জন কৰে। আশা কৰোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো খেলত যোগদান কৰি সুনাম অৰ্জন কৰিব।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱাৰ বাবে বিভাগীয় তত্বাৱধায়িকা শ্ৰীমতী নন্দিনী বৰুৱা বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা শ্ৰীইন্দ্ৰ নাৰায়ণ দেৱলৈ অশেষ ধন্যবাদ জনাইছোঁ।

শেষত পুনৰ বাৰলৈ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জনাই মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়

**শ্ৰী দীপক হীৰা**

এইখিনিতে কৰ্তৃপক্ষক মই অনুৰোধ জনাওঁ যে আমাৰ মহাবিদ্যালয়ে শিক্ষাৰ ক্ষেত্ৰত যেনেকৈ দোপত-দোপে সুনাম কঢ়িয়াব ধৰিছে, ঠিক তেনেদৰে ক্ৰীড়াৰ ক্ষেত্ৰতো উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীকে উৎসাহিত কৰি মহাবিদ্যালয়খনৰ ক্ৰীড়াৰ দিশতো সুনাম অৰ্জন কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব।

আমি সীমিত পৰিসৰৰ মাজত থাকি সকলোবোৰ কাম সুচাৰু ৰূপে চলাই নিয়াত সু-পৰামৰ্শ দিয়া অধ্যক্ষ মহোদয় শ্ৰীযুত ৰেৱকান্ত হাজৰিকাদেৱ, বিভাগীয় তত্ত্বাৱধায়ক শ্ৰীযুত বাতুল বৰা চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলোঁ। এই খেলসমূহ চলোৱাত শাৰীৰিক ভাবে সহায় কৰা ছাত্ৰ-বন্ধু-বান্ধৱী সৰ্বশ্ৰী হেমন্ত, দিপঙ্কৰ, কমল, নুৰ, ভানু, ৰীতা, জুপীতৰা, ফাৰাহ, মমি, ডেইজী, চন্দনা, মামনি, মুকুল, মনোজ, তন্ময়, সঞ্জীৱ, জাকিৰ, গজেন, আয়ুব, আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্য কালত কিমান দূৰ সফল হৈছোঁ তাক বিচাৰ কৰি চাবৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক দায়িত্ব অৰ্পণ কৰিলোঁ। সামৰণিত, অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ। দিশপুৰ মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগটোৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰী মুকুট চন্দ্ৰ কাকতি

# দিশপুৰ মহাবিদ্যালয়ৰ সাধাৰণ আৰু আলোচনী সম্পাদক সকলঃ

## *স্থাপিত ঃ ১৯৭৮ চন*

| সাধাৰণ সম্পাদকৰ নাম | বৰ্ষ | আলোচনীৰ সংখ্যা | আলোচনী সম্পাদকৰ নাম |
|---|---|---|---|
| ১। মঃ আব্দুল মটলিব | ১৯৮৫-৮৬ | | |
| ২। শ্ৰী কৃপা কলিতা | ১৯৮৬-৮৭ | | |
| ৩। " দিগন্ত হাজৰিকা | ১৯৮৭-৮৮ | | |
| ৪। " নিপজ্যোতি ভড়ালী | ১৯৮৮-৮৯ | | |
| ৫। " দীপক কুমাৰ বৈশ্য - | ১৯৮৯-৯০ | | |
| ৬। " বিৰেণ কলিতা- | ১৯৯০-৯১ | | |
| ৭। " মুকুল মেধী - | ১৯৯১-৯২ | | |
| ৮। " হেমন্ত নাথ - | ১৯৯২-৯৩ | ১ম সংখ্যা | শ্ৰী তপন কুমাৰ হাজৰিকা |
| ৯। " বুদ্ধিণ ভুঞা - | ১৯৯৩-৯৪ | ১ম সংখ্যা | শ্ৰী তপন কুমাৰ হাজৰিকা |
| ১০। মঃ জাকিৰ আলী - | ১৯৯৫-৯৬ | ২য় সংখ্যা | শ্ৰী কুশল চন্দ্ৰ কলিতা |
| ১১। শ্ৰী কুশল চন্দ্ৰ কলিতা (ভাৰপ্ৰাপ্ত) | ১৯৯৫ | | |

Prose

# "Role of school in social constructon"

Mrs. Sunita Agarwalla,
Lecturer, Dept. of Education.

School is a formal agency of education which imparts to all members of society the minimum general culture — the minimum knowledge of some subjects that is necessary for living a useful and sucesssful life. The minimum knowledge which every citizen should have is that of one's language, arithmetic, social studies and natural sciences. This makes the schoo a school institution which imparts the knowledge of the 3R's (reading, writing and arithmetic).

Social reconstruction means the changing of the society with the changes in the ideas and beliefs of its members. It means the changing of the society with the changes in its environmental factors or by the pressure of somé revolution etc. Social changes lead to social demands which leads to social reconstruction. "Social Reconstruction" implies changes in the social structure and functions of the various social units which make up the society e.g. the changes in the structure and functions of the family, the school and the other informal agencies. Some educational sociologists identify social change with cultural change -- which in the narrow sense refers to changes in arts, science, customs, literary form, technology and language. Human society is dynamic and it changes from time to time. Social reconstruction also means the changes that man brings about in his habits, attitudes and purposes, "thereby changing himself the better to adjust himself to environment" which is changing physically and socially due to other forces. There are also various other factors that may cause social reconstruction such as scientific inventions in the field of medicine, public health, community organisation, the means of transportation, the means of knowledge, dissemination and interaction and physical environment etc.

But education is the most important factor in social change. Education is not merely a reproductive force but it is a conservative force and as such it assimilates the culture of society and transmits it from one generation to another. May be that is why school is called "a miniature society." This function, of course, can be performed by other social institutions as well, but the school, as argued by many, is the best fitted for it. The business of school is to see that every educand gets a chance to escape from the limitations of the social group to which he belongs and "to come in contact" with a broader environment." The school does this by providing various types of social activities, curricular and extra curricular.

The responsibility of education in modern society becomes greater. It has to supply new that will reconstruct and revitalise the social fabric that prevails. It has to take some initiative for social progress, e.g. "in producing a system of government or a system of economics different from that which exists." Education must lead "to experimentation, the discovery of new truths, and the use of new traits to farther education for the fuller intellectual growth and development of man." Education in dynamic society has to, "go beyond tradition, dogma and static conditions."

The new emphasis in education on the 'paedo-centric' tendency has made this reconstruction function of the school all the more important. In a progressive school, "education has become more interested in the throughts, feelings and actions of the pupil, in his slices of more or less useful information being given to him. The interest of the present day teacheris, "in what the student shall be, what he shall become, and what he shall be able to do". Thus education is to develop the personality of the child who receives it. Development of personality is an important factor from the point of view of creating a new society.

Another factor that dominates our present day society is democracy. Education in democracy has to modify the behaviour of the young to fit in society. Fitting in society does not mean merely conforming to society, but the ability and readiness to change it. The function of the school is to include in its curriculum

subjects like Civics, Political science etc. which arouse political consciousness in the students.

The function of education in ancient times was the impart the knowledge of only the 3R's but in modern time its function hs extended to various fields. It has to look after the child's all around development. Education can help in the social reconstruction by providing suitable and progressive curriculum and activities in the school, college and at the University level. It can achieve the objective by ministering to the needs of the students which go on changing and expanding as a result of inventions and discoveries. The educational administrators and directorates have to keep nothing the needs of changing society and to keep on introducing changes in aims, contents and methods. There is a need for our teachers, students

experimental attitude towards social progress and problems and to realise that education can and should reconstruct society.

Social reconstruction is necessary for changing the society for the betterment of the majority and not a few. Due to scientific inventions, discoveries and arousement of political consciousness in the masses, our ideas are changing day to day. For example _- in the early period the people were ruled by somebody but in the modern times we have got democratic type of government. This leads to a social change which leads to the social demand of political arousement and thus comes the necessity of social reconstruction. Thus, we see that social reconstruction is a very important factor of the present day life and it is education through

# Truth and Ahimsa (Non-violence)

**Mrs. Pranita Sarma**
Lecturer, Philosophy Dept.

Truth and Ahimsa were the cardinal points on which Gandhiji had based the whole structure for him, the aim of life was the realisation of God. Truth was his God and Ahimsa was the means of realising God. Gandhiji always said that he had nothing new to teach the world and that and non-violence were as old as the hill. He had been practising non-violence for an unbroken period of over 50 years he had applied it in every walk of life, domestic, institutional economic and political. Where it had seemed sometimes to had failed, he had ascribed it to his imperfection. He claimed no perfection for himself. But he claimed to be a passionate seeker after truth, which was but another name for God.

Gandhiji's truth and non-violence indicated that one must bear no ill-will or enmity towards any person. No individual should be regarded as an enemy. He maintained that Ahimsa in its negative form meant doing no injury to any living being either physically or mentally. And Ahimsa in its positive form meant love. In the concept of Ahimsa in its positive form, Gandhiji was greatly influenced by the teaching of the New testament on love.

His truth and non-violence had the additional merit of helping us to correct ourselves if we happened to be in the wrong.

According to Gandhiji, truth and non-violence were so interrelated that they could not be separated from one another. They were like the two sides of a coin or rather a smooth unstamped metallic disc. For him truth was the goal and Ahimsa was the means of realising truth.

Gandhiji referred that non-violence was not only meant for the saints and Rishis or seers alone, but also it was meant for common people as well. Non-violence did not require any outside or outward training. It simply required courage to face death without revenge. He said that if one had pride, egoism, there was no non-violence. Non-violence was impossible without humility. For him, where there was love, there was life and hatred led to destruction.

Gandhiji advised people to remain non-violent even under great provocation. He maintained that cowardice and Ahimsa did not go together. For him, non-violence was not the non-violence of the coward or the weak, but that of the brave and the strong. He insisted on non-violence under all circumstances. He said, " I do believe that where there is only a choice between cowardice and violence, I would advise violence. "The practice of Ahimsa also required faith. For him, though violence was not lawful, when it was offered in self-defence or for the defence of the defenceless, it was an act of bravery far better than cowardly submission. Because, the later benifitted neither man nor woman. He said, "It there were eyewitnesses of the rapes and if the witnesses were non-violent, why were they alive?"

According to Gandhi, tolerance was one of the salient features of non-violence. No one claimed finality or infallibility for his own view and must be prepared to concede the possibility of other men's opinion being true from their own standpoints. Gandhiji's non-violence was synonymous with love in the purest and widest sense of the term.

From the above discussions we find that Gandhiji's principle of non-violence is more acceptable. We should apply this principle if we want to emanicipate the society from all kind of social evils . It is non-violence which can bring peace in society.

The importance of the non-violence technique is not very much realised in the present day society and violence is raising its ugly head. There is no peace in the society. The cases of social evils like robbery, murder, rape, exploitation is arresting peace and harmony from the domestic and social life now-a-days. It is here that the principle of non-violence of Gandhiji may act as a saviour. Time is now ripe for more and more realisation of the far reaching implications of the principle of non-violence to reduce the tensions engulfing the present day society.

***

# Homoeopathy and the Medical Science

**Sri Dhiraj Sarma**
T.D.C. Ist year (M)

What is Homoeopathy ? -- Homeopathy was discovered by a German physician Samuel Christian Gottfried Hohnemann in 1790. He declared his discovery to the world in an essay "An essay on a new principle for ascertaining the curative powers of the drug" published in Hufeland's journal. 1796 is the year of the birth of Homeopathy. "Similia Similibus curantur" means like is cured by likes, this therapeutic law of nature was known to the world in theory much before Hahnemann but it was Hahnemann who established it as a system of related laws and processes connected with this system of treatment.

The followers of the law of similars believe that disease is intimately associated with the life of the individual and is a result of internal conceited causes, that pathological tissue changes are the end results of the disease, and if cure is to be effected the whole individual man must be treated. No two persons are exactly alike, each individual being made up of particular characteries by which he is distinguished from his neighbour -- the form of the body, colour of the hair and eyes, height, gait, abilities and so on. Similarly no two person react in the same way to a particular medical treatment. Those who believe in the law of similars, therefore, use a system of medicine by which their remedies are prescribed strictly according to the individual requirements of each sick person.

Much confusion has arisen on among those not conversant with homeopathy as to where the latter stands with reference to the branches of medicine. Do Homeopathy teach and believe in Surgery, preventive medicine, diet and so forth?

Briefly stated Homeopathy concerns itself only with drugs and the their Scientific use in the treatment of disease. Otherwise, a graduate of homeopathy college is taught what any other reputable medical institution have in its curriculum leading to the degree of M.D. certain fundamentals, however, would bear repetition.

Homeopathy holds, first that the cause must be known, it endorses surgery and emphasizes the fact that every surgical case has medical aspect and as such may particularly, to post operative convalescence.

Mainly Homeopathy may be defined as constitutional treatment of patient. It is based on the individualisation of disease symptoms found in the patient. The characteristic symptoms are compared with the proved symptoms of medicine. It is then applied to the patient on the basis of the principle "Similia similibus curantur" A medicine can cure only those symptoms which it can produce.





# Friendly foe

**Munindrajit Goswami**
T.D.C. 2nd year

Nobody can openly mourn
over your loss more,
Nor can make you
pleasant soon
Their with you is none !
To find without any effect,
None is for you
to praise in fun.
None can make you own!
Keeping himself by you annon
Only except him
who is really foe in friendly means.






# The morning song

**Madhusudan Saha**
T.D.C. 3rd year

The first light of the sky
Come down to our home high,
The unknown songs are singing
By the unknown bird in the sky.
The first dawn comes down
to our lonely home in high
The flowers are blooming
to see his first rays frm high
The unknown thoughts are wanting
Some unknown soul's are in the sky
Their crying seeking shelter
In my dewy garden in the river high
The first rays of the new sky
coming down to our creators.
The new sun of the morning
Singing a fire song on his
Thousand violine in the sky.



আচাৰ –
১ম – গুলচন আৰা বেগম – স্নাতক ৩য় বৰ্ষ
২য় – নন্দিতা তালুকদাৰ – ঐ

ছাত্ৰী জিৰণী কোঠাৰ শ্ৰেষ্ঠ
প্ৰতিযোগী স্নাতক ৩য় বৰ্ষৰ
শ্ৰী গুলচন আৰা বেগম

## লঘু ক্ৰীড়া বিভাগৰ ফলাফল —

ল'ৰাৰ পাঞ্জা (৪০ পৰা ৪৫ কেঃ জিঃ)
১ম – শ্ৰী শান্তনু দাস – উঃ মাঃ ১ম বৰ্ষ
২য় – শ্ৰী বিদ্যুৎ গোস্বামী – ঐ
৩য় – শ্ৰী পিথিৰাজ চেতিয়া – স্নাতক ১ম বৰ্ষ

ল'ৰাৰ পাঞ্জা (৪৬ পৰা ৫০ কেঃ জিঃ)
১ম – শ্ৰী উদ্ধৱ চলিহা – স্নাতক ১ম বৰ্ষ
২য় – শ্ৰী মুনিন্দ্ৰজিত গোস্বামী – স্নাতক ২য় বৰ্ষ
৩য় – শ্ৰী শঙ্কৰ সিংহা – উঃ মাঃ১ম বৰ্ষ

ল'ৰাৰ পাঞ্জা (৫০ পৰা ৫৫ কেঃ জিঃ)
১ম – শ্ৰী অচ্যুত কাকতি – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী নবীন বৰদলৈ – ঐ
৩য় – শ্ৰী বিপুল কলিতা –

ল'ৰাৰ পাঞ্জা (৫৬ পৰা ৬০ কেঃ জিঃ)
১ম – শ্ৰী মৃগাংকজিৎ গোস্বামী – স্নাতক ১ম বৰ্ষ
২য় – শ্ৰী নিৰঞ্জন শৰ্মা – স্নাতক ২য় বৰ্ষ
৩য় –

ল'ৰাৰ পাঞ্জা (৬১ পৰা ৬৫ কেঃ জিঃ)
১ম – শ্ৰী নিলাদ্ৰী শৰ্মা – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী অমৰজ্যোতি কাকতি –
৩য় – শ্ৰী বলেন দাস – স্নাতক ১ম বৰ্ষ

শ্ৰেষ্ঠ পাঞ্জা খেলুৱৈ –
১ম – মৃগাংকজিৎ গোস্বামী – স্নাতক ১ম বৰ্ষ

ছোৱালীৰ ডবা –
১ম – শ্ৰী চন্দনা ভাগৱতী – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী মামনী কলিতা – উঃ মাঃ ১ম বৰ্ষ

ল'ৰাৰ ডবা –
১ম – শ্ৰী এল. এৰচবী সিনহা – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী বিনোদ সোনোৱাল – স্নাতক ১ম বৰ্ষ
৩য় – শ্ৰী জীৱন চন্দ্ৰ কলিতা – উঃ মাঃ ১ম বৰ্ষ

কাবাদী ল'ৰাৰ – ১ম স্থান
১ – শ্ৰী নিৰঞ্জন শৰ্মা – স্নাতক ২য় বৰ্ষ
২ – শ্ৰী গনেশ চন্দ্ৰ ৰয় – স্নাতক ৩য় বৰ্ষ
৩ – শ্ৰী মুনিন্দ্ৰজিৎ গোস্বামী – স্নাতক ২য় বৰ্ষ
৪ – শ্ৰী নবীন চন্দ্ৰ বৰদলৈ – স্নাতক ২য় বৰ্ষ
৫ – শ্ৰী নয়নজ্যোতি মজুমদাৰ – ঐ
৬ – শ্ৰী প্ৰফুল্ল কুমাৰ – ঐ
৭ – শ্ৰী কুশল চন্দ্ৰ কলিতা – স্নাতক ২য় বৰ্ষ
৮ – শ্ৰী মহেশ ৰাজবংশী – স্নাতক ২য় বৰ্ষ

কাবাদী ল'ৰাৰ – ২য় স্থান
১ – শ্ৰী ধীৰেন ডেকা – স্নাতক ১ম বৰ্ষ
২ – শ্ৰী মনোজ কুমাৰ নাথ – স্নাতক ১ম বৰ্ষ
৩ – শ্ৰী জয়ন্ত কুমাৰ দেউৰী – স্নাতক ১ম বৰ্ষ
৪ – শ্ৰী বলেন দাস – স্নাতক ২য় বৰ্ষ
৫ – শ্ৰী ধনো শ্বেখ – স্নাতক ১ম বৰ্ষ
৬ – শ্ৰী সঞ্জীৱ বৰ্মন – স্নাতক ১ম বৰ্ষ
৭ – শ্ৰী শৈলেন বৰুৱা – স্নাতক ১ম বৰ্ষ
৮ – শ্ৰী বিপুল বড়ো – স্নাতক ১ম বৰ্ষ
৯ – শ্ৰী উদ্ধৱ শইলে – স্নাতক ১ম বৰ্ষ

কাবাদী (ছোৱালী)–১ম স্থান –
১ – শ্ৰী ডেইজি বৰা – উঃ মাঃ ১ম বৰ্ষ
২ – শ্ৰ অঞ্জলী বৰ্মন – উঃ মাঃ ১ম বৰ্ষ
৩ – শ্ৰী নমিতা ডেকা – উঃ মাঃ ১ম বৰ্ষ
৪ – শ্ৰী চন্দনা কলিতা – উঃ মাঃ ১ম বৰ্ষ
৫ – শ্ৰী মামনী কলিতা – উঃ মাঃ ১ম বৰ্ষ
৬ – শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ ১ম বৰ্ষ
৭ – শ্ৰী মল্লীকা দেৱী – উঃ মাঃ ১ম বৰ্ষ

কাবাদী (ছোৱালী)–২য় স্থান
১ – শ্ৰী বিতা মজুমদাৰ – স্নাতক ১ম বৰ্ষ
২ – শ্ৰ সবিতা দাস – স্নাতক ১ম বৰ্ষ
৩ – শ্ৰী ৰূপাঞ্জলী দেৱী – উঃ মাঃ ১ম বৰ্ষ
৪ – শ্ৰী আছমা চুলতানা – উঃ মাঃ ১ম বৰ্ষ

৫ – শ্ৰী ৰবীতা বৰুৱা – উঃ মাঃ ১ম বৰ্ষ
৬ – শ্ৰী ৰুবী হাজৰিকা – উঃ মাঃ ১ম বৰ্ষ
৭ – শ্ৰী ৰবীতা ৰবৰৱা – স্নাতক ৩য় বৰ্ষ

বেডমিণ্টন –
১ম – শ্ৰী মিৰ্নাল কান্তি সিন্‌হা – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী ভবেশ তালুকদাৰ – উঃ মাঃ ১ম বৰ্ষ
৩য় – শ্ৰী জগদীশ কাকতি – স্নাতক ১ম বৰ্ষ

### ছাত্ৰ-জিৰণী কোঠাৰ অন্তৰ্গত প্ৰতিযোগিতাৰ ফলাফল ঃ-

ল'ৰাৰ একক কেৰম –
১ম – দীপক কুমাৰ তামুলী – উঃ মাঃ ২য় বৰ্ষ
২য় – মাধৱ কলিতা – ঐ
৩য় – প্ৰফুল্ল কুমাৰ – স্নাতক ২য় বৰ্ষ

দ্বৈত' কেৰম –
প্ৰথম স্থান –
নয়ন বৰুৱা – উঃ মাঃ ২য় বৰ্ষ
পংকজ বৰুৱা – ঐ

দ্বিতীয় স্থান –
অচ্যুত কাকতি – স্নাতক ২য় বৰ্ষ
দেবেন্দ্ৰ দেব – ঐ

## গুৰু ক্ৰীড়া বিভাগৰ ফলাফল –

(১) দৌৰ ল'ৰাৰ – ১০০ মিটাৰ –
১ম – শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী সঞ্জীৱ তালুকদাৰ – উঃ মাঃ ১ম বৰ্ষ
৩য় – শ্ৰী ৰাজেন ৰাভা – উঃ মাঃ ২য় বৰ্ষ

(২) ১০০ মিটাৰ ছোৱালীৰ দৌৰ –
১ম – শ্ৰী ৰীতা মজুমদাৰ – স্নাতক ১ম বৰ্ষ
২য় – শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ ১ম বৰ্ষ
৩য় – শ্ৰী নমিতা মেধী –

(৩) ২০০ মিটাৰ ল'ৰাৰ দৌৰ –
১ম – শ্ৰী ৰাজেন ৰাভা – উঃ মাঃ ২য় বৰ্ষ
২য় – শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
৩য় – শ্ৰী সুভা গগৈ – উঃ মাঃ ১ম বৰ্ষ

(৪) ২০০ মিটাৰ ছোৱালীৰ দৌৰ –
১ম – শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ ১ম বৰ্ষ
২য় – শ্ৰী ৰীতা মজুমদাৰ – স্নাতক ১ম বৰ্ষ
৩য় – শ্ৰী ৰঞ্জীতা দলে – ঐ
শ্ৰী নমিতা মেধী – ঐ

(৫) ল'ৰাৰ গধুৰ বস্তু দলিওৱা –
১ম – সতীশ দাস – উঃ মাঃ ১ম বৰ্ষ
২য় – নিৰঞ্জন শৰ্মা – স্নাতক ২য় বৰ্ষ
৩য় – বলেন দাস – স্নাতক ১ম বৰ্ষ

(৬) ছোৱালীৰ গধুৰ বস্তু দলিওৱা –
১ম – অৰ্চনা দেবী – উঃ মাঃ ১ম বৰ্ষ
২য় – আৰতী বড়ো – উঃ মাঃ ১ম বৰ্ষ
৩য় – অঞ্জলী বৰ্মন – উঃ মাঃ ১ম বৰ্ষ

(৭) ল'ৰাৰ ১৬০০ মিটাৰ –
১ম – শ্ৰী উদ্ধৱ শালৈ – স্নাতক ১ম বৰ্ষ
২য় –
৩য় – শ্ৰী বিপুল বড়ো – স্নাতক ১ম বৰ্ষ

(৮) ছোৱালীৰ ৪০০ মিটাৰ –
১ম – শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ ১ম বৰ্ষ
২য় – শ্ৰী অঞ্জলী বৰ্মন – উঃ মাঃ ১ম বৰ্ষ
৩য় – শ্ৰী ৰীতা বৰ্মন – স্নাতক ১ম বৰ

(৯) ল'ৰাৰ লং জাম্প –
১ম – শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী গজেন বৈশ্য – স্নাতক ১ম বৰ্ষ
৩য় – শ্ৰী বিপুল বড়ো – স্নাতক ১ম বৰ্ষ

(১০) ছোৱালীৰ লং জাম্প –
১ম – শ্ৰী ডেইজী ৰবা – উঃ মাঃ১ম বৰ্ষ
২য় – শ্ৰী মমী শৰ্মা – উঃ মাঃ১ম বৰ্ষ
৩য় – শ্ৰী চন্দনা কলিতা – উঃ মাঃ১ম বৰ্ষ

(১১) ল'ৰাৰ হাই জাম্প –
১ম – শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী ধৰ্মেন্দ্ৰ ডেকা – উঃ মাঃ১ম বৰ্ষ
৩য় – শ্ৰী বিপুল বড়ো – স্নাতক ১ম বৰ্ষ



(১২) ছোৱালীৰ হাই জাম্প –
১ম – শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ১ম বৰ্ষ
২য় – শ্ৰী ৰীতা মজুমদাৰ – স্নাতক ১ম বৰ্ষ

(১৩) ল'ৰাৰ কাঁহি (ডিছকাছ) দলিওৱা –
১ম – শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
২য় – শ্ৰী নৰকান্ত বৰ্মন – উঃ মাঃ১ম বৰ্ষ
৩য় – শ্ৰী উদ্ধৱ শালৈ – স্নাতক ১ম বৰ্ষ

(১৪) ছোৱালীৰ কাঁহি (ডিছকাছ) দলিওৱা –
১ম – শ্ৰী অঞ্জলী বৰ্মন – উঃ মাঃ১ম বৰ্ষ
২য় – শ্ৰী ডেইজী ৰবা – উঃ মাঃ১ম বৰ্ষ
৩য় – শ্ৰী আৰতী বড়ো – উঃ মাঃ১ম বৰ্ষ

(১৫) ল'ৰাৰ যাঁঠি দলিওৱা –
১ম – শ্ৰী পিঠিৰাজ চেতিয়া – স্নাতক ১ম বৰ্ষ
২য় – শ্ৰী বিপুল বড়ো – স্নাতক ১ম বৰ্ষ
৩য় – শ্ৰী প্ৰাঞ্জল শৰ্মা – উঃ মাঃ১ম বৰ্ষ

(১৬) ছোৱালীৰ যাঁঠি দলিওৱা –
১ম – শ্ৰী অঞ্জলী বৰ্মন – উঃ মাঃ১ম বৰ্ষ
২য় – শ্ৰী আৰতী বড়ো – উঃ মাঃ১ম বৰ্ষ
৩য় – শ্ৰী কনু কলিতা – উঃ মাঃ১ম বৰ্ষ

(১৭) ল'ৰাৰ ৮০০ মি. দৌৰ –
১ম – শ্ৰী মুকুট চন্দ্ৰ কাকতি – স্নাতক ১ম বৰ্ষ
২য় – শ্ৰী হেমন্ত ডেকা – স্নাতক ১ম বৰ্ষ
৩য় – শ্ৰী দিপাঙ্কৰ পাঠক – স্নাতক ১ম বৰ্ষ

(১৮) ভলীবল –
প্ৰথম ঃ- (স্নাতক ১ম বৰ্ষ)
১ - সঞ্জীৱ বৰ্মন (অধিনায়ক)
২ - তপময় নাথ
৩ - ধীৰেন ডেকা
৪ - বিনোদ সণোৱাল
৫ - বিপুল বড়ো
৬ - জয়ন্ত কুমাৰ ডেউৰী

২য় স্থান ঃ- (উঃ মাঃ ১ম বৰ্ষ)
১ - ধৰ্মেন্দ্ৰ ডেকা
২ - নৰকান্ত বৰ্মন (অধিনায়ক)
৩ - খনিন দাস
৪ - কুমুদ ৰবা
৫ - সঞ্জীৱ তালুকদাৰ
৬ - সতীশ দাস

ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈ –
শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ

ছোৱালীৰ শ্ৰেষ্ঠ খেলুৱৈ –
শ্ৰী অৰ্চনা দেৱী – উঃ মাঃ ১ম বৰ্ষ

(১৯) ১৬০০ মি. দৌৰ –
১ - শ্ৰী দীপাঙ্কৰ পাঠক – স্নাতক ১ম বৰ্ষ
২ - শ্ৰী নুৰ হাজান আলি – ঐ
৩ - শ্ৰী হেমন্ত ডেকা – ঐ
৪ - শ্ৰী নবীন বৰদলৈ – স্নাতক ২য় বৰ্ষ
৫ - শ্ৰী মুনিন্দ্ৰজিৎ গোস্বামী – ঐ
৬ - শ্ৰী কমীজ আলি – উঃ মাঃ ১ম বৰ্ষ
৭ - শ্ৰী মুকুট চন্দ্ৰ কাকতি – স্নাতক ১ম বৰ্ষ
৮ - শ্ৰী মুকুল ডেকা – ঐ
৯ - শ্ৰী মনোজ নাথ – ঐ
১০ - শ্ৰী তপময় নাথ – ঐ
১১ - শ্ৰী সঞ্জীৱ বৰ্মন – ঐ

## তৰ্কলোচনা বিভাগৰ ফলাফল ঃ-

কুইজ প্ৰতিযোগিতা
১ম – শ্ৰী প্ৰদীপ কুমাৰ শৰ্মা – স্নাতক ১ম বৰ্ষ
শ্ৰী ফাৰাহ আহমেদ – ঐ
শ্ৰী সবিতা দাস – ঐ

২য় – শ্ৰী ব্ৰজেন শৰ্মা – উঃ মাঃ ১ম বৰ্ষ
শ্ৰী বিশ্বজিৎ ডেকা – ঐ
শ্ৰী ভূপেন শৰ্মা – ঐ

তৰ্ক প্ৰতিযোগিতাৰ
প্ৰথম - শ্ৰী প্ৰদীপ কুমাৰ দাস – স্নাতক ১ম বৰ্ষ (বিপক্ষে)
দ্বিতীয় - শ্ৰী কুশল চন্দ্ৰ দাস – ঐ (সপক্ষে)

তৃতীয় - শ্ৰী ইন্দ্ৰনাথ গগৈ — উঃ মাঃ ১ম বৰ্ষ (বিপক্ষে)

**আবৃত্তি প্ৰতিযোগিতাৰ —**

প্ৰথম - শ্ৰী কনুমণি শৰ্মা — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় - শ্ৰী চন্দনা কলিতা — উঃ মাঃ ১ম বৰ্ষ
তৃতীয় - শ্ৰী ডেইজি বৰা — ঐ
যুটীয়াভাবে - শ্ৰী ইন্দ্ৰনাথ গগৈ — ঐ

**(মহাবিদ্যালয়ৰ সপ্তাহৰ) সাহিত্য প্ৰতিযোগিতাৰ ফলাফল সমূহ :-**

**কবিতা :-**

১ম - শ্ৰী মালামনি হাজৰিকা — "বসন্ত প্ৰতীক্ষা"
স্নাতক ২য় বৰ্ষ
২য় - শ্ৰী দিলীপ কুমাৰ নাথ — "বহাগ"
স্নাতক ২য় বৰ্ষ
৩য় - শ্ৰী প্ৰদীপ কুমাৰ দাস — "বসন্ত কালৰ আগমনত"
স্নাতক ১ম বৰ্ষ

**গল্প :-**

**উদ্মানি বটা :-**

শ্ৰী নবীন বড়গোহাঁই — স্নাতক ১ম বৰ্ষ

**প্ৰবন্ধ :-**

১ম - শ্ৰী জয়নাল আবেদিন
স্নাতক ১ম বৰ্ষ
২য় - শ্ৰী পংকজ ফুকন — "ছাত্ৰ-ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ"
স্নাতক ১ম বৰ্ষ
৩য় - শ্ৰী ৰশি মহম্মদ
একাদশ

দিশপুৰ মহাবিদ্যালয়ৰ প্ৰতিটো কৰ্মৰ সৈতে জড়িত, দিশপুৰ কলেজৰ উন্নয়নৰ লগত জড়িত ছাত্ৰ-ছাত্ৰী সকলক সমাজ সেৱা বিভাগৰ তৰফৰ পৰা আন্তৰিক অভিবাদন জনোৱাৰ উদ্দেশ্যেৰে তেওঁলোকলৈ এখনিকৈ প্ৰমান পত্ৰ দিয়া হয়। তলত তেওঁলোকৰ নাম সমূহ উল্লেখ কৰা হ'ল।

সৰ্বশ্ৰী —

১ — ধীৰেন ডেকা — স্নাতক ১ম বৰ্ষ
২ — জুপিতৰা চৌধুৰী — ঐ
৩ — গজেন কুমাৰ বৈশ্য — ঐ
৪ — তন্ময় কুমাৰ নাথ — ঐ
৫ — মনোজ কুমাৰ নাথ — ঐ
৬ — গীতা মজুমদাৰ — ঐ
৭ — ভানুদেৱী — ঐ
৮ — চৈয়দা ফাৰাহ আনম — ঐ
৯ — কমল গোস্বামী — ঐ
১০ — ধনু শেখ — ঐ
১১ — প্ৰদীপ কুমাৰ শৰ্মা — ঐ
১২ — কিৰণ কুমাৰ ঠাকুৰী — ঐ
১৩ — সজীৱ বৰ্মন — ঐ
১৪ — নয়ন জ্যোতি মজুমদাৰ — স্নাতক ২য় বৰ্ষ
১৫ — মধু সোদন চাহা — ঐ
১৬ — বাহুল দাস — উঃ মাঃ ২য় বৰ্ষ
১৭ — মামনি কলিতা — ঐ
১৮ — নবকান্ত বৰ্মন — ঐ



## নৱাগত আদৰণী সভাৰ লগতে প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ কেইটিমান মুহূৰ্ত বিশেষ





তৃতীয় মহাবিদ্যালয় সপ্তাহৰ কেইটিমান বিশেষ মূহুৰ্ত

## অসম সাহিত্যসভাৰ সভাপতিসকলৰ নাম, সভা অনুষ্ঠিত স্থান আৰু চন

| নাম | অনুষ্ঠিত স্থান | চন |
|---|---|---|
| পদ্মনাথ গোহাঁঞিবৰুৱা | শিৱসাগৰ | ১৯১৭ |
| চন্দ্ৰধৰ বৰুৱা | গোৱালপাৰা | ১৯১৮ |
| কালিৰাম মেধি | বৰপেটা | ১৯১৯ |
| হেমচন্দ্ৰ গোস্বামী | তেজপুৰ | ১৯২০ |
| অমৃতভূষণ দেৱ অধিকাৰী | যোৰহাট | ১৯২২ |
| কনকলাল বৰুৱা | ডিব্ৰুগড় | ১৯২৩ |
| লক্ষ্মীনাথ বেজবৰুৱা | গুৱাহাটী | ১৯২৪ |
| ৰজনীকান্ত বৰদলৈ | নগাওঁ | ১৯২৫ |
| বেনুধৰ ৰাজখোৱা | ধুবুৰী | ১৯২৬ |
| তৰুণৰাম ফুকন | গোৱালপাৰা | ১৯২৭ |
| কমলাকান্ত ভট্টাচাৰ্য্য | যোৰহাট | ১৯২৮ |
| মফিজুদ্দিন আহমেদ হাজৰিকা | গোলাঘাট | ১৯২৯ |
| নগেন্দ্ৰ নাৰায়ণ চৌধুৰী | শিৱসাগৰ | ১৯৩১ |
| জ্ঞানাদাভিৰাম বৰুৱা | লক্ষীমপুৰ | ১৯৩৩ |
| আনন্দচন্দ্ৰ আগৰৱালা | মংগলদৈ | ১৯৩৪ |
| ৰঘুনাথ চৌধাৰী | তেজপুৰ | ১৯৩৬ |
| কৃষ্ণকান্ত সন্দিকৈ | গুৱাহাটী | ১৯৩৭ |
| ময়দুল ইচলাম বৰা | যোৰহাট | ১৯৪০ |
| নীলমণি ফুকন | শিৱসাগৰ | ১৯৪৪ |
| নীলমণি ফুকন | ডিব্ৰুগড় | ১৯৪৭ |
| অম্বিকাগিৰি ৰায়চৌধুৰী | মাৰ্ঘেৰিটা | ১৯৫০ |
| সূৰ্যকুমাৰ ভূঞা | চিলং | ১৯৫৩ |
| নলিনীবালা দেৱী | যোৰহাট | ১৯৫৪ |
| যতীন্দ্ৰনাথ দুৱৰা | গুৱাহাটী | ১৯৫৫ |
| বেনুধৰ শৰ্ম্মা | ধুবুৰী | ১৯৫৬ |
| পদ্মধৰ চলিহা | তিনচুকীয়া | ১৯৫৮ |
| অতুলচন্দ্ৰ হাজৰিকা | নগাওঁ | ১৯৫৯ |
| ত্ৰৈলোক্যনাথ গোস্বামী | পলাশবাৰী | ১৯৬০ |
| ৰত্নকান্ত বৰকাকতি | নাজিৰা | ১৯৬৩ |
| মিত্ৰদেৱ মহন্ত | ডিগবৈ | ১৯৬৪ |

| | | |
|---|---|---|
| ডিম্বেশ্বৰ নেওগ | নলবাৰী | ১৯৬৫ |
| বিনন্দ চন্দ্ৰ বৰুৱা | লক্ষীমপুৰ | ১৯৬৬ |
| নকুল চন্দ্ৰ বৰুৱা | ডিব্ৰুগড় | ১৯৬৭ |
| জ্ঞাননাথ বৰা | তেজপুৰ | ১৯৬৮ |
| আনন্দ চন্দ্ৰ বৰুৱা | বৰপেটা | ১৯৬৯ |
| উপেন চন্দ্ৰ লেখাৰু | টিং | ১৯৭০ |
| তীৰ্থনাথ শৰ্মা | মাকুম | ১৯৭১ |
| হেম বৰুৱা | ধুবুৰী | ১৯৭২ |
| গিৰিধৰ শৰ্মা | বঙিয়া | ১৯৭৩ |
| ডঃ মহেশ্বৰ নেওগ | মংগলদৈ | ১৯৭৪ |
| ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা | তিতাবৰ | ১৯৭৫ |
| যজ্ঞেশ্বৰ শৰ্মা | টিহু | ১৯৭৬ |
| চৈয়দ আব্দুল মালিক | অভয়াপুৰী | ১৯৭৭ |
| প্ৰসন্নলাল চৌধুৰী | গোলাঘাট | ১৯৭৮ |
| অতুল চন্দ্ৰ বৰুৱা | শুৱালকুছি | ১৯৭৯ |
| যতীন্দ্ৰনাথ গোস্বামী | ৰহা | ১৯৮০ |
| সীতানাথ ব্ৰহ্ম চৌধুৰী | তিনিচুকীয়া | ১৯৮১ |
| সীতানাথ ব্ৰহ্ম চৌধুৰী | ডিফু | ১৯৮২ |
| ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | বঙাইগাওঁ | ১৯৮৩ |
| যোগেশ দাস | বিহপুৰীয়া | ১৯৮৫ |
| বীৰেন বৰকটকী | কামপুৰ | ১৯৮৬ |
| ডঃ মহেন্দ্ৰ বৰা | পাঠশালা | ১৯৮৭ |
| কীৰ্তিনাথ হাজৰিকা | হাইলাকান্দি | ১৯৮৮ |
| মহিম বৰা | ডুমডুমা | ১৯৮৯ |
| নৱকান্ত বৰুৱা | বিশ্বনাথ চাৰিআলি | ১৯৯০ |
| ডঃ নিৰ্মলপ্ৰভা বৰদলৈ | দুধনৈ | ১৯৯১ |
| লক্ষ্যধৰ চৌধুৰী | গোৰেশ্বৰ | ১৯৯২ |
| ডঃ ভূপেন হাজৰিকা | শিৱসাগৰ | ১৯৯৩ |
| ডঃ লীলা গগৈ | মৰিগাওঁ | ১৯৯৪ |
| হিতেশ ডেকা | সৰ্থেবাৰী | ১৯৯৫ |
| ডঃ লক্ষ্মীনন্দন বৰা | বোকাখাট | ১৯৯৬ |

"সাহিত্যই জগত-সৌন্দৰ্য্যৰ ফালে আমাক বাট দেখুৱাই লৈ যায়। এই বাট দেখুৱাই লৈ যাব পৰাতেই সাহিত্যৰ সৃষ্টিশক্তিৰ পৰিচয়। যদি বিশ্বখনিকৰে সত্য, মঙ্গলময় আৰু সুন্দৰ বিশ্ব আৰতিৰ মন্দিৰ সাজি দিছে, সাহিত্যই সেই মন্দিৰলৈ উঠা সেন্দুৰী খটখটি গঢ়ি দিয়া বুলি আমি ক'ব পাৰোঁহক। সাহিত্যৰ এই সৃষ্টি-শক্তি নিশ্চয় সাধনাৰ বস্তু। সাহিত্যতোযে সাধনা আছে এই কথা উপলব্ধি কৰিব পাৰিলেহে প্ৰকৃত সাহিত্যৰ উদ্ভাৱনা সম্ভাৱনা সম্ভৱ হ'ব পাৰে।"

Editor : KUSHAL CHANDRA KALITA. 2nd Issue-1995-96.